# Assam Legislative Assembly Debates

## Official Report

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session
## Vol. III

## No 5

THE 7 TH SEPTEMBER, 1983

1990

PRINTED AT R. D. PRINTERS, DHIRENPARA, GUWAHATI-25

PROCEEDINGS OF THE THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**THE HOUSE MET IN THE ASSEMBLY CHAMBER, DISPUR, GAUHATI**

on wednesday the 7th September 1983.

**WITH**

The Hon. Speaker in the Chair, 18 (Eighteen) Ministers, 4 (Four) Ministers of State, 5 (Five) Deputy Ministers and 1 (One) Parliamentary Secretary and 57 (Fifty seven) Members Present.

—

BATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1983

# Third Session

VOL.-III

NO.—5

Dated, the 7th September, 1983

## CONTENTS


| | Page |
|---|---|
| Question .......... .......... .......... | 1 |
| Miscellaneous ... .......... .......... | 37 |
| Call Attention Notice .......... .......... | 39 |
| Introduction of Government Bill .......... | 43 |
| General discussion on the Budget .......... | 43 |
| Adjournment ...... .......... .......... | 132 |

# STARRED

# QUESTIONS AND ANSWERS

Date :— 7th September, 1983

**বিঃ জলসিঞ্চন প্ৰকল্পৰ কাৰণে কিনা চিমেণ্ট।**

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে :—

★২২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮২-৮৩ চনত জলসিঞ্চন প্ৰকল্পৰ কাৰণে চিমেণ্ট চৰকাৰে কিনিছে নেকি ?

(খ) যদি কিনিছে, কিমান ধনৰ কিনিছে আৰু কাৰ পৰা কিনা হৈছে, তাৰিখ সহ যোগান নিৰ্দ্দেশ জনাবনে ?

(গ) জলসিঞ্চন বিভাগৰ সামগ্ৰী কিনাৰ কাৰণে ক্ৰয় কমিটিৰ পৰামৰ্শ মানি লোৱা হয় নে ?

(ঘ) এই আহিলা পাতি কিনাৰ কাৰণে ক্ৰয় কমিটিৰ কিবা পৰামৰ্শ আছিলনে ?

(ঙ) যদি আছিল সেই পৰামৰ্শবোৰ জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :—

২২। (ক) হয়।

(খ) ৯১,৭৭,৭০২·০০ টকাৰ চিমেণ্ট কিনা হৈছে। বিভাগীয় যোগান নিৰ্দ্দেশ তাৰিখ সহ আৰু চিমেণ্ট যোগান ধৰা প্ৰতিষ্ঠান সমূহৰ নাম লগত দিয়া হৈছে।

(গ) হয়। যিবিলাক সামগ্ৰী দি জি এচ এন্দ দি ৰ মূল্য নিৰ্দ্ধাৰণ পৰিধিত নপৰে সেই বিলাক সামগ্ৰীৰ বাবে বিভাগীয় ক্ৰয় বৰ্ডৰ পৰামৰ্শ সাধাৰণতে মানি লোৱা হয়।

(ঘ) যিহেতু চিমেণ্ট ক্ৰয় দি জি এচ এন্দ দি ৰ মূল্য নিৰ্দ্ধাৰণৰ পৰিধিত পৰে সেই কাৰণে ক্ৰয় বৰ্ডৰ পৰামৰ্শ লোৱাৰ প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

শ্ৰীমোহন বসুমতাৰী :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা জানিব বিচাৰো যে ১৯৮২-৮৩ চনত চিমেণ্ট কিনাৰ সময়ত ক্ৰয় কমিটিৰ নিৰ্দ্দেশ মানি লোৱা হৈছিল নেকি?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই কৈছোৱেই পাৰচেচ বোৰ্ড আছে যেতিয়া তেওঁলোকৰ কোনো নিৰ্দ্দেশৰ প্ৰয়োজন নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, যদি নিৰ্দ্দেশ লোৱা নাই, তেনেহলে মেনুফেক্সাৰৰ পৰা পোনপটীয়াকৈ কিনা হৈছে নেকি?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— হয়, প্ৰডিউচাৰ নহলে চাপ্লাইৰ পৰাই কিনা হয়।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ— এই চিমেণ্ট খিনিও প্ৰডিউচাৰৰ পৰাই কিনা হৈছে নেকি ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ— হয়, সদায় প্ৰডিউচাৰৰ পৰাই কিনা হয়।

Re : Udalguri Primary Health Centre.

Shri Binoy Kumar Basumatari asked :

★23. Will the Minister, Health be pleased to state :—

(a) Whether it is a fact that the Advisory Council for Scheduled Tribes of the State proposed to upgrade the Udalguri Primary Health Centre to a 32 bedded Hos–pital under the Tribal Sub–Plan during the year 1978-79 ?

(b) If so, what has happened to this proposal and the fund alloted for the purpose ?

(c) With the decision of the Govt. to create a new Sub Division at Udalgur–, whether a Civil Hospital will be provided at Udalguri after shifting the proposed 32–bedeed hospital under tribal Sub–plan to Badagaon within Udalguri Constituency ?

(d) If so, when ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

23. (a) Govt. have no information that Advisory Council for Scheduled Tribe proposed to upgrade the Udalguri Primary Health Centre to 32-beded Hospital under Tribal Sub-Plan during 1978-79.

(b) Does not arise.

(c) No such decision has yet been taken.

(d) Does not arise.

Shri Benoy Kumar Basumatari :— Sir, if I produce a copy of the proceedings of the Tribal Advisory Council what steps the Govt. will take ?

Shri Bhumidhar Barman ( Minister ) :— I will definitely look into it. I have also got a copy of such a resolution but no such resolution was taken at the meeting

Shri Benoy Kumar Basumatari :— Sir, with the creation of a new subdivision at Udalguri we were given the assurance that there would be a 100 beded hospital. Now the Minster has stated that no decision has been

taken for such a hospital at Udalguri. What is the actual position ?

Shri Bhumidhar Barman (Minister) :— Where there is a subdivision there will be a 100-beded hospital but I cannot say when we will be able to do it because the question of availability of fund is there. It will however be done in due course.

Shri Benoy Kumar Basumatari :— Sir, what is the length of this "due course ?"

Shri Bhumidhar Barman ( Minister ) :— Udalguri being a tribal area we will give priority.

Shri Benoy Kumar Basumatari :— We are told by certain engineers that they have so much of money under 7th finance commission for creating new District and Sub-divisions that they will not be able to spend the same within the financial year. When there are so much of money it is not understood why Govt. have not initiated any work on this project.

Shri Bhumidhar Barman ( Minister ) :— I will definitely see that the hospital is constructed as early as possible.

## বি ঃ চৰকাৰী চিকিৎসালয়ৰ চিকিৎসক

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে ঃ

★২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যৰ চৰকাৰী চিকিৎসালয়ৰ বহু সংখ্যক চিকিৎসকে ব্যক্তিগত ব্যৱসায়ৰ কাৰণে ৰোগী সকলক চিকিৎসা কৰাৰ সময় নাপায় বুলি ৰাজহুৱা অভিযোগ থকাটো সচানে ?

(খ) যদি সচা তেন্তে ইয়াৰ প্ৰতি ব্যৱস্থা কি লোৱা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৪। (ক) তেনেকুৱা তথ্যপাতি চৰকাৰৰ হাতত নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমতী মৃদুলা চহৰীয়া ঃ— অধ্যক্ষ মহোদয়, মই জনাত বাতৰি কাকতত এনেধৰনৰ ৰাজহুৱা অভিযোগ ওলায়েই থাকে। এনে ক্ষেত্ৰত এইবিলাকৰ চৰকাৰৰ কোনো দৃষ্টিগোচৰ হোৱা নাই নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) অধ্যক্ষ মহোদয়, কেতিয়াবা কেতিয়াবা এনে কথা পেপাৰত ওলায়ে। কিন্তু তথ্য পাতি সহ স্পষ্ট কাৰো বিৰুদ্ধে প্ৰমাণ আদি পোৱা নাই। মাননীয় সদস্য গৰাকীয়ে যদি তেনে কোনো প্ৰমাণ দিব

পাৰে তেনেহলে ব্যৱস্থা লম। কোনো দুষ্ট ডাক্তৰে মাতিলে নেযাব পাৰে। তেনে যদি প্ৰমাণ পাওঁ তেনেহলে মই এতিয়াই ব্যৱস্থা লম।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, কিমান জন সৎ ডাক্তৰে গুৱাহাটীৰ প্ৰাইভেট নাৰ্চিং হোম খুলি চিকিৎসা কৰি আছে জানেনে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, তেনে কৰা বুলি আমি শুনিছো। কিন্তু তেওঁলোকৰ কৰ্তব্য খিনি ঠিক ৰাখি কৰিছে নে নাই সেইটোহে কথা যদি কৰ্তব্য ঠিক ৰাখি কৰিছে তেনেহলে আমাৰ বাধা দিয়াৰ কোনো উপায় নাই। যদি কৰ্তব্যত অৱহেলা কৰি নিজা কাম কৰিছে তেনেহলে আমি ব্যৱস্থা লম।

শ্ৰীহেমেন দাস :— মেডিকেল কলেজৰ অধ্যাপক, সহকাৰী অধ্যাপক আৰু ৰেজিষ্টাৰ সকলৰ কৰ্তব্যৰ কিবা সময় বান্ধি দিয়া আছে নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— তেওঁলোকৰ টাইম টেবুল আছে, সেইমতে কাম কৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, চহৰ আৰু গাওঁ অঞ্চলত বহুতো ক্লিনিক খোলা আমি দেখিছো। কিন্তু এই ক্লিনিক খুলিবলৈ লাইচেন্স দিয়া হয় নেকি ? যদি দিয়া হয় তেন্তে কিমান ডাক্তৰে নিজা ক্লিনিক খুলিছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, খবৰ আমাৰ নাই যদিও অনুসন্ধান কৰি চাম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— ক্লিনিক খুলিবলৈ লাইচেন্স লাগে নেকি ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— ফাৰ্মাচি খুলিবলৈ লাইচেন্স লাগে ।

Shri Benoy Kumar Basumatari :— Sir, in the month of march I gave in writing to the Minister one specific instance -the doctor posted at Pakribari within my constituency never comes to the dispensary. He has not been to the hospital for the last three years. What steps the Govt. have taken ?

শ্ৰীভূমিধৰ বৰ্মন (মন্ত্ৰী) :—এইটো মাননীয় সদস্য গৰাকীয়ে নিজৰ সমষ্টিৰ কথা কৈছে, প্ৰয়োজন হলে মই ডাক্তৰ জনক বদলি কৰি দিওঁ।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বহু দিনৰ আগতে মন্ত্ৰী মহোদয়ক জনাইছিল । কিন্তু এই গুৰুতৰ অভিযোগৰ পিচতো মন্ত্ৰী মহোদয়ে অকল বদলি কৰাৰ কথা হে কলে, য'ত ডাক্তৰজনে নিজৰ কৰ্তব্যও পালন কৰানাই তেনে ক্ষেত্ৰত তেওঁ শাস্তি পাব লাগে বুলি আমি ভাবোঁ ।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এতিয়া মোৰ ঠিক মনত পৰা নাই। যিকোনো বিধান সভাৰ সদস্যই লিখি দিলে আমি গুৰুত্ব দিওঁ।

Shri Binoy Kumar Basumatari :— Sir, I gave it to him in writing and I also met him in his office ; now he says he does not remember. Why he dose not remember ?

ডাঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) :— বহুত দিনৰ আগৰ কথা মনত নাথাকিবও পাৰে। আজি চাম ।

শ্ৰীহেম প্ৰকাশ নাৰায়ন :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা

কথা জানিব বিচাৰিছো যে চাকৰিত থকা অৱস্থাতে বহুতো ডাক্তৰে প্ৰাইভেট ক্লিনিক খুলি ধন উপাৰ্জন কৰাতো তেওঁখেতে গম পায়। উদাহৰণ স্বৰূপে মই গোলাঘাট চিভিল হস্পিটেলৰ চুপাৰিণ্টেন্দেণ্ট জনৰে কথা কওঁ। তেওঁৰ নাম কিবা দুৱাৰা। তেখেতে গোলাঘাট চিভিল হস্পিতেলত চাকৰি কৰাৰ ওপৰিও একেলগে গোলাঘাট, যোৰহাট আৰু দেৰগাওঁত তিনিখন প্ৰাইভেট ক্লিনিক চলায়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকে চাকৰিক অৱহেলা নকৰাকৈ যদি কোনোবাই প্ৰাইভেট প্ৰেকটিচ কৰে তেনেহলে আমাৰ কবলগা একো নাই। কিন্তু এই মানুহজনে চাকৰিক অবহেলা নকৰাকৈ একেলগে তিনিখন ক্লিনিক কেনেকৈ চলায়। অথচ তেওঁৰ একেবাৰে ওচৰতে থকা এটা ৰিলিফ কেম্পলৈ ১৫ দিনৰ ভিতৰত এদিনো যাবলৈ সময় উলিয়াব নোৱাৰে। এইটো কি তেখেতে কাৰ্য্যক অবহেলা কৰা হোৱা নাই? মই কৰিমগঞ্জলৈ যাওঁতে বাটতে বিভাগীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে কৈছিলো। কিন্তু তাৰো ব্যৱস্থা আজি পৰ্য্যন্ত নহল। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ত তদন্ত কৰি সেই মানুহজনক অতি সোনকালে তাৰ বদলি কৰাৰ ব্যৱস্থা কৰিব নে?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীৰ অভিযোগ যদি সচা হয় তেনেহলে তাৰ ব্যৱস্থা লম।

Shri Hemen Das :— Sir, we demand immediate enquiry and actions against those persons. Government should initiate action against the persons and start enquiry. If necessary Government should constitiute certain comm–itees to enquire into all this malpractices.

Dr. Bhumidhar Barman ( Minister ) :— Sir, as it is alleged in the floor of the House we must enquire into the

matter and if it is found true we must take action.

Shri Binoy Kumar Basumatari :— Sir, I have a serious point to raise. I gave it in writing to the Hon'ble Minister and the Hon'ble Minister dose note remember it. so, what procedure should be followed by the M.L.As when they submit papers to the Ministers ? Should we maintain a register or ask them to sign a duplicate copy ? Sir, you should protect us and give a direction in this matter.

Dr. Bhumidhar Barman ( minster ) :— Sir, I will look into the matter today, I can assure the Hon'ble Member.

Shri Binoy Kumar Basumatari :— We accept it but for future what procedure should be adopted ?

Mr. speaker :— The previous arrangement will continue.

Re : Appointment of S.P. and Additional S.P. of Dibrugarh District.

Shri Barkat Ullah asked :

★25. Will the Minister, Home be Pleased to state :—

(a) Whether it is a fact that S.P. and the Additional

S.P. of Dibrugarh District have not been appointed from I.P.S. Cadre ?

(b) If so, whether it is a fact that both the above mentioned posts were held in the post by officers from I.P.S. Cadre considering the importance of Dibrugarh District ?

(c) If so, whether there is dearth of I.P.S. Officers in Assam to fill up these posts ?

Shri Hiteswar Saikia ( Chief Minister ) replied :

25. (a) Yes.

(b) & (c) :— Not exactly. The Posts of S. P. and Additional S. P. at Dibrugarh were also held by APS officers at times in the past. There are three posts of Additional S. P. for Dibrugarh District of which 2 ( two ) are located at Dibrugarh and 1 ( one ) at Tinsukia. Both the posts at Dibrugarh are held by APS Officers and the Tinsukia post is held by IPS Officer at present.

There is no shortage of IPS Officers. But due to administrative exigencies, IPS Officers have to be posted against some Ex-cadre posts.

Shri Barkat Ullah :— Mr. Speaker, Sir, may I know from

the Hon'ble Chief Minister who are the persons posted from the APS cadre ?

Shri Hiteswar Saikia ( Chief Minister ) :— In Dibrugarh one K. R. Deb was posted.

Shri Barkat Ullah :— Sir, may I know from the Hon'ble Chief Minister whether it is a fact that the S. P. has been posted in Dibrugarh because the Government decided to upgrade him and that is why he has been posted there in advance ?

Shri Hiteswar Saikia ( Chief Minister ) :— No question of upgrading-one A.P.S. officer can be posted as S.P.

Shri Binoy Kumar Basumatari :— Sir, is there any difference between an I.P.S. officer and an A.P.S. officer, i. e., is there any qualitative differance between these two cadres so that responsible positions can be given only to I.P.S. officers ?

Shri Hiteswar Saikia ( Chief Minister ) :—No, Sir, generally I.P.S. officers are posted and there are some adminis trative reasons. Some posts are known as cadre posts and there are some ex-cadre post. Generally cadre posts are menned by IPS officers.

Shri Barkat Ullah :— Whether the officers from the I.P.S are unfit to hold the posts ?

Shri Hiteswar Saikia ( Chief Minster ) :— No, Sir, not exactly.

## বি ঃ পানবাৰী কৃষিপাম।

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

২৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী মহকুমা এলেকাৰ পানবাৰী কৃষি পামৰ পৰিচালকে যোৱা ২৪৷ ৩৷ ৭৫ ইং তাৰিখে ৭৯৪৮ নং বহীৰ ৫ নং ৰচিদ মৰ্ম্মে বিলাসীপাৰা নিবাসী শ্ৰী ৰমেশ চন্দ্ৰ সাহাৰ পৰা ৫৬ কুইন্টল আলুৰ বিধান দিয়াৰ বন্দৰস্ত কৰি প্ৰতি কুইন্টলত ২০০·০০ টকা হিচাবে চুক্তিবদ্ধ হৈ মুঠ ৫৬০০,০০ টকা জমা লৈ সময়ত মাথো ৩৫$\frac{1}{2}$ কুইন্টল আলুৰ হে বিধান যোগান ধৰিবলৈ সক্ষম হোৱা কথা সচানে ?

(খ) যদি সচা দিবলৈ বাকী থকা ২০$\frac{1}{2}$ কুইন্টল আলুৰ বিধানৰ মূল্য মুঠ ২৪৬১·৫৫ পইচা আজি পৰ্য্যন্ত কিয় দিয়া হোৱা নাই জনাবনে ?

(গ) যি জনা বিষয়াই এই টকা ফিৰত দিয়া নাই তেওঁৰ ওপৰত কিবা ব্যৱস্থা লবনে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

২৬৷ (ক) (খ) (গ) কৃষি বিভাগ অথবা অসম বীজ নিগমৰ অধীনত ধুবুৰী জিলাৰ পানবাৰীত কোনো কৃষি পাম নাই।

শ্ৰীমথুৰা ডেকা ঃ—অধ্যক্ষ মহোদয়, সেই পামখনৰ চৰকাৰী ৰচিদ মোৰ হাতত আছে।

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) অধ্যক্ষ মহোদয়, তেখেতৰ হাতত কেনে ধৰণৰ ৰচিদ আছে সেইটো মই কব নোৱাৰো। এনেবোৰ সামগ্ৰী কৃষি পাম নিগম, সমবায় নিগম আৰু মহকুমা পৰিষদ আদিৰ যোগেদি কিনা হয়। যদি মাননীয় সদস্যৰ হাতত তেনে ৰচিদ আছে সেইখন মোক দিলে মই তাক পৰীক্ষা কৰি তাৰ ব্যৱস্থা হাতত লম।

শ্ৰীমথুৰা ডেকা ঃ— অৱশ্যে সেইখন আজি মোৰ হাতত নাই। মই পিচত তেখেতক দিব পাৰিম।

## ৰিঃ মৰাপাট নিগম

শ্ৰীপূৰ্ণ বড়োয়ে সুধিছে

২৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? (ক) বিগত বছৰত মৰাপাট নিগমে মৰাপাট খেতিয়কৰ পৰা মুঠতে কিমান পৰিমানৰ মৰাপাট ক্ৰয় কৰিছিল ?

(খ) এই বছৰত মৰাপাট নিগমে প্ৰতি কুইণ্টলত কি দৰত কিমান মৰাপাট ক্ৰয় কৰিছে আৰু সৰ্ব্বমুঠ কিমান ক্ৰয় কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে ?

শ্ৰীতিলক গগৈ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭।(ক) বিগত ১৯৮২-৮৩ ইং বছৰটোত মৰাপাট নিগমে পোন পটীয়াকৈ ক্ৰয় কৰা মুঠ মৰাপাটৰ পৰিমান হল ২,০২,৬৮০ কুইণ্টল আৰু ষ্টেটফেডে মৰাপাট নিগমৰ agent হিচাবে ক্ৰয় কৰিছে ৩৩,০৭৫ কুইণ্টল।

(খ) চলিত ১৯৮৩-৮৪ ইং বছৰটোত ভাৰতীয় মৰাপাত নিগমে বানিজ্যিক ভিত্তিত ২৭৫.০০ টকাৰ পৰা ২৮০.০০ টকা পৰ্য্যন্ত (ডব্লিউ ফাইভ) (W-5) মানৰ বাবে ইং ১৮-৮-৮৩ পৰ্য্যন্ত প্ৰতি কুইন্টলত ক্ৰয় কৰা মুঠ মৰাপাটৰ পৰিমান হল ৪০০০ কুইন্টল। চলিত বছৰটোত ভাৰতীয় মৰাপাট নিগমে অসমত মৰাপাট সংগ্ৰহৰ বাবে নিম্নলিখিত লক্ষ্য সমূহ স্থিৰ কৰিছে :—
(১) নেচনেল জুট মিলচ্ কৰ্পোৰেচনৰ হকে ৮.৬৬ লাখ বেইল অৰ্থাৎ ১৫,৫৮,৮০০ কুইন্টল।
(২) চৰকাৰী সমৰ্থিত মূল্য আচনিৰ যোগেদি সাম্ভাব্য পূৰ্ণ সৰ্ব্বোচ্ছ পৰিমান অৰ্থাৎ যিমান খিনি কিনিব পাৰে।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমান মৰাপাট উৎপন্ন হয় আৰু তাৰ কিমান ভাগ মৰাপাট নিগমে ক্ৰয় কৰে মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমান মৰাপাট উৎপাদন হয় সেইটো কোৱাটো মস্কিল। তেনেভাৱে প্ৰশ্নটো অহা নাই। মুঠৰ ওপৰত অসমত যি পৰিমাণৰ মৰাপাট উৎপাদন হয় তাৰ সৈতে ১৪ টা মান শিলঘাটৰ নিচিনা মৰাপাত কল চলাব পাৰি।

শ্ৰীপূৰ্ণ বড়ো :—মাননীয় অধ্যক্ষ মহোদয়, মৰাপাট নিগমে মৰাপাট খেতিয়ক সকলৰ পৰা পোনপটিয়াভাৱে মৰাপাট ক্ৰয় কৰে নেকি আৰু যদি কৰে তেতিয়াহলে, চৰকাৰৰ নিৰ্দ্ধাৰিত দাম খেতিয়ক সকলে নেপায় কিয়? মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ দুটা ব্যৱস্থা আছে। চাপৰ্ট প্ৰাইচতকৈ যাতে কম নহয়। এতিয়ালৈকে যিবিলাক মৰাপাট বিক্ৰী হৈ আছে সেইবিলাকৰ দাম চাপৰ্ট প্ৰাইচতকৈ কম নহয়। খেতিয়ক

সকলক উৎসাহিত কৰিবৰ কাৰণেই এটা নুন্যতম দাম নিৰ্দ্ধাৰণ কৰা আছে ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মৰাপাটৰ দাম কমি আছে । মাননীয় মহোদয়ে মৰাপাটৰ যিটোদাম দিছে সেইটো এমাহৰ আগৰ খবৰ । আগষ্ট মাহত যেতিয়া মৰাপাট ওলায় তেতিয়া মৰাপাটৰ দাম কমে । কমাৰ সময়তে মৰাপাট কিনাৰ কাৰণে জে, টি, আইয়ে মৰাপাট কিনাৰ কি ব্যৱস্থা কৰে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মৰাপাটৰ দাম কমিলেও চাপৰ্ট প্ৰাইচতকৈ যাতে কমিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰি ৰাখিছো ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, মৰাপাটৰ দাম কমিলেই কিনিব সেইটো কেতিয়াও সম্ভৱপৰ নহয় । চৰকাৰে কিমান খিনি মৰাপাট কিনাৰ কাৰণে ব্যৱস্থা কৰিছে বা কিমান টকা ৰাখিছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, মই সেইটোৰ সথিক হিচাব দিব নোৱাৰিম । বজাৰ দাম ১৯৮৩-৮৪ চনৰ কাৰণে ২৭৫ৰ পৰা ২৮০ টকাৰ ভিতৰত । যিটো চাপৰ্ট প্ৰাইচ সেইটো হৈছে ১০০ টকা । জে, চি, আইয়ে কিনিছে ১৭৫ টকাত ।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান মৰাপাটৰ মূল্য বজাৰত ২০০ টকাৰ ওপৰ নহয় । মাননীয় অধ্যক্ষ মহোদয়: মন্ত্ৰী মহোদয়ে এইটো আগৰ খবৰ দিছে । মৰাপাট নিগমে ৯/১০ লাখ বেলৰ ২ লাখ বেল মৰাপাট কিনে । আমি আগৰে পৰাই যে গোটেই খিনি মৰাপাটকেই জে, চি, আইয়েই কিনিব লাগে বুলি কৈ অহিছিলো সেই বিষয়ত চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মৰাপাট কেইবাবিধৰো আছে। প্ৰায় ৮ বিধ মৰাপাট আছে। তাৰ ভিতৰত ৫ নম্বৰৰ বিধেই বেচি ভাল আৰু এই ৫ নম্বৰৰ বিধ মৰাপাটকেই জে, চি, আইয়ে কিনিবলৈ বিছাৰে।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, অসমত এক নম্বৰৰ মৰাপাট টো আহাৰ শাওন মাহত ওলায়। সেইটোৱেই আটাইতকৈ বেচি মূল্যবান মৰাপাট। তাৰ পিছত যিবিলাক মৰাপাট ওলায় সেই বিলাকৰ দাম আটাইতকৈ কম। আহিন কাতি মাহত দাম আকৌ বৃদ্ধি হয়। এই সম্পৰ্কে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা খবৰ আমাৰ নাই। বজাৰৰ দাম কমিলেও চাপৰ্ট প্ৰাইচৰ তলত কিনিবলৈ দিয়া নহয়। মৰাপাটৰ ৮ টা ভাগ কৰা আছে আৰু সেই মতেই ষ্টেটফেডে জে, চি, আইৰ এজেণ্ট হিচাবে কিনিব পাৰে।

শ্ৰীপূৰ্ণ বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ ৰাজ্যখনত মৰাপাট নিগমৰ বিক্ৰী ক্ৰয় কেন্দ্ৰ কেইটা আছে জনাবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, ৮ খন জিলাত মৰাপাটৰ ব্যৱসায়িক কেন্দ্ৰ আছে। ইতিমধ্যে নগাও, ধুবুৰী, গোৱালপাৰা, আৰু কোকৰাঝাৰ জিলাত সংগ্ৰহৰ কাম চলিছে। সেইদৰে নিগমৰ এজেণ্ট হিচাবে ষ্টেটফেডেও শোণিতপুৰ আদি জিলাত কিনাৰ কাম আৰম্ভ কৰিছে।

Shri Benoy Kr. Basumatari :— Sir, our question has not been replied to. We wanted to know whether the Government will instruct the Jute Corporation of India to procure the entire production of the State. That is our questions.

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, কলিকতাৰ মৰাপাট কল বিলাকে অসমৰ মৰাপাট সামগ্ৰীৰ ওপৰতে নিৰ্ভৰশিল। খেতিয়ক সকলে যাতে তেওঁবিলাকৰ উৎপাদিত সামগ্ৰীৰ দাম চাপৰ্ট প্ৰাইচতকৈ কমত বেচিব নোৱাৰে আৰু লোকচান ভৰিব লগীয়া নহয় তাৰ কাৰনে জে, চি, আই আৰু ষ্টেটভেডক কিনিবলৈ কৰ্তৃত্ব দিয়া হৈছে।

মৌলানা অব্দুল জলিল চৌধূৰী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে কি যে যি সময় পাটের মূল্য কম ছিল সেই সময় সরকারী টাকায় পাট উৎপাদন করার আস্বাস চাষীদের দেওয়া হয়েছিল। কত সংখ্যক পাট সরকার কিনেছেন এবং যদি সংখ্যা বেশী না হয় তা হলে পাট বিক্রী কারীদেরে সরকারের পক্ষ থেকে কি সাহার্য্য করা হয়েছিল ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, কেইখন মান জিলাক ভাগ কৰি দিয়া হৈছে। সেইমতেই কেইখনমান জিলাত জে, চি, আইয়ে আৰু কেইখনমান জিলাত জে, চি, আইৰ এজেন্ট হিচাবে ষ্টেটফেদে কিনে।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, এই যি বিলাক ব্যৱসায়িক কেন্দ্ৰই মৰাপাট কিনে সেইবিলাক কেন্দ্ৰই সমবায় বিধিৰ কিমান ধাৰা অনুযায়ী কিনা কামটো কৰে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, কমাৰ্চিয়েল বেচিছত ষ্টেটফেদে এজেন্ট হিচাবে কিনা নাই।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে যে, ষ্টেটফেদ এটা সমবায় অনুষ্ঠান হয়নে নহয় ? যদি হয় তেতিয়াহলে

সমবায় আইনৰ কিমান ধাৰা অনুযায়ী এই কিনা কমাটো কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, ষ্টেটফেদ ইয়াত 'ডাইৰেক্টলি ইন্‌ভলভড্' নহয় ষ্টেটফেদে জে, চি, আইৰ এজেণ্ট হিচাবেহে কাম কৰি আছে ।

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মাহাদয়, উপবিধি থকা স্বতেও সমবায়ক কেনেকৈ চেৰাই যায় ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কৈছোৰেই ।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ ষ্টেটফেদ বিলাক সমবায় হয়নে নহয় ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— নহয় ।

শ্ৰীহাচানউদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, আমাৰ জি, চি, আই বিলাকৰ কিছুমান ক্ৰয় কেন্দ্ৰ আছে তেওলোকে খেতিয়ক সকলৰ পৰা মিদল মেনৰ সহায়ত মৰাপাট বিলাক কিনি লয় আৰু এই মৰাপাট বিলাক এ, বি, চি, ডি আদি গ্ৰেদ কৰি দামৰ ব্যৱধান ঘটোৱা হৈছে। আমাৰ লক্ষী পুৰত যিটো জে, চি, আইৰ ক্ৰয় কেন্দ্ৰ আছে তাৰ অফিচতো বহুতো খেলি মেলি হৈ আছে। এইবিলাক তদন্ত কৰাৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :—এইটো তদন্ত কৰাৰ ব্যৱস্থা কৰা হব ।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী):— অধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। ৰাজ্য বিলাকৰ ভিতৰত মূল্যৰ সংক্ৰান্তত যথেষ্ট বৈষম্য দেখা গৈছে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে মেঘালয়, ত্ৰিপুৰা আৰু অসমত একে ধৰণৰ মৰাপাট উৎপাদন হয়। অসমত মৰাপাটৰ দাম ১৭৫ টকা, কলিকতাত ২০৫ টকা, উত্তৰ প্ৰদেশত ২৭৫ টকা আদি. দাম বান্ধি দিয়া হৈছে। দিল্লীত যেতিয়া মুখ্য মন্ত্ৰী সকলৰ সন্মিলন হৈছিল, তেতিয়া এই বিষয়েও আলোচনা লৈছিল। অসমৰ জে, চি, আইৰ বিষয়া সকলে এই কথা বিলাক পৰীক্ষা কৰি আছে। আমাৰ যিবিলাক ক-অপাৰেটিভ আছে সেইবিলাকৰ জৰিয়তে যাতে মৰাপাট কিনিব পাৰে তাৰ কাৰণে তেওঁলোকে চিন্তা কৰিছে। পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ আদিত ইমান দাম হোৱাৰ পিচত অসমত কিয় ১৭৫ টকা হব। এতিয়া কেন্দ্ৰীয় চৰকাৰে এজন এই সংক্ৰান্তত বিষয়াও দিয়াৰ কথা চিন্তা কৰিছে।

Re : Irrigation Schemes in Sibsagar District

Shri Devananda Konwar asked :—

★28. Will the Minister, Irrigation be pleased to State :

(a) The number of new Irrigation schemes taken up and finalised by the Department for Sibsagar District for the year 1983–84 with their locations.

(b) At what stage, the Henhcnora lift lrrigation scheme fro river Dikhow stands at present ?

(c) When the said scheme was started, the area estimated to be irrigated under the said scheme and the total length of canals required for that purpose ?

(d) Whether the work of the canal has been completed ?

(e) If not, the stage thereof ?

Shri Zahirul Islam ( Minister, Irrigation ) replied :

28. (a) Not yet finalised.

(b) Pump station including drawal of High Tension and Low Tension electric line have been completed. Progress of canal work is 15% and that of canal structures in 25%.

(c) In 1979-80. Net commanded area is 600 Hectares. Total length of canal is 1603 ranning metre.

(d) No.

(e) 241 running matre out of 1603 running metre has been completed.

Shri Devananda Konwar :— Mr. Speaker, Sir, My first

question was the number of new irrigation schemes taken up and finalised. The hon'ble Minister has been pleased to tell that no scheme has been finalised. May I know whether the Department has got any scheme in hand yet to be finalised and what is the number of schemes in hand ?

Shri Zahirul Islam ( Minister ) :— I can read out the names of the schemes.

Shri Devananda Konwar :— That is exactly what I wanted ; it has to be given location-wise.

Shri Zahirul Islam ( Minister ) :— Shelves of schemes for the year 1983-84. Should I read out the names ?

Shri Devananda Konwar :— Certainly.

Shri Zahirul Islam ( Minister ) :— Dhaikhana jan I/S in Nazira Block ; FIS from Barjan ; Charaibahi Exploratory cum production scheme ( D.T.W. ) ; Exploratory Boring at Rajabhar and Tipomia under Makhanpur G.P. ; W/C of LIS from Dikhow river in Nazira Mouza part II ; W/C to LIS Deopani Part II ; W/C of LIS from river Dikhow in Jagtoli Mouza ; Densijan FIS in Nazira block; Bongalbari DTWS in Dhopabar mouza in Nazira block;

Solaguri Deep Tubewell Scheme ; No. 3 (A) Shallow Tubewell in tribal areas No. II under Majuli ITDP ; No. 3(B) shallow tubewell in tribal areas ; Part I Shallow tubewell in man Jakaibowa and Namari Jakaibowa Tribal area No. 2 under ITDP Majuli ; LIS from river Desang in No. 2 Konwar village in Bokta area ; LIS from river Desang in Dihingiagaon R/B in Bokta area ; LIS from river Desang in Barbesigaon R/B in Bokota area ; Metaka Bongaon LIS. Exploratory cum production MDIW S/C component plan under Tribal block No. 2 Majuli.

I have given the names Sir.

**বি ঃ আমগুৰি সাপনা ৰক্ষা আচনি ।**

শ্ৰীহেমেন দাসে সুধিছে ঃ

★২৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আমগুৰি সাপনা ৰক্ষা আচনিৰ কেইটা শালৰ খুটা চুৰি হৈছে ?

(খ) এই চুৰিৰ ফলত কিমান টকাৰ ক্ষতি হৈছে ?

(গ) চোৰ ধৰা বাবে কি ব্যৱস্থা লোৱা হৈছে ?

(ঘ) এই সংক্ৰান্তত অপৰাধ অনুসন্ধান বিভাগৰ দৃষ্টি আকৰ্ষণ কৰা হৈছেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৯। (ক) পাইল স্ক্ৰীন বা আঁৰৰ পৰা ২১০ টা শালৰ খুটাৰ মাটিৰ ওপৰ ভাগ চুৰি কৰি কাটি নিছে।

(খ) এই চুৰিৰ ফলত যদিও দেখাত ৭৭,০০০ টকাৰ ক্ষতি হৈছে, হলেও এই চুৰিৰ ফলত ২,৫০,০০০ টকাৰ কাম অকামিলা হৈ পৰিছে।

(গ) চুৰি সংক্ৰান্তত সৰভোগ পুলিচ থানাত বিভিন্ন সময়ত চাৰিবাৰ গোচৰ তৰা হৈছে।

(ঘ) হোৱা নাই।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, যিটো চুৰি কাৰ্য্য সংঘটিত হৈছে সেইটো সাধাৰণ চুৰি কাৰ্য্য নহয়। এইটো কৰা হৈছে ২ খন গাওঁ গৰাখহনীয়াত ধ্বংস কৰিবৰ কাৰণে। গতিকে বিভাগীয় তদন্ত হৈছেনে নাই আৰু পুলিচে এতিয়ালৈকে কাৰোবাক গ্ৰেপ্তাৰ কৰিছেনেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী ) :—মই মাননীয় সদস্যৰ লগত একমত এইটো এটা পশ্চাদঘাটী কাৰ্য্য বুলি অনুমান হৈছে। এই সম্পৰ্কত চাৰিবাৰ সৰভোগ থানাত এজাহাৰ দিয়া হৈছে। শেষৰ এজাহাৰখন ২৭/৮/৮৩ তাৰিখে দিয়া হৈছে। পুলিছে তদন্ত কৰিছে যদিও কাকো গ্ৰেপ্তাৰ কৰাৰ খবৰ পোৱা হোৱা নাই।

শ্ৰীহেমেন দাস :— এই চুৰিটোৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছেনে ? এইটো সাধাৰণ চুৰি নহয়। গাওঁ ধ্বংস কৰাৰ কাৰণে কৰা হৈছে। ইয়াৰ লগত বিভাগৰ কৰ্মচাৰীও জৰিত থাকিব পাৰে। এইটো কথা অনুসন্ধান কৰিছেনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী ) :— এই বিষয়ে খৰটকীয়া ব্যৱস্থা

লোৱা হৈছে। মই খবৰ লৈ জানিব পাৰিছো যে এতিয়ালৈকে এই সম্পৰ্কত কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাই।

শ্ৰীহেমেন দাস :— যোৱা ৪ তাৰিখে মই বৰপেটাৰ এচ পিৰ লগত আলোচনা হৈছিলো। দুমাহ মানৰ আগতে এচ, ই আৰু একজি-কিউটিভ ইঞ্জিনীয়াৰৰ লগতো আলোচনা হৈছিলো। তেওঁখেত সকলে কৈছিল যে এই সম্পৰ্কত তেখেত সকলে গুৰুত্ব দিছে। কিন্তু শেষৰখন এজাহাৰ মই প্ৰশ্ন দিয়াৰ পিচতহে দিয়া হৈছে। অথচ চোৰ কোন সেইটো মই অনুসন্ধান কৰি স্থিৰ কৰি ৰাখিছে। কিয় সেই সকলক গ্ৰেপ্তাৰ কৰা হোৱা নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীয়ো তদন্তৰ ক্ষেত্ৰত আমাৰ লগত যথেষ্ট সহযোগীতা কৰিছে। তেখেত তদন্তৰ সময়ত উপস্থিতো আছিল। কিন্তু কাকো গ্ৰেপ্তাৰ কৰাৰ ৰিপৰ্ট মই এতিয়ালৈকে পোৱা নাই। গতিকে এই বিষয়ে খৰটকীয়া ব্যৱস্থা লোৱা হ'ব বুলি মই মাননীয় সদস্য গৰাকীক আশ্বাস দিছো।

শ্ৰীহেমেন দাস :— অকল যে এই ঠাইতে পাইপ চুৰি হৈছে সেইটো নহয়। ব্ৰহ্মপুত্ৰটো পাইপচ চুৰি হৈছে। এইবিলাক সাধাৰণ ধৰণৰ চুৰি নহয়। উদ্দেশ্যমূলক চুৰি হোৱাৰ কাৰণে ইয়াৰ কাৰণে বিশেষ ধৰণৰ ব্যৱস্থা কৰিব নালাগেনেকি ? প্ৰয়োজন হলে মাঠাউৰি ধ্বংস কৰা বা জলসিঞ্চন ধ্বংস কৰা এই বিলাকৰ কাৰণে বেলেগ আইন প্ৰবৰ্ত্তণ কৰাৰ কথা চৰকাৰে নাভাবে নেকি ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :— এই বিষয়ে বিশেষ ব্যৱস্থা লোৱা

হৈছে। কিন্তু মাননীয় সদস্য গৰাকীয়ে যিটো পৰামৰ্শ ডাঙি ধৰিছে সেই পৰামৰ্শৰ ওপৰত ভিত্তি কৰি আমাৰ ব্যৱস্থা যাতে খৰটকীয়া কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা কৰা হব।

মৌলানা আব্দুল জলিল চৌধূরী :— অধ্যক্ষ মহোদয়, এই ঘৃনণীয় কাজ যারা করেছিল তাদের উপর লোকের সন্দেহ হয়েছিল কিনা এবং হয়ে থাকলে পুলিশকে সন্দেহের কথা জানিয়েছিল কি না এবং জানিয়ে থাকলে পুলিশ এইসব সন্দেহজনক লোকদেরে ধরে নি কেন ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী ) :— অবহেলা কৰাৰ প্ৰমান পোৱা নাই। তদন্তৰ কাৰণে ব্যৱস্থা কৰিবলৈ পুলিচক দিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীহেমেন দাস :— বিভাগে কিয় বিষয়টো গুৰুত্ব সহকাৰে লোৱানাই ? মই এই কথা তিনিমাহৰ আগতেই কৈছিলো। মই জানো কোনে চুৰি কৰিছে, কোনে সেই কাঠেৰে ঘৰ বান্ধিছে, কোনে বাৰ পুখুৰীত পেলাই ৰাখিছিল, এই বিলাক কথা মই জানো। মই সন্দেহ কৰো যে ইয়াত বিভাগীয় বিষয়াও জৰিত আছে। কাৰণে কাম আৰম্ভ হোৱাৰ সময়তে চকিদাৰ জনক তাৰ পৰা আতৰাই অনা হল। এইটোৱেই প্ৰমান কৰে যে বিভাগীয় বিষয়াও এই ঘটনাৰ লগত জৰিত আছে।

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী :— বিভাগীয় বিষয়া ইয়াৰ লগত জৰিত আছে বুলি আমি প্ৰমান পোৱা নাই। প্ৰমান পালে তেখেত সকলৰ ওপৰত নিশ্চয় ব্যৱস্থা লোৱা হব।

## বি ঃ টাস্ক ফৰ্চ

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে ঃ

৩০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) 'টাস্ক ফৰ্চ'ৰ নিযুক্তিৰ প্ৰাৰ্থী নিৰ্বাচনৰ কাম সম্পূৰ্ণ হৈছেনে ?

(খ) এই প্ৰাৰ্থী নিৰ্ব্বাচনত জনসংখ্যাৰ ৰূপ প্ৰতিফলন হৈছেনে ?

(গ) অসমৰ থানা ভিত্তিক সাক্ষাৎকাৰ গ্ৰহন কৰা সংখ্যা আৰু নিৰ্ব্বাচিত প্ৰাৰ্থীৰ সংখ্যা জনাবনে ? (নাম ও ঠিকনাসহ জনাব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৩০।(ক) টাস্ক ফৰ্চৰ প্ৰাৰ্থী বাচনৰি প্ৰক্ৰিয়া আৰম্ভ হৈছে ।

(খ) জনসংখ্যাৰ ৰূপ প্ৰতিফলনৰ ব্যৱস্থা কৰা হৈছে ।

(গ) বাচনিৰ কাম সম্পূৰ্ণ নোহোৱালৈকে তালিকাৰ নাম আৰু ঠিকনা দিব পৰা নহব ।

**শ্ৰীৰমেশ ফুকন ঃ—** মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টাস্ক ফৰ্চৰ বাচনি কেতিয়া শেষ কৰা হব ?

**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)** ৩০ চেপ্তেম্বৰৰ ভিতৰত শেষ কৰিবলৈ কোৱা হৈছে ।

শ্ৰীৰমেশ ফুকন :— মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিমান লোক এই বাহিনীত নিয়োগ কৰা হব । ইয়াত জনসংখ্যা প্ৰতিফলিত কৰিবৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মই আগতেই ইয়াৰ উত্তৰ দিছো।

শ্ৰীহেমেন দাস :— কি নীতি অনুসৰি এই বাচনি কৰা হৈছে। একোখন থানাত ৫।৬ হাজাৰ লৰা জমা হৈছে । এই সকলৰ ভিতৰৰ পৰা কি ভিত্তিত বাচনি কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, প্ৰাৰম্ভিক কাম হিচাবে আমি এই কাম আৰম্ভ কৰিছিলো । কিন্তু সেই সময়ত ৰমজান মাহ হোৱাৰ কাৰণে আৰু ভাল প্ৰচাৰ নোহোৱাৰ কাৰণে আমি পুনৰ বিভিন্ন ঠাইত লোক বাচনি কৰিবলৈ নিৰ্দেশ দিছে । আৰু ৩০ চেপ্তেম্বৰ বাচনি শেষ কৰিব লাগিব বুলি কৈছো। বাচনিৰ পদ্ধতি সম্পৰ্কত মই কওঁ যে বিভিন্ন থানাত সেই থানা এলেকাত বসবাস কৰা অনুসূচীত জাতি' অনুসূচীত জনজাতি বা বিভিন্ন অনান্য গোষ্ঠিৰ প্ৰতিফলন ঘটাবলৈ কোৱা হৈছে। সংখ্যা লঘূ সবলৰ যাতে স্বাৰ্থ ৰক্ষা হয় তাৰ কাৰনেও ব্যৱস্থা লবলৈ কোৱা হৈছে ।

Shri Benoy Kumar Basumatary :— Sir, is the Chief Minister aware that in the Paneri thana interviews were held three times–Ist interview was cancelled, the 2nd interview was held and then it was cancelled and then the 3rd interview was held. What about the other thanas like Udalguri and Mazbat where interviews were also held ?

Will those candidates be cancelled and they have to appear again in the interview ?

Shri Hiteswar Saikia ( Chief Minister ) :— Sir, They can appear. Earlier no formal committee was constituted but now it is constituted for every thana consisting S.D.P.O., Officer-incharge of the thana, one medical officer only which one member from the minority community. They are the members of the Selection Committee.

Shri Benoy kumar Basumatary :— Sir, does it mean that those who are already interviewed anb selected will have to appear again ?

Shri Hiteswar Saikia ( Chief Minister ) :— No. Those who are already selected, they will be considerd. But if they so wish, they can appear again.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এইটো কথা মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে ট্ৰাঙ্ক ফোৰ্চৰ কাৰণে যিবিলাক চিলেকচন কৰা হয়, তাৰ বাবে থানা বিলাকত একেদিনাই ৭/৮ হাজাৰ লৰা উপস্থিত হয়। এই ৭/৮ হাজাৰ লৰা একেলগে থানাত ধৰে জানো ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) :— ৫০ জনকৈহে মতা হয়।

Shri Md. Barkatullah :— Sir, may I know from the hon'ble

Chief Minister whether it is a fact 18 candidates have so far been selected from the Hajo thana and among those 17 are from as community and one from Raj-bongshi community ?

Shri Hiteswar Saikia ( Chief Minister ) :— Sir, nobody has been selected uptill now. A committee has been reconstituted for every thana consiting of S.D.P.O., O/C of the thana, Medical officer only which one member from the minority community, who will look after the interests of the minority in the matter.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ— অধ্যক্ষ মহোদয়, নিৰ্বাচন কৰোতে কি অনুসাৰে কৰিব। জনসংখ্যাৰ ৰূপ প্ৰতিফলন কৰা হব বুলি কোৱা হৈছে। অনুসূচীত জাতি, জনজাতি সংখ্যালঘু, অ, বি, চি, আদিৰ সংখ্যা কিমান আৰু কেনেকৈ ধৰিব। নিয়োগ বিনিময় কেন্দ্ৰৰ পৰাও এই প্ৰশ্ন আহিছে। থানাৰ ভিত্তিত যে জনসংখ্যাৰ প্ৰতিফলন কৰিব ইয়াৰ হিচাব চৰকাৰৰ হাতত আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, সেইটো আমাৰ চৰকাৰৰ হাতত আছে।

মৌলানা আব্দুল জলিল চৌধুরী ঃ— মাননীয় মুখ্যমন্ত্রী মহোদয় কি বিশ্বাস করেন বা আশা করেণ যে এই ও সি, ডি এস পি এবং মেডিকেল অফিসার এই তিন জনের দ্বারা এই টাস্ক ফোর্স তৈরীর ব্যাপারে জনসংখ্যার প্রকত প্রতিফলন ঘটবে এবং সংখ্যা লঘিষ্টরা তাদের প্রাপ্য পাবে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ— নিশ্চয় হব।

Mahammad Umaruddin :— Sir, every thana may not have population pattern with them ; so, may I request the Chief Minister to fix a quota for each community for every thana ?

Shri Hiteswar Saikia ( Chief Minister ) :— Sir, we have proper verification of every thana and on the basis of that we will do it.

Mahammad Umaruddin :— Sir, my point is - whether the Govt. will fix a quota for every thana in this regard so that the officers cannot do any irregularity. There are some apprehensions in the minds of some people that certain community may be affected. so, in order to prevent any mal-practice or partiality by some officers, will it not be fair on the part of the Government to fix a quota for each thana on the basis of population pattern.

Shri Hiteswar Saikia ( Chief Minister ) :— Sir, the selection will be in a large number Guidance to all concerned has been given like this. They have been asked to furnish liste of candidates thana wise and community wise stating therein their particulars about the eligibility of the candidates, so that we can verify these again

here. Now I con assure the hon'blə members that no injustice will be done to anybody in this regard.

শ্ৰীৰমেশ ফুকন :— অধ্যক্ষ মহোদয়, টাস্ক ফোৰ্চৰ কাৰণে কি ধৰণে খৰচ কৰিব। বাজেটত ইয়াৰ কাৰণে আছুতীয়াকৈ টকা ৰখা হৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) :— চাৰিটা টাস্ক ফোৰ্চৰ কাৰণে ১৪ কোটি টকা লাগিব। এই বছৰ ৫ কোটি টকা খৰচ কৰা হব। তাৰেই ইতিমধ্যে ২ কোটি টকা দিয়া হৈছেই। বাকী ৩ কোটি টকাৰ ব্যৱস্থা কৰা হব।

**বিঃ সমবায় সমিতি সমূহৰ ইন্সপেক্সন আৰু অডিট**

শ্ৰীমথুৰা ডেকাই সুধিছে :

★৩১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সমবায় সমিতি সমূহ মহকুমা বা জিলাৰ সদৰৰ পৰা ইন্সপেক্সন আৰু অডিট কৰাৰ যি ব্যৱস্থা আছে তাক ৰদ কৰি আঞ্চলিক চক্ৰ ভিত্তিত এনে কাৰ্য্যালয় স্থাপন কৰাৰ বাবে কোনো আচনি চৰকাৰৰ হাতত আছে নেকি ?

(খ) সমবায় সমিতি সমূহ ইন্সপেক্সন কৰি ৰিপোৰ্ট সংগ্ৰহ কৰাৰ পিচত পৰ্য্যালোচনা কৰাৰ ব্যৱস্থা আছে নেকি জনাবনে ?

শ্ৰীতিলক গগৈ ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩১। (ক) সমবায় সমিতি সমূহৰ সংখ্যা বৃদ্ধিৰ লগে লগে হিচাপ পৰীক্ষা আৰু পৰিদৰ্শনৰ কাম সুচাৰুৰূপে আৰু খৰতকীয়া কৰিবৰ বাবে উন্নয়ন খণ্ডৰ ভিত্তিত এবোজনকৈ উপ-পঞ্জীয়কৰ কৰ্য্যালয় স্থাপন কৰাৰ আচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) সমবায় সমতি সমূহ পৰিদৰ্শন কৰাৰ পাচত পৰিদৰ্শনকাৰী বিষয়াৰ ৰিপোৰ্টৰ ভিত্তিত পৰ্য্যালোচনা কৰাৰ ব্যাৱস্থা আছে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ মন্ত্ৰী মহোদয়ক দিব পাৰোনে ? পৰিদৰ্শক সকলে কেনেকৈ কাম কৰিছে আৰু পৰিদৰ্শকৰ ৰিপোৰ্ট কেনেদৰে পৰ্য্যালোচনা কৰিছে জনাবনে ? আৰু এটা কথা জানিব বিচাৰিছো যে পৰিদৰ্শক সকলে কাম কৰিবলৈ যায় নে আন্দোলন সমৰ্থন কৰিবলৈ যায় ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়: আমাৰ অডিটৰ আৰু পৰিদৰ্শক দুটা বেলেগ ষ্টাফ আছে। বৰ্তমান আমাৰ এই বিভাগত প্ৰায় ২৫০ জন মান অফিচাৰ কম হৈ আছে। অডিটৰ আৰু পৰিদৰ্শকৰ কামবোৰ পৰীক্ষা কৰি চোৱা হব।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, যি সকল অডিটৰ আৰু পৰিদৰ্শকে পৰিদৰ্শন কৰিবলৈ যায় তাৰ কিবা প্ৰমাণ আছে নে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, তেওঁলোকে ডিউটি কৰে বুলিয়েই জানো। যদি বেলেগ কিবা কথা আছে আমাক জনালে ব্যৱস্থা লোৱা হব।

শ্ৰীমথুৰা ডেকা ঃ— আপোনালোক অফিচাৰ সকলৰ ওপৰত নিৰ্ভৰ কৰি থাকে। কিন্তু আমি প্ৰমাণ দিছো যে এই কাম বিলাক মিছা। এই বিষয়ে মন্ত্ৰী মহোদয়ে নিজেই চাবলৈ চেষ্টা কৰিবনে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, কামবোৰ ভালকৈ চলাবৰ বাবে আমি জিলা সদৰৰ পৰা কাৰ্য্যালয় বিলাক ব্লক পৰ্য্যায়লৈ নিয়াৰ চেষ্টা কৰি আছো আৰু সমবায় বিভাগটো পুনৰ্গঠন কৰিবলৈ চেষ্টা কৰি আছো।

Undisposed starred questions d.t. 7-9-83

**বিঃ চৰকাৰী হাস্পাতাল আদিৰ সংখ্যা।**

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে ঃ

★৩২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমান চৰকাৰী হাস্পাতাল, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা কিমান ?

(খ) অসমৰ ৰোগীৰ চিকিৎসা চাহিদা পুৰণ কৰিব পৰাকৈ স্বাস্থ্য কেন্দ্ৰ সমূহত বিচনাৰ অভাৱ পুৰণৰ বাবে কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩২ (ক) মেডিকেল কলেজ হস্পিতেল ৩ খন

| | |
|---|---|
| চিভিল হস্পিতেল | ২৩ খন |
| অন্যান্য চৰকাৰী হস্পিতেল | ৮ খন |
| T. B. Hospital | ২ খন |
| কুষ্ঠ হস্পিতেল | ৫ খন |
| মেণ্টেল হস্পিতেল | ১ খন |
| ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় | ৮ খন |
| P. H. C. | ১৪৮ খন |
| Subsidiary Health Center | ১৬ খন |
| State Dispensary | ৪৩৮ খন |
| Sub-Centre | ১০৮৩ খন |

(খ) চৰকাৰে মহকুমা আৰু জিলা পৰ্য্যায়ৰ চিকিৎসালয় বোৰত ৰোগী ৰখা বিচনাৰ সংখ্যা বঢ়োৱাৰ আচনি হাতত লোৱা হৈছে। ইয়াৰ উপৰিও নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপনৰ আচনি হাতত লোৱা হৈছে।

**Re : Number of Homeopathy Colleges**

Shri Purna Boro asked :

★33. Will the Minister, Health be pleased to state ?

(a) The number of affiliated Homeopathy Colleges in Assam.

(b) Whether Govt. gives financial aid to these institutions ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

33 (a) There are 4 ( four ) numbrs of affiliated Homeopathy Colleges in Assam.

(b) Yes.

Re : Issue of Periodic Patta on Ceiling land.

Shri Purna Boro asked :

★34. Will the Minster, Revenue be pleased to state :

(a) The number of tenants from whom the premium have been collected on ceiling land for giving permanent patta in Rangia Circle ?

(b) The number of tenants who have received aforesaid patta uptil now ?

Shri Keshab Chandra Gogoi ( Minister, Revenue ) replied :

34 (a) Premium have been received from 530 tenants.

(b) 417 tenants have been given periodic pattas.

—

শ্ৰীহেমেন দাস ঃ— যোৱাকালি সন্ধিয়া গম পালো যে গুৱাহাটী মেডিকেল কলেজৰ হস্পিতালখন বন্ধ হৈ আছে আৰু তলা মৰা আছে। ডাক্তৰক ভিতৰলৈ যাব দিয়া নাই। পুৱাৰ পৰা সন্ধিয়ালৈ গেটত পিকেটাৰচ্ আছে। আৰু ওচৰত পুলিচো আছে। কলেজৰ বেচিভাগ অধ্যাপকক ভিতৰলৈ যাব দিয়া নাই। বিভিন্ন ঠাইৰ পৰা অহা মৰণমুখী ৰোগীও হস্পিতালৰ ভিতৰলৈ যাব পৰা নাই আৰু হস্পিতালৰ ভিতৰতো যি ৰোগী আছে তেওঁলোকৰ খা খবৰ লবলৈ অহা মানুহবোৰ ভিতৰলৈ যাব পৰা নাই। হস্পিতালৰ ভিতৰত থকা খিনিৰ বাবেও ডাক্তৰ নাই। এই ব্যৱস্থাৰে গোটেই দিনতো চলি তাছে আমাৰ চকুৰ আগতেই। গুৱাহাটী মেডিকেল কলেজ হস্পিতালৈ কেৱল গুৱাহাটীৰ মানুহেই নহয় অসমৰ বিভিন্ন ঠাইৰ পৰা ৰোগীয়ে ইয়াত চিকিৎসা লবলৈ আহে। যোৱাকালি ৰাতিৰ পৰা ৰোগী ভৰ্ত্তি কৰিবলৈ মানুহ আহি হস্পিতালত যাব নোৱাৰি মোৰ তাত বৈ আছে। গতিকে জীৱনৰ দুৱাৰ বন্ধ হৈ গৈছে, মৃত্যুক স্বাগতম জনোৱা হৈছে। কালি গোটেই দিনটো এনে অৱস্থা চলি আছে। আজি কি হৈছে কব নোৱাৰো। গতিকে মই স্বাস্থ্য বিভাগ তথা গৃহ বিভাগৰ পৰা জানিব বিচাৰিছো এই বিষয়ে কি ব্যৱস্থা লৈছে।

ডঃ ভূমিধৰ বৰ্মণ ( মন্ত্ৰী ) ঃ— যোৱাকালি ৰাতিপুৱা গুৱাহাটী মেডিকেল কলেজৰ মেইন গেট খন জুনিয়ৰ ডক্তৰ আৰু ছাত্ৰ কিছুমানে তলা লগাই বন্ধ কৰি দিছে আৰু তাত পিকেটিং কৰি দিছে। পিচত যেনিবা প্ৰিন্সিপাল, ভাইচ্ প্ৰিন্সিপাল আৰু অন্যান্য অধ্যাপক সকলে আলাচনা বিলোচনা কৰি সমস্যাটো আপোচত আনি তলাটো খুলি দিয়া বুলি জানইছে। পিকেটিংৰ সময়ত ইমাৰজেন্সিত দিউতি থকা ডক্তৰ সকলক

ভিতৰলৈ যাবলৈ দিয়া হৈছে। প্ৰিন্সিপাল, ভাইচ প্ৰিন্সিপাল আৰু অন্যান্য প্ৰফেচাৰ সকল ইয়ালৈ আহি মুখ্য সচিব আৰু গৃহ সচিবৰ লগত আলোচনা বিলোচনা কৰিলে আৰু আলোচনাৰ মৰ্মে জানিব পৰা হ'ল যে পিকেটিং আৰু এতিয়া কৰা নাই। মই এই কথা গম পাইয়েই ১০ টা ২ মিনিটতেই আজি ফোন কৰিছিলো আৰু আজি পিকেটিং কৰা নাই বুলি জনাইছে যদিও ডক্তৰ সকলে এতিয়াও আলোচনা বিলোচনা কৰি আছে। ইমাৰজেন্সি বাহিৰে অন্যান্য জুনিয়ৰ ডক্তৰ সকল দিউতিলৈ যোৱা নাই। গোটেই কথাটো বিতংকৈ চাইমেলি আমি জনাব পাৰিম।

Shri Benoy Kumar Basumatary :— Mr. Speaker Sir, If there is no picketing, why the Junior Doctors are not attending to their duties.

Shri Bhumidhar Barman ( Minister ) :— Sir, I have been informed that there is no picketing.

শ্ৰীহেমেন দাস :— চাৰ এইবাৰ তেনেহলে ডক্তৰ সকলেও আন্দোলন আৰু অসহযোগ কৰিছে নেকি ?

ডঃ ভূমিধৰ বৰ্মন ( মন্ত্ৰী ) :— এই কথাবিলাক ভালদৰে আলোচনা কৰি চাইহে জনাব পৰা হব।

## CALL ATTENTION NOTICE

Shri Purna Boro :— Mr. Speaker Sir, I beg to call the attention of the Minister, Forest under Rule 54 of the Rules of Procedure and Conduct of Business in Assam

Legislative Assembly to the news Item appearing in the "Dainik Asom" dated 6th August, 1983, under the caption "কাজিৰঙাত পুলিচৰ দ্বাৰা পহু নিধন"।

Shri Dhani Ram Rongpi ( Minister ) :— Mr. Speaker Sir, I am just giving the reply.

দৈনিক অসম কাকতৰ ৬ আগষ্ট তাৰিখে প্ৰকাশিত হোৱা "কাজিৰঙাত পুলিচৰ দ্বাৰা পহু নিধন" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। বাতৰিটোত কোৱা হৈছে যে বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বন্য জন্তু সমূহ ওচৰতে থকা কাৰবি আংলং জিলাৰ পাহাৰ অঞ্চললৈ উঠি যাবলৈ ৰাষ্ট্ৰীয় পথ পাৰ হোৱাৰ সময়খিনিৰ সুযোগ লৈ বিশেষকৈ পহু বধ কৰে আৰু কোৱা হৈছে যোৱা ২৯ জুলাই দিনা ৰাতি পুলিচৰ এদল লোকে এনে সুযোগ লৈ বাগৰী অঞ্চলত পহু এটা গুলিয়াই মাৰে আৰু বন বিভাগৰ পহৰাদলে সন্দেহ পায় বুঢ়া পাহাৰৰ পৰীক্ষা চকীত গাড়ী এখন আবদ্ধ কৰি পুলিচ এ, এচ, আই, এজনক জব্দ কৰে। বাতৰিটোত আৰু কোৱা হৈছে যে তাৰ কিছুসময়ৰ পিচত আন এখন পুলিচৰ গাড়ী প্ৰায় দুই মোন মাছৰ সৈতে এই পৰীক্ষা চকীত ধৰা পৰে। বন বিভাগে পুলিচ এ, এচ, আই, জনৰ বিৰুদ্ধে এটা গোচৰ তৰি বন্দুকটো জব্দ কৰা বুলিও বাতৰিটোত কোৱা হৈছে। বাতৰিটোৰ মতে পুলিচৰ উচ্চপদস্থ বিষয়া এজনৰ সন্মানৰ কাৰণে নগাওঁ জিলাৰ কোনো এখন আৰক্ষী থানাত ভোজৰ আয়োজনৰ বাবে এই পহু আৰু মাছ সংগ্ৰহ কৰা হৈছিল।

বাতৰিটোৰ বিষয়ে তদন্ত কৰি জনা গৈছে যে যোৱা ২৮/৭/৮৩ তাৰিখে ৰাতি প্ৰায় ১২'৩০ মান বজাত বুঢ়াপাহাৰ বনজ সম্পদ তালাচী চকীত

তালাচীৰ উদ্দেশ্যে এ, এচ, এন, ২৯৯৪ নম্বৰ বাছ এখন ৰখায়। তালাচী কৰোতে বাছখনৰ ভিতৰত এজনী মৃত খুটিয়া মাইকী পহু পোৱা হয়। বাছ খনত বাছ চালকৰ বাহিৰে পুলিচৰ দুজন কনিষ্টবল আৰু এ, এচ, আই, এজন আছিল। কৰ্ত্তব্যৰত বন কৰ্মী সকলে এই বিষয়ে স্থানীয় বনখণ্ডবিষয়া আৰু বনাঞ্চলিক বিষয়াক জনোৱাত তেওঁলোক তালাচী চকীলৈ আহি বাছখন, মৃত পহুজনী আৰু দুটা ৰাইফল জব্দ কৰে।

পুলিচ এ, এচ, আই, জনৰ জবান বন্দীমতে সেই দিনা ৰাতি ১০.৩০ মান বজাত জখলাবন্ধা আৰক্ষী চকীৰ পৰা ৰাইফল দুটা লৈ পুলিচৰ পহৰা দলটোৱে বুঢ়া পাহাৰ আৰু কাঞ্চনজুৰি এলেকাত পহৰা দিবলৈ আহোতে কাঞ্চনজুৰিত ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত এজনী খুটিয়া পহু মৃত অৱস্থাত পৰি থকা পাই তেওঁলোকে মৃত পহুজনী বাছখনত তুলি জখলাবন্ধা আৰক্ষী চকীলৈ বুলি লৈ আহিছিল। পহুজনীৰ আগৰ সোঁ ঠেঙৰ ওচৰত আঘাতৰ চিন পোৱা হৈছিল। মৰনোত্তৰ পৰীক্ষা কৰি পহুজনী বন্দুকৰ গুলিৰ আঘাতত মৃত হৈছে বুলি সন্দেহ কৰা হৈছে। পহুজনী পুলিচৰ দলটোৰ লগত থকা ৰাইফলেৰে গুলি কৰা হৈছিল নেকি অনুসন্ধানৰ বাবে দুয়োটা ৰাইফল জব্দ কৰি জখলাবন্ধা আৰক্ষীৰ ভাৰ প্ৰাপ্ত বিষয়ালৈ বাগৰীৰ বনাঞ্চলিক কাৰ্যালয়ৰ পৰা ২৯-৭-৮৩ তাৰিখে প্ৰেৰণ কৰা হয়। উক্ত আৰক্ষী বিষয়াৰ পৰা এই বিষয়ে বিতং বিবৰণ পোৱাৰ পিচত প্ৰয়োজনীয় ব্যৱস্থা লব পৰা হব। মৃত পহুজনী বনবিভাগক নজনোৱাকৈ তেনেকৈ কঢ়িয়াই লৈ যোৱাৰ বাবে wild life ( protection ) Act ৰ নিয়ম ভঙ্গ কৰাৰ অভিযোগ পুলিচৰ দলটোৱে স্বীকাৰ কৰাত আইন অনুযায়ী আপোচ মীমাংসা কৰি ৫০ টকা ক্ষতিপুৰণ লোৱা হয়। মৰনোত্তৰ পৰীক্ষাৰ পিচত মৃত পহুজনী পুতি পেলোৱা হয়।

উক্ত বাতৰিটোত প্ৰকাশ পোৱা মতে কোনো পুলিচৰ গাড়ী প্ৰায় ২ মোন মাছৰ সৈতে তালাচী চকীত ধৰা পৰা কথা সঁচা নহয়। যোৱা ২৯/৭/৮৩ তাৰিখে বুৰাৰ বাগৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে কুঠৰী গাৱৰ এজন লোকৰ লগত প্ৰায় ২০ কেজি মাছ পাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা সংগ্ৰহ কৰা বুলি সন্দেহ কৰি বুঢ়া পাহাৰ বনসম্পদ তালাচী চকীত উক্ত লোকজন আৰু মাছখিনি জমা দিয়ে। এই লোকজনে মাছ খিনিৰ বাবদ কোনো পাৰ-পত্ৰাদি দেখুৱাব নোৱাৰাত বুঢ়া পাহাৰৰ বনখণ্ড বিষয়াই মাছখিনি জব্দ কৰি ৩৫০ টকাত নীলাম বিক্ৰি কৰে আৰু উক্ত লোক জনৰপৰা ৫০টকা ক্ষতিপূৰণ আদায় কৰি আইন অনুযায়ী আপোচ মীমাংসা কৰে।

সেই বাতৰিত প্ৰকাশ পোৱা মতে কোনো উচ্চ পদস্থ পুলিচ বিষয়ৰ সন্মাণৰ বাবে ভোজ আয়োজন কৰা বুলি কোনো বাতৰি পোৱা হোৱা নাই। আৰু ওপৰোক্ত বিৱৰণৰ পৰা পহু আৰু মাছ তেনে কোনো ভোজৰ বাবে সংগ্ৰহ কৰা বুলিও কব নোৱাৰি। বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জীৱ-জন্তুবোৰ ওচৰৰ কাৰ্বি আংলং জিলাৰ ওখ ঠাই লৈ উঠি যোৱা কথা সত্য। সেই সময়ত বাটত জীৱজন্তু বোৰক যাতে কোনো লোকে অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰখা হয় আৰু উদ্যানৰ ভিতৰতে কিছু ওখ ঠাই নিৰ্মান কৰি ৰাষ্ট্ৰীয় উদ্যানৰ জীৱজন্তুবোৰক বানপানীৰ সময়ত আশ্ৰয় লব পৰকৈ কিছু ব্যৱস্থা লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয় চৰকাৰৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো যে—দেখা যায় ভাৰতবৰ্ষৰ সকলো ঠাইৰ ভিৰতেই অসমৰ কাজিৰঙাত মাছৰ দাম আৰু মাংসৰ দাম কমিছে। এটা হৰিণা পহুৰ দাম ৫০ টকা

নেকি আৰু ২ মোন মাছৰ দাম ৩৫০ টকা নেকি ? নহলেনো ৫০ টকাত কেনেকৈ হৰিণাটো দি দিলে। মই জানিব বিচাৰিছো এই যে কাজিৰঙাৰ জীৱজন্তু ৰক্ষা কৰাৰ কাৰণে চৰকাৰৰ বন বিভাগটোৱে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ৫০ টকা জৰিমনাহে ৰবা হৈছে। সেই মাংস বিক্ৰী কৰিবলৈ দিয়া হোৱা নাই আৰু খাবলৈও দিয়া হোৱা নাই।

## INTRODUCTION OF GOVERNMENT BILL

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, I beg leave to introduce the Assam industrial Relief Undertakings ( Special Provisions ) Bill, 1983.

Mr. SPeaker :— Is it the pleasure of the House to grant leave to the Minister to introduce the Assam Industrial Relief Undertakings ( Special Provisions ) Bill 1983 ?

( Voices yes, yes )

Leave is granted.

"Under the provision of Article 207 (1) of the Constitution of India, I, Prakash Mehrotra, Governar of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Industrial Relief Undertakings ( Special Provisions ) Bill 1983.

Prakash Mehrotra

Governor of Assam"

Shri Keshab Chandra Gogoi ( Minister ) :— Sir, I beg to introduce the Assam Industrial Relief Undertakings ( Special Provisions ) Bill 1983.

Mr. Speaker :— Regarding item No. 4, today is the last day for general discusion on the budget. The time at our disposal is 3 hours 45 minutes. There are 14 Hon'ble Members in the list furnished to me to participate in the discussion. Some Ministers are also willing to parti– cipate to clarify some points. Then the Hon'ble Finance Minister will take atleast one hour to give his reply. So each Hon'ble member will get about 9 minutes and from 3. 30 p.m. the Hon'ble Ministers who are Willing to participate will clarify the points. from 4 p.m., the Hon'ble Finance Minister will give his reply. So I request the Hon'ble members who are partcipating in the debate will look into the time so that we can complete everything in time.

## GENERAL DISCUSSION ON THE BUDGET

শ্ৰীৰাজেন ফুকন ঃ— মাননীয় অধ্যক্ষ মহোদয় আজি সদনত প্ৰায় শেষ বাজেট বিতৰ্কৰ শেষ দিনত উপনীত হৈছোহি। জয় জয়তে চৰকাৰৰ

ফালৰ পৰা বিশেষকৈ আজি বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট ডাঙি ধৰিলে তাত অসমৰ জনসাধাৰণৰ, সৰ্ব্ব সাধাৰণ ৰাইজৰ আশা-আকাঙ্খা প্ৰতিফলন হৈছে। তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছো। সেই সম্পৰ্কত বাজেট আলোচনা সমালোচনা হৈ গৈছে। সেই সম্পৰ্কে বিশেষ দীঘলীয়াকৈ নকৈ কেৱল ইয়াত কেনেকৈ কাৰ্য্যত ৰূপায়িত কৰিব পাৰো সেই সম্পৰ্কে দুষাৰমান কবলৈ উঠিছো। সেইটো হৈছে আমাৰ প্ৰশাসনীয় যন্ত্ৰ নীতিগত ভাবে গ্ৰহণ কৰিছো। দেশত গণতন্ত্ৰ, সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰাৰ কাৰণে আমি অগ্ৰসৰ হৈছো। আৰু সেই বিষয়ে বাজেটতো তাৰ ইঙ্গিত ফুটি উঠিছে। কিন্তু আজি প্ৰশাসনিক যন্ত্ৰটোৰ কিছু সংস্কাৰৰ প্ৰয়োজন হৈ পৰিছে। সাম্ৰাজ্যবাদী বৃটিচ চৰকাৰে প্ৰশাসন যন্ত্ৰ চলাইছিল শাসন কৰিবলৈ, সেৱা কৰিবলৈ নহয়। কিন্তু আজি অসমৰ বৰ্ত্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই পূৰ্ব্বাঞ্চলত বিশেষকৈ অসমত প্ৰশাসন যন্ত্ৰটোক ৰাইজৰ ওচৰলৈ চপাই আনিবৰ কাৰণে চেষ্টা কৰিব লাগিব আৰু সেৱাৰ মনোবৃত্তিৰেহে কাম কৰিব লাগিব। সেই উদ্দেশ্যকে সাৰোগত কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰশাসন যন্ত্ৰটো ৰাইজৰ সেৱাৰ মনো-বৃত্তিৰে সংস্কাৰ কৰি আনিছে। আৰু সেই কাৰণে ৬ খন নতুন জিলা আৰু ১০ খন নতুন মহকুমা প্ৰতিস্থা কৰিলে। কিন্তু এইবিলাক কৰাৰ পিচত প্ৰশাসন যন্ত্ৰতো যাতে ৰাইজৰ, জনসাধাৰণৰ কল্যাণ কামী কৰি তুলিবৰ কাৰণে অৰু জনসাধাৰণৰ যিবিলাক সমস্যা সেইবিলাক সমাধান কৰিবৰ কাৰণে বিশেষ লক্ষ্য ৰাখি কাম কৰিব লাগে।

জনসাধাৰণ আৰু কৃষি বনুৱাৰ মঙ্গলৰ কাৰণে চৰকাৰে কোটি কোটি টকা খৰছ কৰি সমস্যা সমাধান কৰাৰ লক্ষ ৰাখি কাম কৰিব লাগিব। আজি প্ৰশাসন যন্ত্ৰটো এই কাৰণে ৰাখি থোৱা হৈছে বিধান সভাত

গৃহীত পূজিখিনি সম্পূৰ্ণভাৱে কামত খটুৱাব পৰা নাই। চৰকাৰৰ প্ৰশাসন যন্ত্ৰটোৰ ইমান চেনেল আছে যে দৰখাস্ত এখন দিলে চেক্ৰেটাৰীৰ পৰা ডেপুটী চেক্ৰেটাৰী, ডেপুটী চেক্ৰেটাৰীৰ পৰা আন্দাৰ চেক্ৰেটাৰী, আন্দাৰচেক্ৰেটাৰীৰ পৰা দিলিং এচিচটেণ্টৰ ওচৰ পাবলৈ বহুত সময়ৰ প্ৰয়োজন হয়। এইদৰে প্ৰায় ১১ টা মান চেনেল পাৰ হৈ আহিব লাগে। মই মাননীয় শইকীয়া ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে প্ৰশাসন যন্ত্ৰটোৰ সংস্কাৰ সাধিবলৈ মই অনুৰোধ জনালো। আজি যেনেকৈ জিলা আৰু মহকুমা নতুনকৈ প্ৰতিষ্ঠা কৰিছে ঠিক তেনেকৈ এই প্ৰশাসন যন্ত্ৰটো সংস্কাৰ সাধন কৰি প্ৰশাসনীয় কাম বিলাক অতি সোনকালে আৰু ক্ষিপ্ৰ গতিৰে হোৱাকৈ কাম হাতত লব লাগে। আজি গণতান্ত্ৰিক সমাজবাদী দেশখনত আমোলা-তান্ত্ৰিক শাসন পদ্ধতি চিৰকালে ইয়াত থাকিব নোৱাৰিব। প্ৰাশাসন যন্ত্ৰটোক এনেকৈ সংস্কাৰ কৰিব লাগিব যাতে ই চিৰকালে ৰাইজৰ কামৰ বাবে বাধিত ( কমিটেড ) থাকে। ইয়াৰ বাবে যি আঁচনি লোৱা হয় সেই আঁচনিবিলাক যাতে কাৰ্য্যকৰী হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব বুলি মই আশা ৰাখিলো। আমাৰ এই প্ৰশাসন যন্ত্ৰটোত বিভিন্ন বিভাগ আছে যেনে গৃহ বিভাগ, ৰাজহ বিভাগ আৰু শিক্ষা বিভাগ। শিক্ষা বিভাগৰ বিভিন্ন চাৰকোল আছে কিন্তু এইবিলাকক যি ধৰণেৰে চাৰিসীমা নিৰ্দ্ধাৰণ কৰিব লাগে তেনেধৰণেৰে নিৰ্দ্ধাৰণ নকৰাৰ ফলত প্ৰশাসনীয় ক্ষেত্ৰত ৰাইজ ওচৰ চপাৰ সুবিধা নাই। একেদৰে ৰাজহ বিভাগতো কেইবাটাও চৰকোল তৈয়াৰী হয়। কিন্তু সেই চাৰকোলবিলাক এনে অবৈজ্ঞানিক ভাবে তৈয়াৰ কৰা হল যে বৃটিছৰ দিনৰ দৰে আজিও একে ধৰণেৰে চলি আছে। ৰাইজে ৫ বা ১০ কিলোমিটাৰৰ ভিতৰত এনে চাৰকোলৰ একো সুবিধা নাপায়। প্ৰায় ৬০ কিলোমিটাৰ দূৰৰ চাৰকোল

অফিচলৈ আহি কাম কৰিব লগা হয় । ফলত কাম নহয়। ৰাইজৰ ওচৰ চপাকৈ এইবোৰ পুনৰ সংস্কাৰ কৰিব লাগে ! আমাৰ গৃহবিভাগৰ যিবিলাক থানা আছে সেইবিলাক বৃটিছৰ দিনৰ দৰে চলি আছে। অথচ এখন দেশৰ শান্তি শৃঙ্খলা নিৰ্ভৰ কৰে দেশখনৰ আৰক্ষী বিভাগটোৰ ওপৰতে নিৰ্ভৰ কৰি। কাৰণ জীৱন সম্পদটোৱে হল মানুহৰ আটাইতকৈ ডাঙৰ সম্পদ। সেই সম্পদৰ ৰক্ষণা-বেক্ষণ নহলে মানুহে কোনো কামেই কৰিব নোৱাৰে। সেই কাৰণে এই পুলিচ বাহিনীটোক সক্ৰিয় কৰিবৰ কাৰণে নূন্যতম যিখিনি সা-সুবিধা দিব লাগে তাৰ ব্যৱস্থা অনতি পলমে কৰিব লাগে।

শান্তি শৃঙ্খলা হল এটা ডাঙৰ কথা। এই খিনিতে এটা কথা আহি পৰে যে দেশৰ শান্তি ৰক্ষক অফিচাৰ সকলৰ বিশেষকৈ আৰক্ষী বিভাগৰ অফিচাৰ সকলৰ থকা ঘৰৰ কোনো ব্যৱস্থা নাই। আৰক্ষী বিভাগৰ বিশেষ ধৰণৰ হাউচিং কৰপোৰেচন গঠন কৰা হল। কিন্তু ঘৰ-দুৱাৰ আজিলৈকে তৈয়াৰী নহয়। ফলত এই বিভাগৰ বিষয়া অফিচাৰ সকল বিভিন্ন জাগাত ভাৰা ঘৰত থাকিব লগা হয়। ফলত কেতিয়াবা যদি কোনোবাই বিবা দূৰ্ঘটনা বা বিপদ আপদৰ কথালৈ তেওঁলোকক বিচাৰে তেনেহলে তৎক্ষনাত সহাৰি নাপায় বা পালেও তেওঁলোকক সংগ্ৰহ কৰি আনোতে সময় পাৰ হৈ যায়। আন এটা কথা বিশেষ ভাবে চাব লাগিব। সেইটো হৈছে আমাৰ চোৰাং ছোৱা বিভাগটোৰ প্ৰতি বিশেষ মনোযোগ দিব লাগে। মোৰ এটা কথা আছে। সেইটো হৈছে আৰক্ষী বাহিনীটোৱে যিমানেই কাম নকৰক কেতিয়াবা অবহেলা কৰিলে চোৰাংছোৱা বিভাগক তদন্তৰ কাৰণে দিয়ে। এইখিনিতে মই এটা পৰামৰ্শ দিব খুজিছো যে এই বিভাগটো অতি উপযুক্তজনৰ কেৰিয়াৰ চাই সকলো বিলাক ভালকৈ পৰীক্ষা নিৰীক্ষা কৰি দিব লাগে। অন্যান্য পুলিচ বাহিনীতো ৰেচিও অনুপাতে নিযুক্তি

দিয়াৰ ব্যৱস্থা কৰিব লাগে। পুলিচৰ সংখ্যা আমাৰ ৰাজ্যখনত প্ৰায় ৬৫ হেজাৰ জনমান হ'ব, কিন্তু জনসংখ্যা ১৬০ লাখ মান আনুমানিক। গতিকে এই জনসংখ্যা অনুপাতে আমাৰ স্বেচ্ছাসেৱক বাহিনীবিলাক ৰাইজৰ সহযোগ লব লাগিব। ৰাইজৰ সহযোগ নহলে দেশখনৰ শান্তি শৃঙ্খলা অকল পুলিছে মাথোন ৰক্ষা কৰাৰ উদাহৰণ পৃথিবীৰ ক'তো নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ গাওঁৰক্ষী বাহিনীটো একেবাৰে সক্ৰিয় নহয়। এই বিষয়ে মোৰ কবলৈ বহুত সময় লাগিব, সময় বৰ কম সেই কাৰণে গাওঁৰক্ষী বাহিনীৰ কথা মই অলপমানহে কম। এই বাহিনীটো যদি সক্ৰিয় হৈ থাকিলেহেতেন তেনেহলে দুস্কৃতিকাৰীয়ে এখনো দলং জ্বলাব নোৱাৰিলেহেতেন। চৰকাৰৰ ফালৰ পৰা যি খিনি সহযোগ দিব লাগে সেইখিনি দিব নোৱাৰাৰ কাৰণে নানা ঠাইত ঘৰ আৰু দলং আদি জ্বলিল। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক আমাৰ গাওঁৰ গাওঁৰক্ষী বাহিনীটো সক্ৰিয় কৰি তুলিবলৈ অনুৰোধ জনালো। তাকে কৰিলে মোৰ বিশ্বাস দেশৰ শান্তি শৃঙ্খলা ঘূৰি আহিব আৰু যিখিনি কথা বাজেটত ধৰা হৈছে সেইখিনি আঁচনি লৈ কাম কৰিলে ফল ভাল হব। কাৰণ জীৱন আৰু সম্পত্তি হল মানুহৰ বাবে মুল কথা। মই আশা ৰাখিছো এই বিভাগ বিলাক পুনৰ গঠন কৰি দেশৰ শান্তি শৃঙ্খলা ঘূৰাই অনা হব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো

অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে ডাঙি ধৰা বাজেটখনৰ প্ৰতি সমৰ্থন জনাই মই দুষাৰ কবলৈ আগ বাঢ়িছো। বাজেটখন সচাকৈয়ে সময়োপযোগী হৈছে। আৰু এই বাজেটখনত যদিও ঘাটি দেখুৱা হৈছে তাত নতুনকৈ কোনো কৰ কাটল লগোৱা হোৱা নাই। মই মোৰ ব্যক্তিগত কথা দুটামান কব খুজিছো। ইয়াত কিছুমান প্লেনৰ কথা কোৱা হৈছে। এই প্লেন বা পৰিকল্পনাৰ ক্ষেত্ৰত বহু কোটি টকা ধৰা

হৈছে। এইবিলাক যদি প্লেন হৈয়ে থাকে তেনেহলে কোনো মানুহৰ উপকাৰত নাহিব। শিক্ষা বিভাগৰ এটা কথা মোৰ মনত পৰিছে। ভাৰতবৰ্ষৰ এজন মনিষীয়ে কৈছিল যে "নিজৰ দেশৰ শিক্ষাৰে শিক্ষিত হৈ নিজৰ দেশখন আগুৱাই নিব লাগিব।" সেইজন হৈছে আমাৰ পৰম শ্ৰদ্ধাৰ মহামানৱ মহাত্মাগান্ধী। তেখেতে কৈছিল যে দেশত কাৰি-কৰি ভাবে অৰ্থাৎ বেচিক স্কুলৰ মাধ্যমেৰে শিক্ষাদান কৰিব লাগে। তেতিয়াহে শিক্ষিত হৈ নিজৰ ভৰিত নিজে থিয় দিব পাৰিব। তেতিয়াহে দেশখন আগুৱাই যাব আৰু সমাজখন শিক্ষিত হব। কিন্তু এই কথা এতিয়া কলৈ গ'ল? শিক্ষা বিভাগৰ কথা বহুতে বহু ৰকমে কৈছে। আমাৰ মহামান্য সদস্য জেলিল চৌধুৰীয়ে কৈছে—তেখেতক দিনে চাকৰি বিচৰা প্ৰায় ৩ শ মান মানুহে লগ ধৰে— ধৰিবই। আমাৰ যি শিক্ষা ব্যৱস্থা বৰ্ত্তমান চলি আছে সেই ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন ঘটাব লাগিব। আৰু ১০ বছৰৰ পিছত ১০ হেজাৰজন মানুহ আহিব চাকৰীৰ বাবে লগ ধৰিবলৈ। কিয়নো বি, এছছি, এম, এছছি, অনেক লোকে দেশখন ভৰি আছে। তেওঁলোকে অফিচাৰ আৰু এম, এল, এ, সকলৰ পৰা চাকৰি বিছাৰিব। মই এম, এল, এ হোৱাৰ পিছত মোৰ সমষ্টিত ১১ খন স্কুললৈ মই গৈছিলো। মই চাব বিচাৰিছিলো যে লৰাহতে বিধায়ক সকলক আকোৱালি ধৰে নে বয়কট কৰে। কিন্তু তেওঁলোকে বয়কট নকৰিলে। আকোৱালিহে ধৰিলে। সেই স্কুল বিলাকত যদি হেড্ মাষ্টৰ কলৈ গল বুলি সুধিলে কয় যে ডি, আই বা ডি, পি, আই বা এম, এল, এ, ৰ ওচৰলৈ আহিছে। আমাৰ শিক্ষা বিভাগত এনে এটা অৱস্থা হৈছে স্কুলৰ হেড্ মাষ্টৰ বা চেক্ৰেটাৰী স্কুলত নাথাকি মন্ত্ৰী এম, এল, এ বা ডি, আই, বা ডি, পি, আই, ক লগ ধৰিবলৈ অহাৰ নিয়ম হৈছে। সেই কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যাতে স্কুলৰ কাম এৰি স্কুলৰ মুৰব্বী সকল এনেকৈ ফুৰিব লগা নহয়।

ইয়াৰ পিছত মই কৃষিৰ কথালৈ আহোঁ। কৃষিৰ লগত দুটা বিশেষ বিভাগ জড়িত। সেই দুটা হল ৰাজহ বিভাগ আৰু জলসিঞ্চন বিভাগ। কৃষি মন্ত্ৰী মহোদয়ে যিমান ইচ্ছা সাৰ আৰু সঙ্গ পথাৰত পেলাই দিয়ক বা ব্ৰহ্মপুত্ৰৰ পাৰৰ মাটিত পেলাই দিয়ক পানী নহলে কেতিয়াও খেতি হব নোৱাৰে। মাটি আৰু পানীৰ সমস্যা আজিলৈকে দূৰ কৰা নহল। কৃষি উৎপন্ন হয় কৰ পৰা ? সেই কাৰণে প্ৰথমতে মাটি আৰু পানীৰ কথাহে চিন্তা কৰিব লাগিব। মাটি প্ৰধানকৈ দুবিধ মানুহৰ হাতত আছে। এবিধ হৈছে চৰকাৰ। চৰকাৰৰ হাতত চৰকাৰী মাটি থাকে। আৰু আনটো হৈছে যি সকলৰ পৰা মাটি অধিগ্ৰহণ কৰা হয় সেই মাটি চৰকাৰৰ হাতত থাকে কিন্তু এই মাটিবিলাক আজি ২৫-২৭ বছৰে শিক্ষিত যুৱকৰ মাজত বিলাই দিয়া হোৱা নাই। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিছো ভৱিষ্যতে যদি আমাৰ চৰকাৰে কেতিয়াবা কিবা কাৰণত মাটি লব লগা হয় তেনেহলে সেই কথাবিলাক ভালকৈ চিন্তা কৰি চায় যেন। শেষত এটা কথা মাত্ৰ মই কওঁ। আমাৰ অসমীয়াত এটা কথা আছে—ভূতৰ ওপৰত দানহ পৰা বুলি। ইয়াৰ অৰ্থ হল—যাৰ হাতত মাটি আছে সেইবোৰ হ'ল ভূত আৰু যিবিলাকে প্লেন কৰে সেইবিলাক হ'ল দানব। এইদৰে ভূতৰ ওপৰত দানহ পৰাৰ ব্যৱস্থা যাতে নহয় তালৈ চৰকাৰে যেন লক্ষ্য ৰাখে। এইখিনিয়ে মোৰ কব লগা কথা।

শ্ৰীকীৰ্ত্তি দত্ত :—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে ১৯৮৩-৮৪ চনৰ বাবে যি বাজেট উত্থাপন কৰিছে তাক সম্পূৰ্ণ সমৰ্থন কৰিছো। কাৰণ এই বাজেটখন বাস্তৱমুখী, উদ্দেশ্যমুখী আৰু লগতে সময় উপযোগী হৈছে। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে কোৱাৰ নিচিনাকৈ এই বাজেটখন এটা ডাঙৰ শূন্য হোৱা নাই। ১৭৭৮

কোটি টকাৰ বাজেটত এশ কোটি টকাৰ মাটি দেখুওৱা হৈছে । মই ভাবো বছৰৰ শেষত এই মাটিৰ পৰিমাণ কিছু কমিব । কাৰণ অন্তৰ্ৱৰ্তীকালিন বাজেট দাঙি ধৰা সময়ত ১৪৫ কোটি টকাৰ ঘাটি দেখুওৱা হৈছিল । সেইমতে আমাৰ ৪৫ কোটি টকা ৰাহি হৈছে । যদি অসমে কেন্দ্ৰীয় চৰকাৰৰপৰা পাবলগীয়া ৰাজহৰ অংশ সম্পূৰ্ণ হিচাবে, নীতিগত হিচাবে পায় তেন্তে ঘাটি সম্পূৰ্ণ নাথাকিব ।

আমাৰ শিক্ষামন্ত্ৰী আছে, শিক্ষাৰ ক্ষেত্ৰত কিছু কথা কব বিচাৰিছো । শিক্ষাৰ শিতানত প্ৰায় ১৬৫ কোটি টকা ধৰা হৈছে । এই টকাৰ যাতে সদ্ব্যৱহাৰ হয় তাৰ কাৰণে আগতীয়াকৈ অনুৰোধ জনাওঁ । কাৰণ প্ৰাইমাৰী শিক্ষাত দেখা গৈছে শিক্ষকসকলৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছে, শিক্ষক সকলে দৰমহাকে আদি কৰি সুবিধাখিনি পাইছে । কিন্তু শিক্ষা লবলৈ অহা ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে একো ব্যৱস্থা কৰা হোৱা নাই । স্কুল ঘৰৰ অৱস্থা অতি শোচনীয় । সেই স্কুল ঘৰত ভাল মানুহে গৰুও নাবান্ধে । আশা ৰাখিছো পঢ়াশালিবিলাকৰ উন্নতিৰ কাৰণে শিক্ষা বিভাগে চেষ্টা কৰিব । বিশেষকৈ বিল্ডিং গ্ৰেন্ট দি এই স্কুল ঘৰবিলাকৰ অৱস্থা টনকীয়াল কৰিব । চৰকাৰীকৰণ কৰা এই প্ৰাইমাৰী স্কুলবিলাকত এজন এজন শিক্ষক দিয়া হৈছে । এইটো কেনেকুৱা ধৰণৰ নীতি হৈছে নাজানো । এবাৰ শিক্ষা মন্ত্ৰীয়ে কৈছিল ১ : ৪০ অনুপাতত অৰ্থাৎ ৪০ জন ছাত্ৰৰ মাজত এজন শিক্ষক দিয়া হব । এই নীতিটোৰ পৰিবৰ্ত্তন কৰিব লাগিব । কাৰণ হাইস্কুল, হায়াৰচেকেণ্ডেৰী স্কুলবিলাক চৰকাৰীকৰণ কৰোতে যিমানটা শ্ৰেণী থাকে বা চেকচন থাকে সিমান শিক্ষক দিয়া হৈছে । সেই ধৰণে প্ৰাইমাৰী স্কুলতো ৪টা শ্ৰেণীত ৪ জন দিব নোৱাৰিলেও অন্তত দুজন শিক্ষকক নিযুক্তি দিব লাগে । এজন শিক্ষক থকা স্কুলত কিবা কাৰণত শিক্ষকজন স্কুললৈ যাব নোৱাৰিলে

কণ কণ লৰা ছোৱালী বিলাকৰ অৱস্থা কি হব ? কাৰণ চকীদাৰৰ ব্যৱস্থা নাই, শিক্ষকে গৈ স্কুল খুলিব লাগিব। দুজন শিক্ষকৰ ব্যৱস্থা কৰিলে ভাল হয়। এইবাৰ মোক শিৱসাগৰ জিলাৰ উপদেষ্টা বৰ্ডৰ সভাপতি পাতিলে। মই এটা বৰ বিপাকত পৰিছো। চৰকাৰীকৰণ কৰা স্কুল-বিলাকত মাদাৰৰ পোষ্ট আছিল আৰু আগতে ১৯০ টকা পাইছিল। এতিয়া দৰ্মহা আয়োগে তিনিশ টকা কৰিছে। নিতৌ চাৰি পাচ গৰাকী আহি মাদাৰ পোষ্টৰ কাৰণে মোক হাহাকাৰ কৰিছে। হয় এই মাদাৰ পোষ্টটো উঠাই দিয়াৰ ব্যৱস্থা কৰক নতুবা সকলোতে মাদাৰ পোষ্ট দিয়াৰ ব্যৱস্থা কৰক। এইটোৰ স্পষ্টিকৰণ শিক্ষামন্ত্ৰীয়ে দিব বুলি আশা কৰিছো। শিক্ষাৰ ক্ষেত্ৰত আন এটা কথা কব বিচাৰিছো অন্যান্য চাকৰিয়ালৰ দৰে যাতে চৰকাৰীকৰণ হাইস্কুল আদিৰ শিক্ষক সকলক বদলি কৰাৰ ব্যৱস্থা কৰা হয়। নহলে ঘৰৰ ভাত খাই অলপ টকা পইচা হৈছে তেওঁলোক স্কুললৈ নগলেও চলিব পাৰে, আন্দোলন কৰিব পাৰে। গতিকে তেওঁলোকক বদলি কৰিব পৰা ব্যৱস্থা কৰিবলৈ অনুৰোধ থাকিল। আগতে দেখিছিলো বহু স্কুল হায়াৰ চেকেণ্ডেৰী কৰাৰ লগতে বহুমুখী কৰিছিল। এতিয়া বহুমুখীৰ কথাটো নাই। আগতে ৮ম মান শ্ৰেণীৰ পৰা নিজৰ ইচ্ছা মতে বিভিন্ন বিষয়ত যাব পাৰিছিল। এইবাৰ ১৬ খন হায়াৰচেকেণ্ডেৰী কৰিব কিন্তু বহুমুখী দেখা নাই। বহুমুখী নকৰাৰ ফলত নিবনুৱা সমস্যা হৈছে। এই ধৰণে যদি সাধাৰণ শিক্ষা হৈ থাকে তেন্তে নিবনুৱা সমস্যা বাঢ়ি যাব। সেই কাৰণে অনুৰোধ কৰিব বিছাৰিছো যাতে সাধাৰণ শিক্ষাতকৈ কাৰিকৰী শিক্ষাত বেচি গুৰুত্ব দিব লাগে। ইয়াৰ বাবে অধিক অৰ্থৰ ব্যৱস্থা কৰিব লাগে। আমাৰ প্ৰতি জিলাৰ মুখ্য কাৰ্য্যালয়ত একোখনকৈ আই, টি, আইৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দেখিছো আমাৰ এইবাৰ চাৰিবাৰ বানপনী হৈ গ'ল, নিয়ন্ত্ৰণ কৰিব পৰা নাই । আজি বিজ্ঞানৰ যুগত মিচিচিপি, হোৱাহোং নদী নিয়ন্ত্ৰণ কৰি দেশৰ উন্নতি সাধন কৰিছে । ব্ৰহ্মপুত্ৰক কিয় নিয়ন্ত্ৰন কৰিব নোৱাৰে ? ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰি বিজুলি শক্তি উৎপাদন তথা জলসিঞ্চনৰ কিয় ব্যৱস্থা কৰিব নোৱাৰে ? আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ব্ৰহ্মপুত্ৰক যাতে নিয়ন্ত্ৰণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয় । বাননিয়ন্ত্ৰনৰ ক্ষেত্ৰত যথেষ্ট টকা পইচা ধৰা হৈছে কিন্তু বাৰিষাৰ সময়ত অৰ্থাৎ এপ্ৰিল মাহৰ পৰা সেই টকা খৰচ কৰিবলৈ আৰম্ভ কৰে যাতে ঠিকাদাৰ, বিষয়া সকল লাভবান হব পাৰে । এইটো কৰাৰ অৰ্থ হল যাতে টকা পইচাৰ হিচাব নাপায় । বানপানীয়ে কৃষক ৰাইজৰ অপকাৰ কৰিছে কাৰণে তেওঁলোকে বানপানী অহাটো বাঞ্চা নকৰে । কিন্তু বাননিয়ন্ত্ৰণ বিভাগৰ বিষয়া, ঠিকাদাৰ সকলে বানপানী অহাতো বাঞ্চা কৰে ।

গড়কাপ্তানি বিভাগৰ শিতানৰ মাননীয় সদস্য সকলে কৈছে যে তেখেত সকলৰ সমষ্টিত পকা ৰাস্তা নাই । মোৰ সমষ্টিত পকা ৰাস্তা আছে, থাকিলে কি হব ? ৰাস্তাৰ কোনো ধৰণৰ মেৰামতি নাই । ৰাস্তাৰ ওপৰত গাত হৈছে আৰু চাইকেল গাড়ী চলিব নোৱাৰে । তেনে ৰাস্তা থকাতকৈ নথকাই ভাল ।

স্বাস্থ্য বিভাগটো আচলতে বৰ কেলেংকাৰী বিভাগ হৈছে ঘোৰ আন্দোলনকাৰী হৈছে । ১৯৮৩ চনৰ নিৰ্ব্বাচনত জড়িত হোৱা সকলৰ বাবে চিকিৎসাৰ ব্যৱস্থা নাই । হাস্পাতালত চিকিৎসাৰ ব্যৱস্থা নোহোৱা হৈছে । নিৰ্ব্বাচনত যি সকল চৰকাৰ মুখী হৈছে সেইসকলৰ কাৰণে বেলেগ হাস্পাতাল বনাব লাগিব । আমাৰ কেবাবিধো হাস্পাতাল আছে । মেডিকেল হাস্পাতাল, পি, এইচ, চি, আছে ডিচপেন্সেৰী আছে । ঔষধ যোগানৰ ধৰণ বেলেগ বেলেগ । আৰু বহুতো কবলগা আছিল কিন্তু

উপাধ্যক্ষ মহোদয়ৰ পৰা দুবাৰ ওৱাৰ্ণিং পাইছো। বিত্তমন্ত্ৰী মহোদয়ে বাস্তৱমুখী বাজেটখন সদনত দাখিল কৰাৰ বাবে পুনৰবাৰ ধন্যবাদ জনাই সামৰণি মাৰিলো।

শ্ৰীআকাজুদ্দিন আহমেদ :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত দাঙি ধৰিছে তাৰ ওপৰত যোৱা তিনিদিন ধৰি বহু পৰিমাণৰ আলোচনা হৈছে। মই এই বাজেটৰ সমৰ্থনত দুষাৰ মান কথা ৰাখিব খুজিছো। বাজেট খন এখন বাস্তৱমুখী বাজেট হৈছে বুলি আমাৰ ট্ৰেজাৰি বেন্সৰ প্ৰায়ভাগ সদস্যই কৈছে আৰু বিৰোধী দলৰ পৰা বিৰোধীতা কৰিছে এইটো স্বাভাৱিকতে হৈ থাকে। সি যিয়েই নহওক কিয় আমি চাব লাগিব বাজেটৰ জৰিয়তে আমি যি ৰাইজৰ ভোটৰ বিনিময়ত ইয়ালৈ আহিবলৈ সুযোগ পাইছো নানান দুৰ্যোগৰ সময়তো নিজৰ জীৱনৰ বিনিময়ত যি সকলে ভোট দি আমাক জয়যুক্ত কৰি বিধান সভাৰ প্ৰতিনিধি হিচাবে মনোনীত কৰি পঠাইছে সেই সকল লোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰিম নে নোৱাৰিম। আমাৰ দেশখনৰ উন্নয়ণৰ কাৰণে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নতুন কুৰি-দফীয়া আঁচনি ঘোষণা কৰিছে আৰু তাৰ জৰিয়তে এম-এৰ-ই-পি, ডি-আৰ-ডি এ ইত্যাদি আঁচনিৰ জৰিয়তে বহু কাম কৰাৰ চেষ্টা কৰা হৈছে। কিন্তু কথা হৈছে এই আঁচনি সমূহৰ দ্বাৰা যিমান লোকৰ উপকাৰ সাধিব লাগিছিল বা যিমান খিনি ৰাইজক সাঙুৰি লব পৰিব লাগিছিল আমি পাৰিছো নে নাই সেইটো আমাৰ মাজতে বিবেচ্য। বিভিন্ন ক্ষেত্ৰত অসুবিধা আৰু দুৰ্নীতি আদিৰ কাৰণে পূৰ্ণ পৰ্য্যায়ত এই আঁচনি সমূহৰ কাম হৈ উঠা নাই। প্ৰশাসনীয় মন্ত্ৰী, বিষয়া, কৰ্মচাৰী সকল আৰু ৰাইজৰ সহযোগত উন্নয়নমূলক কাম বিলাক হৈ উঠাটো আমি আশাকৰো। তাকে নকৰি আঞ্চলিক বৈষম্য ৰাখিলে আৰু কেৱল মন্ত্ৰী আৰু নেতৃস্থানীয় লোকসকলে আঞ্চলিক বৈষম্য দূৰীকৰণৰ বক্তৃতা ৰাখিলেই কাম নহব।

আমাৰ কিছুমান ঠাই আগৰে পৰা পিচপৰা হৈ আছে, এতিয়াও পিচপৰি আছে আৰু থাকিব বুলিও ভাব হৈছে। সেই বিলাক ঠাইৰ উন্নয়নৰ সম্ভাৱনা খুব কম। সেই কাৰণে এই বৈষম্য দূৰীকৰণৰ কাৰণে মই মন্ত্ৰীমহোদয় সকলক অনুৰোধ জনাইছো। উদাহৰণস্বৰূপে এম-এন-পি ৰ অধীনত মোৰ সমষ্টিত ভাগ কৰা হৈছে পি-ডব্লিউ-ডিৰ ক্ষেত্ৰত ৪·৩০ হাজাৰ টকা এই টকা সমানে আন আন অগ্ৰসৰ সমষ্টিৰ ক্ষেত্ৰটো দিয়া হৈছে। গতিকে পিচপৰা সমষ্টিৰ বাবে সেই একে পৰিমানৰ টকা মঞ্জুৰ কৰি আন অগ্ৰসৰ এলেকাৰ সমানে কেতিয়াও আগবাঢ়িব নোৱাৰিব। উত্তৰ লক্ষীমপুৰৰ তিনিটা সমষ্টিৰ ভিতৰত মোৰ নাওবৈচা সমষ্টিয়েই আটাইতকৈ পিচপৰা। যদি এই সমষ্টিৰ কাৰণে বিশেষ ব্যৱস্থা কৰা নহয় তেতিয়া হলে ভৱিষ্যতলৈও পিচপৰিয়েই থাকিব। টকা যিখিনি দিয়া হৈছে তাকো এবছৰ দুবছৰ তিনি বছৰ কৰি কুৰি পচিশ ত্ৰিশ হাজাৰ টকাকৈ দিয়া হৈছে। একেলগে টকাখিনি দিলেও কাম কৰাত সুবিধা হয়। তাকো কৰা হোৱা নাই।

( সময়ৰ সংকেত )

সংখ্যালঘু লোক বাস কৰা অঞ্চল বিলাকৰ কাৰণে চৰকাৰী ভাৱে কোনো বিশেষ ব্যৱস্থা লোৱা হোৱা নাই। বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী মাহোদয়ৰ নেতৃত্বত উন্নয়নৰ ক্ষেত্ৰত জনসংখ্যা অনুপাতে জোৰ দিয়াৰ কথা আৰম্ভ কৰিছে আৰু তাৰ বাবে আনন্দেৰে অভিনন্দন জনাইছো। কিন্তু বহু বছৰ ধৰি চৰ অঞ্চলত বাস কৰা লোকসকলক পট্টন দিয়াৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। বিশেষকৈ গোৱালপাৰা, লক্ষীপুৰ আদি অঞ্চলত বাস কৰা লোকসকল কুৰি পচিশ বছৰৰ পৰা বাস কৰি আছে আৰু যোৱা বিপৰ্য্যয়ৰ সময়ত এই সকল লোকেই বেছি ভুগিবলগীয়া হৈছে। তেওঁ-লোকৰ বহুতেই কেম্পত আছিল।

( সময়ৰ সংকেত )

কেম্পৰ পৰা ওলাই যাতে তেওঁলোকে নিজা মাটিত বসবাস কৰিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ ৰাখি পুনৰবাৰ এই বাস্তৱমুখী বাজেট খনৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তৃতা শেষ কৰিছো ।

শ্ৰীৰুক্মিনী কান্ত ৰয় :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত উত্থাপন কৰিছে সেই বাজেটক মই সৰ্ব্বান্ত কৰণে সমৰ্থন জনাইছো আৰু আশা ৰাখিছো এবছৰৰ ভিতৰত এই বাজেটে জনগণৰ উপকাৰ সাধন কৰিব । এইখিনিতে মই বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীদাস ডাওৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো কথা প্ৰসঙ্গত তেখেতে কৈছিল যে আমাৰ ইয়াত যিটো বেকাৰ ভাট্টা দিয়া হৈছে সেইটো পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰী জ্যোতি বাবুক অনুসৰণ কৰা হৈছে । কিন্তু তেখেতক অনুসৰণ কৰা বুলি কলে ভুল হব । এইটো অনুসৰণ কৰা কথা নহয় ।

Expunged on orders from the chair.

এতিয়া মই ধুবুৰী জিলাৰ কথা কব খুজিছো । ধুবুৰী জিলাখন যে এতিয়াওঁ অনুন্নত অৱস্থাতে আছে এইটো সৰ্ব্বজনবিদিত । ধুবুৰী জিলাৰ মানুহ আজি যদি গুৱাহাটী চহৰলৈ আহে তেওঁলোকক অৱহেলাৰ চকুৰে চোৱা হয় । স্বাধীনতাৰ ৩৩ বছৰৰ পাছতো এই জিলাতে বেকাৰৰ সংখ্যা বেছি । গুৱাহাটীলৈ আহি তেওলোকে কিবা কাম কৰিলেওঁ তেওঁলোকক খেদাই পঠোৱা হয় ! ধুবুৰী জিলাখনত মুছলিম, ট্ৰাইবেল আৰু ৰাজবংশী সম্প্ৰদায়ৰ লোকেই বেছি । কিন্তু সেই মুছলমান সকল বিভিন্ন ঠাইলৈ কামৰ কাৰণে গলে তেওঁলোকক বিদেশী বুলি ধৰা হয়, বিদেশী বুলি নানা উৎপীড়নো কৰা হয় । ট্ৰাইবেল সকলো একে অৱস্থাৰ সম্মুখীন হৈছে । ধুবুৰী জিলাৰ মানুহে দাৰিদ্ৰতাৰ কাৰণে টাউনৰ মানুহৰ ওচৰত মাটিবাৰী বন্ধক দিব লগীয়া হৈছে । তাত কি ধৰণৰ উতপাৎ

চলে বন্ধুবৰ মাননীয় সদস্য শ্ৰীচিৰাজুদ্দিন চাহেবে কৈ গৈছে । ১৯৪৭ চনলৈ গোৱালপাৰা জিলাৰ ৰাজবংশী সকল বৰ্ন হিন্দুৰ লোক আছিল । ১৯৫২ চনত তেওঁলোক ওবিচি হ'ল ১৯৫৯ চনত তেওঁলোক মোৰ ওবিচি হ'ল আৰু ১৯৭৮ চনত তেওঁলোকে চিদিউল ট্ৰাইব হবলৈ দৰ্খাষ্ট কৰিছে । মই আমাৰ ৰাজ্যিক মন্ত্ৰী ৰায় প্ৰধানী ডাঙৰীয়াক কৈছো যে মানুহে উন্নতিৰ ফালে চেষ্টা কৰে আমি অৱনতিৰ ফালে চেষ্টা কৰিছো ।

সেয়ে মই কওঁ যে তেওঁলোকে এইবাৰ একেবাৰে হৰিজন হবলৈ দৰখাস্ত দিয়ক । একেবাৰে হৰিজন হৈ যাওঁক । তেতিয়া আৰু আন একো অসুবিধা নাথাকিব । নতুনকৈ কিবা হবলৈ দৰ্খাস্তও দিব নালাগিব । উপাধ্যক্ষ মহোদয়, এইয়া হব আমাৰ গোৱালপাৰা জিলাৰ অৱস্থা । এই অৱস্থা কি কাৰণে হৈছে ? এই কাৰণেই যে আমি শিক্ষাত পিচপৰা । শিক্ষাত যে গোৱালপাৰা পিচপৰি আছে এই কথা আমাৰ শিক্ষা মন্ত্ৰীয়েও এডমিট কৰিছে । ধুবুৰী এখন সদৰ ঠাই, তাতো আজিলৈকে এখন ডাঙৰ কলেজ নাই ।

মাননীয় উপাধ্যক্ষ :—আপোনাৰ সময় আৰু তিনি মিনিট ।

শ্ৰীৰুক্মিনী কান্ত ৰয় :—উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ বিত্ত মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে শিক্ষাৰ কথা নকলোৱেই বা গোৱালপাৰা জিলাত আজিলৈকে এটা ভাল উদ্যোগ নাই, ডাক্টৰখানা নাই, ডাক্টৰ নাই একো নাই । যি কেইখন শিক্ষানুষ্ঠান আছে, সিয়ো ভেন্সাৰ, এড হ'ক, প্ৰভিন্সিয়েলাইজ এনে ধৰণৰ । অন্য বিভাগত এনেধৰণৰ ভেন্সাৰ বা প্ৰভিন্সিয়েলাইজ ভাগ নাই । আমাৰ ধুবুৰী জিলাত বিশেষকৈ টি টি এম, পি, ৰ দ্বাৰা পৰিচালিত স্কুলৰ সংখ্যাই বেছি—টি টি এম পি মানে টানিটুনি মেট্ৰিক পাচ । গতিকে এওঁলোকে কি শিক্ষা দিছে অনুমান কৰক । এওঁলোকে ছাত্ৰ-ছাত্ৰী নষ্ট কৰি পেলালে । এই ভেন্সাৰ প্ৰথা–

টোৱেই উঠাই দিব লাগে। আৰু গোটেই জিলা খনতেই এই সকলো ক্ষেত্ৰতেই এটা চেঞ্জ আনিব লাগে। পৃথিবীৰ ভিতৰত ভাৰতেই অনুন্নত দেশ, অসম তাৰেই অনুন্নত প্ৰদেশ, গোৱালপাৰা ইয়াৰ অনুন্নত জিলা আৰু ইয়াৰ সদৰ ধুবুৰী, বৰ্ত্তমান জিলা আৰু অনুন্নত। গতিকে পৃথিবীৰ ভিতৰত ইয়াতকৈ অনুন্নত জিলা আৰু নাই। মই আৰু অলপ কবলগীয়া আছিল কিন্তু সময়ৰ অভাৱত কব নোৱাৰিলো। শেষত সকলোকে ধন্যবাদ জনাই বাজেট খনক সমৰ্থন কৰি সামৰণি মাৰিলো।

শ্ৰীকাৰ্ত্তিক সৰকাৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত আমাৰ বিত্ত মন্ত্ৰীয়ে যি বাজেত দাঙি ধৰিছে সচাকৈয়ে এখন ভাল বাজেটেই দাঙি ধৰিছে। বাজেটত বহুতো প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু চৰকাৰে এইবিলাক আইনত পৰিণত কৰে আৰু জনসাধাৰণৰ মঙ্গল সাধন কৰে। আগতে ভাৰত বৰ্ষত ৰজা মহাৰজা সকলৰ দিনত জমিদাৰী প্ৰথা আছিল। কিন্তু বৰ্ত্তমানে ভাৰতবৰ্ষত সভ্যতাৰ বিস্তাৰ হোৱাৰ লগে লগে জমিদাৰী প্ৰথা নাইকিয়া হৈ গৈছে আৰু নতুন নতুন আইন প্ৰনয়ণ হৈছে। আজি আমি ইয়ালৈ আহিছো জনসাধাণৰৰ মঙ্গলৰ অৰ্থে কাম কৰিবলৈ আৰু তেওঁলোকৰ অভাৱ অভিযোগ বোৰ চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ। কিন্তু সময় ইমান কম যে মনত উদয় হোৱা ভাৱবোৰ দহ মিনিটত শেষ কৰিব নোৱাৰি। আচলতে আমাৰ ভাগ্যই বেয়া। দীন দুখীয়া মানুহৰ ভাগ্যৰ দৰেই আমাৰো ভাগ্য বেয়া। আমাৰ প্ৰধান মন্ত্ৰী মহোদয়াই দুখীয়া জনসাধাৰণৰ মঙ্গলৰ কাৰণে ২০ দফীয়া আচনি প্ৰস্তুত কৰিছে। এইবিলাক যদি আমি কাৰ্য্যকৰী নকৰো তেনেহলে দুখীয়া ৰাইজৰ কোনো উপকাৰ নহব। আমি ৰাইজৰ মাজত প্ৰতিনিধি হিচাবে গন্যমান্য বুলি পৰিচয় দিব পাৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, এই দুখীয়া মানুহ খিনিৰ এতিয়া প্ৰয়োজন নাই কিন্তু নিৰ্বাচনৰ সময়ত এওঁলোকক দৰকাৰ হয়। এই দুখীয়া

মানুহ খিনিয়ে জাল মাৰি মাছ যোগান দিয়ে ডাঙৰ ডাঙৰ কোটিপতি মানুহক। চৰকাৰে আজি এইখিনি মানুহৰ কথা চিন্তা কৰিব নোৱাৰে। দুখীয়া ৰাইজৰ বাবে বহুতো আচনি লোৱা হয় কিন্তু সেইবোৰ আচনি হৈয়েই থাকে কাৰ্যকৰী কৰা নহয়। আমাৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে দিল্লীৰ সিংহাসনত বহি চিন্তা কৰিছে যে ভাৰতৰ দুখীয়া জন-সাধাৰণৰ কাৰণে চিন্তা কৰিব লাগিব তেওঁলোকৰ ৰাজনৈতিক সুবিধাৰ কাৰণে। গতিকে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট দাঙি ধৰিছে সেইখন ভাল হৈছে বুলিয়েই কওঁ।

মই আৰু এটা উদাহৰণ দিওঁ। পশ্চিমবঙ্গৰ ৰাণী ৰাজমণিৰ দিনত জমিদাৰী প্ৰথা আছিল। বৃটিচ চৰকাৰকো জমিদাৰী চলাবলৈ লাইচেন্স দিছিল। এবাৰ গঙ্গা নদীত কিছুমান মানুহে মাছ ধৰি থাকোতে বৃটিচৰ ষ্টীমাৰে জালবোৰ ফালি চিঙি পেলাইছিল তেতিয়া সেই কৈৱৰ্ত্ত মানুহ খিনি ৰাণী ৰাজমণিৰ ওচৰলৈ গৈ কলে যে বৃটিচৰ জাহাজে আমাৰ জাল ফালি পেলাইছে আৰু মাছ ধৰিবলৈ অসুবিধা কৰিছে। তাৰ কিবা এটা বিচাৰ কৰক। তেতিয়া ৰাণীয়ে প্ৰজাৰ অপমান নিজৰ অপমান বুলি ভাবিলে কাৰণ প্ৰজাখিনি তেওঁৰ মানুহ। সেয়ে তেওঁ বৃটিচৰ লাইচেন্স বন্ধ কৰি দিলে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনক জনাব খোজো যে আমাৰ চৰকাৰে অসমৰ দুখীয়া মাছ মৰীয়া সকলৰ কাৰণে কি কৰিছে? আজি যি ফালেই চাই সেই ফালেই আপোনালোকে দেখিবলৈ পাব যে যাৰ টকা আছে সেইবিলাক মানুহেহে এই সমাজত আগ স্থান পাই আছে। আজি আমাৰ মাছ মৰীয়া সকলৰ অৱস্থা এনে ধৰণৰ হৈছে তাক নিজে নেদেখিলে কোনেও উপলব্ধি কৰিব নোৱাৰে। তেওঁলোকে গোটেই ৰাতি মাছ মাৰি পিচদিনা তাক বজাৰত বিক্ৰি কৰি দুপইচা উলিয়াইছে—কিন্তু সেইখিনি কৰিবলৈ যাওঁতে তেওঁলোকে যি খৰচৰ হেচাত পৰিব লগা হৈছে তাক ভাবিব নোৱাৰে।

সেইটো হৈছে ধনী মহলদাৰৰ কৰৰ বোজা। আজি আমাৰ চৰকাৰে বহুতো আইন প্ৰনয়ন কৰিছে—কিন্তু সেই আইনৰ দ্বাৰা প্ৰকৃততে কোন উপকৃত হৈছে সেইটোও চাব লগীয়া বিষয়। উপাধ্যক্ষ মহোদয়, মই সদনত কিছুমান সঁচা কথা কোৱাৰ কাৰণে যেন মোক ক্ষমা কৰে—কিয়নো আমি সকলোৱে জনসাধাৰণৰ প্ৰতিনিধি হিচাবে ইয়ালৈ আহিছো আৰু জনসাধাৰণৰ উন্নতিৰ কাৰণে আমি সকলো ত্যাগ কৰি তেওঁলোকৰ মঙ্গলৰ কাৰণে কাম কৰি যাব লাগিব। সেইটো কৰিবলৈ যাওতে আমি যদি মৃত্যু বৰণো কৰিব লাগে তেনেহলে তাকো সাবতি লব লাগিব। গতিকে মোৰ এনেবোৰ কথাত কোনেও যেন বেয়া নাপায়।

উপাধ্যক্ষ মহোদয়, আমি যদি প্ৰকৃততে এই দুখীয়া মাছমৰীয়া সকলৰ মঙ্গলৰ কাৰণে কাম কৰিব খোজো তেনেহলে মই আগতে কোৱাৰ দৰে পশ্চিম বঙ্গত ৰাজমনী জমিদাৰে কৰাৰ দৰে আমাৰ মাছ মৰীয়া সকলকো তেওঁলোকে দিয়া কৰৰপৰা ৰেহাই দিব লাগে। তেতিয়াহে আমি প্ৰকৃত গৰীব শ্ৰেণীৰ উন্নতি সাধন কৰা হব। ইয়াৰ বাহিৰে আমি কেৱল আইন প্ৰনয়ন কৰি, বিভিন্ন ঠাইত বক্তৃতা দি ফুৰিলেই তেওঁলোকৰ উন্নতি সাধন কৰা নহব।

উপাধ্যক্ষ মহোদয়, এইখিনিতে আমাৰ মুখ্যমন্ত্ৰী মোহোদয়ো সদনলৈ আহিছে—তেওঁক মই মোৰ ব্যক্তিগত অভিনন্দন জনাইছো আৰু তেখেতৰ নেতৃত্বত যে আমি এখন সুস্থ চৰকাৰ গঠন কৰিব পাৰিছো তাৰ কাৰণেও সকলোৱে তেখেতক ধন্যবাদ দিয়াৰ যোগ্য। আমি যি পৰিস্থিতিৰ মাজেৰে আহি এই চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছো তেনে এটা সময়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই গুৰুভাৰ বলন কৰি তেখেতৰ কৃতিত্বৰ পৰিচয় দিছে। এইখিনিতে মই আমাৰ বিৰোধী সদস্য সকলকো এটা কথা কৈ থওঁ যেন তেখেতসকলেও এই চৰকাৰৰ তেখেত-সকলৰ পূৰ্ণ সমৰ্থন আগ বঢ়াই আমি যিবোৰ প্ৰতিশ্ৰুতি আৰু প্ৰচাৰ পত্ৰিকাৰ মাধ্যমেৰে জনসাধাৰণৰ সমৰ্থন লাভ কৰিছিলো সেইবোৰ যদি আমি এই চৰকাৰৰ দিনতেই কাৰ্যত ৰূপায়িত কৰিব নোৱাৰো তেনেহলে

আমি জনসাধাৰণক ফাকি দিয়া হব আৰু কোনো দিনেই তেওঁলোকৰ সমৰ্থন লাভ কৰিব নোৱাৰিম ।

উপাধ্যক্ষ মহোদয়, এইবাৰ বিধান সভালৈ নিৰ্ব্বাচিত হৈ অহাৰ পিচত মোক 'ফিচাৰি ডেভেলপমেণ্ট'ৰ চেয়াৰমেন পাতিলে । তেতিয়া মোৰ নিজৰ মনতে মই এজন ষ্টেট মিনিষ্টাৰ হোৱা যেন লাগিছিল । কিন্তু মই যেতিয়া তাৰ ভিতৰলৈ সোমাই পৰিলো তেতিয়াহে আচল অৱস্থাটো বুজিবলৈ চেষ্টা কৰিলো । আজি আমাৰ 'ফিচাৰী ডেভেলপমেণ্ট কৰ্পৰেচন' আছে, 'ফিচফেড আছে আৰু আছে তাৰ লগতে এটা 'ফিচাৰী ডিৰেক্টৰেট । কিন্তু মই দেখিবলৈ পাইছো যে ফিচাৰী কো-অপাৰেটিভৰ কিছুমান এক্ট আছে কিন্তু তাত কোনো ৰুল নাই । গতিকে এটা অনুষ্ঠান যদি ৰুল নোহোৱাকৈ চলিবলগা হয় তেনেহলে সেইটো কেনে ধৰণৰ কথা । গতিকে আমি এইবোৰৰ সংশোধন কৰিব লাগিব 'যাতে প্ৰকৃত লোকে এইবোৰৰ পৰা সুবিধা পাই । এই বিষয়ে যোৱা কালি আমাৰ এজন সদস্য শ্ৰীপ্ৰসাদ দলৈদেৱেও গোৱালপাৰা জিলাত চাৰিখন ডাঙৰ ফিচাৰিৰ কথা উল্লেখ কৰিছে । মই নিজেও তালৈ গৈছো আৰু সেই কেইটা দেখিছো । কিন্তু সেই ফিচাৰী কেইটাৰ যি ধৰণে উন্নতি সাধন কৰিব লাগিছিল আৰু তাৰ পৰা আমি যিমান মানুহক সুবিধা দিব লাগিছিল সেইটো কৰিব পৰা নাই । মাননীয় সদস্য সকলে হয়তো মোৰ কথাবোৰৰ কাৰণে আমনি পাব পাৰে—কিয়নো মই বাৰে বাৰে কেৱল 'চিডোল কাষ্টৰ' লোক সকলৰ কাৰণেহে কৈ আছো । কিন্তু এইবোৰ কথা নকলে মই পাপ কৰা হব—জানি শুনি কেতিয়াও ভুল কৰিব নোৱাৰি । মই নিজে এই বিভাগৰ এটা বিষয় বাব লৈ থকাৰ কাৰণেই এইবোৰ কথা আপোনালোকৰ আগত ডাঙি ধৰিব লগা হৈছে আৰু ইয়াকে নকৰিলে মই তেওঁলোকৰেই এজন সদস্য হিচাবে এইবোৰৰ বদনাম লব লাগিব ।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা আপোনাৰ আগত ডাঙি ধৰিব খুজিছো । সেইটো হৈছে জলসিঞ্চন বিভাগৰ কথা ।

মোৰ নিজা সমষ্টি মঙ্গলদৈত আজি কেইমাহমান আগতে কোনো স্কীম নোহোৱাকৈ তাৰ ইঞ্জিনিয়াৰ জনক ৩০ লাখ টকা দিয়া হয়। সেই টকাবোৰ কোনোফালে খৰচ কৰিব নোৱাৰি জলসিঞ্চন বিভাগৰ অফিচৰ চৌহদত থকা ৰাস্তা কেইটাত কিছুমান জোং থকা শিল চতিয়াই দিলে। অৱশ্যে সেই কামখিনি কৰোতে কিমান টকা প্ৰকৃততে খৰচ কৰা হল সেইটো মই নাজানো। কিন্তু তাৰে পিচত মই তালৈ যাওঁতে তাৰ মানুহে মোক লগ ধৰি কলে যে—মহাশয়, আপোনালোকে চৰকাৰ কৰিছে ৰাইজৰ উপকাৰ কৰিবৰ কাৰণে। কিন্তু এইবাৰ জলসিঞ্চন বিভাগৰ জৰিয়তে যিটো কাম কৰিলে তাৰ ফলত ওচৰেৰে যোৱা ৰাস্তা কেইটাৰে মানুহ অহা-যোৱা কৰিব নোৱাৰা কৰিলে। আপোনালোকে যদি এনে কাম কৰিয়েই ৰাইজৰ উপকাৰ কৰিব খুজিছে তেতিয়াহলে আৰু কিছুদিনৰ পিচত ৰাইজৰ কি অৱস্থা হব সেইটো ভাবিব নোৱাৰি। ইয়াৰ পিচত মই খবৰ কৰিলো যে সেইটো কি স্কীমৰ টকা আছিল আৰু কেনে ধৰণৰ কাম হব লাগিছিল। কিন্তু মই খবৰ কৰি জানিব পাৰিলো যে সেই ৩০ লাখ টকা হেনো ইতিমধ্যে উন্নয়নৰ নামত খৰচ কৰা হৈ গৈছে। ইমান যে আচৰিত ঘটনা—১/৪/৮৩ তাৰিখৰ পৰা আৰম্ভ কৰি ২২/৫/৮৩ তাৰিখৰ ভিতৰতে এই টকাখিনি অকল সেইটো কামটেই খৰচ কৰা হৈ গল—সেইটোহে বিচাৰ কৰিব লগীয়া বিষয়।

Mr. Deputy Speaker : The House stands adjourned till 2/30 p.m.

The House reassembled after lunch at 2-30 P.M. with Deputy Speaker on the Chair.

মাননীয় উপাধ্যক্ষ :— মাননীয় সদস্য সকলক প্ৰত্যেককে ৬ মিনিটকৈ

কবলৈ অনুৰোধ কৰা হৈছে। এতিয়া আমাৰ মাননীয় সদস্য শ্ৰীউপেন সনাতন ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিছো।

শ্ৰীউপেন্দ্ৰ নাথ সনাতন ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মোক আমাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়াই ৬ মিনিট কবলৈ কোৱাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। কথাটো এনেকুৱা হৈছে যে, 'কোনোক দেখি ৰান্ধে বাচে, কোনোক দেখি চুৱাৰ বান্ধে'। মোৰ ক্ষেত্ৰটো থিক কথাটো তেনেকুৱাই হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে অমাৰ দেশৰ সকলো দুখীয়া-দৰিদ্ৰ মানুহক সামৰি লৈ যিখন বাজেট উত্থাপন কৰিছে তাৰ কাৰণে তেখেতক মই অশেষ ধন্যবাদ জনাইছো। কিন্তু এটা কথা আমি দেখা পাইছো যে, তেখেতে আমাৰ মজদুৰৰ বিভিন্ন অভাৱ অভিযোগ আদি তাত সন্নিবিষ্ট কৰিবলৈ পাহৰিলে যেন পাইছো। মজদুৰৰ ল'ৰা ছোৱালী বিলাকৰ শিক্ষা-চিকিৎসা আদিৰ কাৰণে তেখেতৰ বাজেটত বিশেষ কোনো আচনি লোৱা আমি দেখা নাপালো। আমি জনাত টাউন আৰু কিছুমান গাঁৱৰ লৰাছোৱালী বিলাকক বেবি ফুড আদি দিয়া হয় কিন্তু আমাৰ বাগান বিলাকত কাম কৰা যি বিলাক মজদুৰ আছে সেই বিলাক মজদুৰৰ লৰা-ছোৱালী বিলাকক সেই বিলাক দিয়া নহয়। চিকিৎসাৰ ক্ষেত্ৰটো যি বিলাক হস্পিটাল আদি আছে সেই বিলাক ১০/১২ মাইল মান আতৰত অৱস্থিত হোৱাৰ কাৰণে তালৈ অহা যোৱা কৰি চিকিৎসাৰ সা-সুবিধা আদি লোৱা বৰ মস্কিল কথা। গতিকে এনেবিলাক বৈষম্যমূলক নীতি যাতে বাগানৰ লোকসকলৰ ক্ষেত্ৰত থাকিব নোৱাৰে তাৰ কাৰণে আমাৰ চৰকাৰৰ ওচৰত অনুৰোধ কৰিছো। আমি এই বাজেটত চৰকাৰৰ ফালৰ পৰা যথেষ্ট আশা কৰিছিলো যে, এই বাজেটত মজদুৰৰ কাৰণে যথেষ্ট খিনি থাকিব যাৰ দ্বাৰা আমাৰ দুখীয়া দৰিদ্ৰ লোকসকলৰ যথেষ্ট সা-সুবিধা হব।

আমাৰ যি এটা টি কৰ্পৰেশ্বন কৰা হৈছে তাৰ তলত ৩০ হেজাৰতকৈও বেছি মজদুৰ আছে। এই সকলৰ কাৰণে দিবলগীয়া সা-সুবিধা যেনে, দৰ্মহাপাতি, জি, পি, এফ, ঘৰ-দুৱাৰ, চিকিৎসা-পাতি, লৰা-ছোৱালীৰ শিক্ষাকে আদিকৰি যথেষ্ট কথা সোমাই আছে। এই কথা বিলাক যদি সমাধান কৰিব নোৱাৰি তেতিয়াহলে, অচিৰেই ইয়াৰ কাৰণে এটা আন্দোলনমুখী পৰিস্থিতিৰো সৃষ্টি হব পাৰে। বৰ্ডৰ মেনেজমেণ্ট ভাল নোহোৱাৰ কাৰণে যি বিলাক সমস্যাৰ সৃষ্টি হৈছে সেই বিলাক সচাকৈয়ে বৰ দুৰ্ভাগ্যৰ বিষয়। বৰ্ডৰ মেনেজমেণ্ট যদি ভাল নহয় তেতিয়া হলে, সেই বৰ্ড ভাঙিও দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াৰ পিছত কওঁ যে, আমাৰ বাগান বিলাকৰ চাৰিওফালে কিছুমান চুলাই মদৰ কাৰখানা গঢ়ি উঠিছে। মহল চেটেলমেণ্ট দিয়াৰ ঠাইত চুলাই মদৰ উদ্যোগ গঢ়ি উঠিছে। চুলাই মদ খাই মানুহ পাগল হৈ গৈছে। একো গিলাচ চুলাই মদ খালে কাকো চিনি নোপোৱা হয়। এই চুলাই মদ কৰ পৰা বনায় তাৰ এটা ইতিহাস আছে। দোকান বিলাকে লালি, গুড় সংগ্ৰহ কৰি ৰাখে। দোকান বিলাকত একোখন চাইন বৰ্ড দিয়া থাকে যে, এই বিলাক পশুৰ খাদ্য। এই দোকান বিলাকৰ পৰা লালি গুড় নিয়েই চুলাই মদ বনায় আৰু তাকেই খাই মানুহ বিলাক পশুৰ নিছিনা হৈ গৈছে। কোনেও কাকো চিনি নেপায়, পৰস্পৰে পৰস্পৰে কাজিয়া পেচাল আদি কৰি থাকে। মহল এক্সাইজ বিভাগৰ ফালৰ পৰা দিবলগীয়া হলে তাৰ কাৰণে চৰকাৰে ৰাজহ পালে হেতেন কিন্তু তাকে নকৰি একশ্ৰেণীৰ বিভাগীয় কৰ্মচাৰীয়ে ব্যক্তিগত চুক্তি কৰি মাহে ২০০/৩০০ বা উপাৰ্জন বেছি হলে এহেজাৰ/দুহেজাৰ টকা তলে তলে মাহে মাহে পাই থাকে। এই বিলাক ঘটনা যাতে ঘটিব নোৱাৰে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ব্যবস্থা লব লাগে। তাকে কৰিব নোৱাৰিলে আমাৰ মজদুৰ ভাই সকল একেবাৰেই সৰ্ব্বস্বান্ত হৈ যাব। চুলাই মদৰ কাৰবাৰৰ ওপৰিও

বাগানৰ মজদুৰ বিলাকক অধিক সুদত টকা ধাৰে দি মানুহ বিলাকক কাটিল কৰি দিছে। টকা ধাৰলৈ দি সুদ আদায় কৰি থাকে। মূল-ধনটো ফিৰাই দিবলৈ গলেও সেই মূলধনৰ টকাটো নলয় আৰু সুদটোকে দি থাকিবলৈ কয়। যদি কোনোবাই সুদ দিব নোৱাৰে তেতিয়া হলে, যেতিয়া মজদুৰ জন ৰিটায়াৰ কৰিব তেতিয়া সুদে মূলে মজদুৰৰ জি, পি, এফ, গ্ৰেটুইটি আদিৰ দ্বাৰা আদায় কৰি লয়। ফলত মজদুৰ জনৰ আৰু একোৱেই নেথাকেগৈ । গতিকে এই চুলাই মদ আৰু টকা ধাৰে দিয়া ব্যৱস্থা দুটা যদি মজদুৰৰ সমাজৰ পৰা আতৰ কৰিব নোৱাৰি তেতিয়া হলে, তেওঁলোকৰ কল্যাণ সাধন কৰিব নোৱাৰিব।

অধ্যক্ষ মহোদয়, আমাৰ বাগান বিলাকত যি টকা দিয়াৰ কথা চিন্তা কৰিছে, সেই টকা বিলাক দিলেও মদৰ মহলদাৰ সকলে যিবিলাকক টকা ধাৰে দিয়ে সেইসকলৰ মাজত গুচি যাব। ইয়াৰ পৰা মানুহৰ কোনো লাভ নহয়। আজি দেখা গৈছে ১০০ টকা বা ৫০ টকা ধাৰ দি সুদ লোৱা মানুহ ওলাইছে আনকি মজদুৰ সকলে অৱসৰ লোৱাৰ পিচত প্ৰভিদেণ্ট ফান্দৰ টকা ৫ হাজাৰ বা ৭ হাজাৰ পায়, সেই টকাও সুদখোৰ মহাজন আহি লৈ যায়। ফলত ৰাইজে একো ফল নাপায়। টকা ধাৰে দিলে কিমান সুদ দিয়া হব এইটো আমাৰ বিত্তমন্ত্ৰী মহোদয়ে এটা ব্যৱস্থা কৰি দিব লাগে। নহলে আমাৰ দুখীয়া ৰাইজৰ অৱস্থা অতি শোচনীয় হব। মই এইখিনিতে এটা কথা কবলৈ বিচাৰিছো যে, গ্ৰহৰ ভিতৰত অষ্ট গ্ৰহ, মাহৰ ভিতৰত আগষ্ট, দেশ বান বিধস্ত আৰু ৰাইজৰ দৰ্খাস্ত। এই সকলো কথাই একেই হৈছে। ৰাইজে আজি দৰ্খাস্ত দিলে কামো নহয় বা তাৰ কোনো উত্তৰো নাপায়। দৰ্খাস্ত জিলা পৰ্যায়ত দিলেও তাতে পৰি থাকে অৰ্থাৎ দৰ্খাস্ত যতে দিয়ে তাতে পৰি থাকে। গতিকে ইয়াৰ এটা ব্যৱস্থা সোনকালে কৰিব লাগে। আজি চাহ বাগান বিলাকত যিমান চেটেলমেণ্ট হৈছে, অৱসৰ পাইছে, টকা পইচা পাইছে সেই বিলাক জোৰ জুলুম কৰি সুদখোৰ মহাজন

বিলাকে লৈ গৈছে। এতিয়া দেখা গৈছে যে, দেশ কাবুলীৰ প্ৰভাৱ বিদেশীত কৰি বেছি হৈছে। গতিকে চৰকাৰে আইন কৰি ধাৰ দিলে কাবুলিৰ প্ৰভাৱ বিদেশীত কৰি বেছি হৈছে। গতিকে চৰকাৰে আইন কৰি ধৰি দিলে কিমান টকা ধাৰ দিব আৰু সুদ কিমান হব তাৰ ব্যৱস্থা কৰি দিব লাগে। ইয়াৰ পিচত মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে আৰু আমি শুনিবলৈ পাইছিলো যে, আমাৰ লেবাৰ বিলাকৰ বাবে এটা ডাইৰক্টৰেট হব যিটোৰ দ্বাৰা আমাৰ ৰাইজৰ সুবিধা হব। এই ডাইৰেক্টৰেট হব বুলি আমি দুবছৰৰ আগৰ পৰা শুনি আছো। কাগজ লিখি লিখি ফাইলত কাগজ লেতেৰা হৈ গল। আজি চিদিউল কাষ্ট আৰু চিদিউল ট্ৰাইবৰ মানুহ বিলাকে নানা ধৰণৰ সা-সুবিধা পায়, আৰু এই বিলাক সা-সুবিধা কাক কেনেকৈ দিব লাগে এইবিলাক কথা ডাইৰক্টৰেট বিলাকে নিৰ্ণয় কৰিব। আজি আমাৰ লেবাৰৰ ক্ষেত্ৰত এইবিলাক চাবলৈ কোনো নাই। এই ডাইৰক্টৰেট কত হৈছে তাৰ পাট্টাই নাই। আজি মাদল বাজি আছে, তাল নাই। লেবাৰ মিনিষ্টাৰক সুধাত তেখেতৰ জবৰ উঠিল এতিয়াও তেখেত নাই পলাইছে। গতিকে মই আমাৰ বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে যেতিয়া কথাটো ওলালেই অতি সোনকালে এটা লেবাৰ ডাইৰক্টৰেট কৰি দিব লাগে। এইটো কৰা হলে আমাৰ চাহ বাগানৰ মানুহ বিলাকৰ এটা উপকাৰ কৰা হলহেতেন। আজি আমাৰ শিক্ষা, কলা-কৃষ্টি আদি একো নাই বুটিছে আনি বাগানত সোমাই দিলে আৰু তেতিয়াৰ পৰাই তাতে থাকি গলো, যেনেকৈ গৰু বিলাক পাওন্দত দিলে গিৰহঁত নোযোৱালৈকে গৰু তাতেই থাকি যায় সেইদৰে আমিও তাতে আছো। কোনো ৰাষ্টা পোৱাৰ কোনো উপায় নাই। আমাৰ আজি একো নাই, গতিকে আমাকো যে এদিন ফৰেনাৰ বুলি নকব তাৰো কোনো মানে নাই। আজি নগালেণ্ড বেলেগ হৈ গল, খাচিয়া পাহাৰ বেলেগ হৈ গল, গতিকে এই লেবাৰ সকলো এদিন আতৰি যাবলৈ বাধ্য হব।

মাননীয় উপাধ্যক্ষ ঃ— আপুনি বহক

শ্ৰীউপেন্দ্ৰ নাথ সনাতন ঃ— মই কথাৰ পাতনিহে মেলিছো। আচল কথাই কোৱা হোৱা নাই। মই হেদ লাইনবোৰহে গাই গৈছো। আজি দেখা গৈছে আইন কানুন কতো নাইকীয়া হল। যাৰ যত যি ইচ্ছা তাকে কৰি আছে। আজি বজাৰ বিলাক চাহবাগানত দিছে সেই বিলাকৰ পৰা গুন্দামী কৰি টকা আদায় কৰিছে। এই বিষয়ে দৃষ্টি দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

সেই কাৰনে কৈছো বিভাগীয় মন্ত্ৰীক কলে নুশুনে মাইকত কলেহে শুনিব। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে সোনকালে ইয়াৰ ব্যৱস্থা লব লাগে। এই বজাৰ বিলাকত সেইবিলাক কাৰণতে মাৰপিত আনকি হত্যাকাণ্ড পৰ্য্যন্ত হৈ গৈছে। পুলিচ তালৈ নাযায়। (সময়ৰ সংকেট) মোৰ বহুত কথা কব লগা আছে উপাধ্যক্ষ মহোদয় মোক বহিবলৈ নকব।

মাননীয় উপাধ্যক্ষ ঃ— আৰু বহুত সদস্যই কব লগা আছে, আপুনি বহক।

শ্ৰীউপেন্দ্ৰ নাথ সনাতন ঃ— গতিকে বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট আনিছে তাক মই সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো আৰু লগতে উপাধ্যক্ষ মহোদয়ে ৬ মিনিটৰ ঠাইত মোক ১০ মিনিট কব দিয়া বাবে তেখেতক ধন্যবাদ জনাই মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীমহম্মদ আলি ঃ— উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে সদনত যি ঘাটি বাজেট উত্থাপন কৰিছে সেই ঘাটি কেনেকৈ কমাব পাৰি মোৰ ধাৰখিনিহে ব্যক্ত কৰিব খুজিছো। সময়ৰ কাৰণে নিশ্চয় অসুবিধা হব। প্ৰথম কথা ঘাটি কেনেকৈ কমাব পাৰি তাত মোৰ যি ধাৰণা সেইখিনি কব বিছাৰিছো। অসমখন প্ৰকৃততে এখন প্ৰগতিশীল শান্তিপ্ৰিয় দেশ আছিল কিন্তু তাত

আজি অশান্তিয়ে বিৰাজ কৰিছে আৰু সেয়ে শান্তিৰ প্ৰয়োজন। অসমত আজিও অশান্তি চলি আছে আৰু সেই অশান্তিৰ কাৰণ হ'ল আমাৰ পমুৱা মুছলমান যিখিনি আছে সেইখিনিক লৈ। এই পমুৱা মুছলমান খিনিক লৈ যি সমস্যা হৈছে সেই সমস্যাৰ সমাধান নহলে শান্তিয়ে বিৰাজ নকৰে। এই পমুৱা মুছলমান সকল ব্ৰহ্মপুত্ৰৰ বুকুত চৰ অঞ্চলত বাস কৰে। এই চৰ বিলাক বছৰে বছৰে ভাঙে আৰু তেতিয়া তেওঁলোক অন্য এখন চৰলৈ যায়। আৰু তাতগৈ তেওঁলোকে নাম পঞ্জিয়ন কৰে। এখন চৰৰ পৰা আনখন চৰলৈ যাওঁতে কেইজনমান ইখন চৰত থাকি গ'লেওঁ এজনে গৈ আনখন চৰত গোটেই পৰিয়ালটোৰে নাম পঞ্জিয়ন কৰে আৰু পঞ্চায়ত কৰ্ম্মচাৰী সকলে পইছা পাতি সংগ্ৰহ কৰি এওঁলোকৰ নাম দুয়ো ঠাইতে ভোটাৰ লিষ্টত ভৰায়। এজনে গৈ আনখন চৰত নাম ভৰ্ত্তিকৰণ কৰাৰ গুৰিতে তেওঁলোকে ধৰি লয় যে যিহেতু আনখন চৰ খহাই আছে সেইখন ভাঙিবই। এইদৰে চৰভাঙি থাকে আৰু তেওঁলোকেও ইখন চৰৰ পৰা আনখন চৰলৈ গৈ গৈ ধুবুৰীৰে পৰা ভাঙি ভাঙি উত্তৰ লক্ষীমপুৰ পাইছেগৈ আৰু তেনেকৈ একেখন চৰৰ মানুহৰ নাম কেইবাখনো চৰত পঞ্চায়তৰ লিষ্টত উঠিছে। গোটেই অসমত চৰুৱা অঞ্চলৰ লোকৰ সংখ্যা হৈছে ২৫ লাখ আৰু এতিয়া তাৰ হিচাব হৈছে গৈ ৩৫ লাখ বুলি। বিভিন্ন ঠাইত এওঁলোকে নাম লিখ'ৰ কাৰণে এই অৱস্থা হৈছে। আৰু এই লোক সকলেই বিদেশী বুলি আন্দোলনকাৰী সকলে স্পষ্টভাৱে কৈছে আৰু তাৰ কৰণেই আন্দোলন কৰা কাৰণে অসমত অশান্তিয়ে বিৰাজ কৰিছে। গতিকে এই পমুৱা সকলৰ সমস্যা সমাধান কৰিবই লাগিব। তেওঁলোকে যিবিলাক ঠাইত বাস কৰে সেই-বিলাক হৈছে ননকেদেষ্ট্ৰিয়েল লেণ্ড আৰু তাৰ কোনো জৰীপ হোৱা নাই। তেওঁলোকে খাজনাও দিব নালাগে আৰু পট্টাও দিয়া নহয়। গতিকে এজনে ৫০০ বিঘা খেতি কৰিলেও তাৰপৰা কোনো ৰাজহ বা টেক্স চৰকাৰে নাপায়। গতিকে এই মাটি বিলাক জৰীপ কৰিব লাগে আৰু পট্টা

দিয়াৰ ব্যৱস্থা কৰিব লাগে তেতিয়া চৰকাৰৰ ঘৰলৈ ৰাজহ আহিব আৰু ৰাজহৰ পৰিমাণ বাঢ়িব। আমি দেখিছো ভাৰতবৰ্ষৰ বহুকেইখন ৰাজ্যত পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন একেজন মন্ত্ৰীৰ লগতে থাকে। ভাৰত স্বাধীন হোৱাৰ পৰাই ৰুৰেল পঞ্চায়ত হৈছে আৰু তাৰ লগত চিদি লগ লাগি পঞ্চায়ত এণ্ড চিদি হৈছে। কিন্তু আজি আমি দেখিছো কমিউনিটি দেভেলপমেণ্ট, ৰুৰেল দেভেলপমেণ্ট ট্ৰাইবেল দেভেলপমেণ্ট চিদিউল কাষ্ট দেভেলপমেণ্ট বেলেগ বেলেগ হৈছে কিন্তু এই বিলাক আগতে মহকুমা পৰ্যায়ত পঞ্চায়ত বিভাগেই চাইছিল আৰু ভাল কামো হৈছিল। এতিয়া এচ'চিটিদি আৰদি চিদি ৰুবা হল যদিও আজিও মহকুমা পৰ্যায়ত তেওঁলোকৰ কোনো সংগঠণ নাই সকলো বিলাক পঞ্চায়তেই কৰে। মাত্ৰ ইয়াৰ দ্বাৰা এষ্টাব্লিচমেণ্ট কষ্ট বঢ়োৱা হৈছে আৰু চৰকাৰৰ ধন খৰছ কৰা হৈছে। সেই কাৰণে মই আহ্বান জনাইছো ৰুৰেল দেভেলপমেণ্ট আৰু কমিউনিটি দেভেলপমেণ্ট বা পঞ্চায়ত একেজন মন্ত্ৰীৰ অধীনতে ৰাখি কাম বিলাক কো ৰিলেচন কৰক তেতিয়া কামবিলাক পৰিপাতি হব ৰাইজৰ উপকাৰ হব আৰু চৰকাৰৰ ধন ৰাহি হব। মহাৰাষ্ট্ৰৰ নিচিনা এখন দেশত পঞ্চায়ত আৰু ৰুৰেল দেভেলপমেণ্ট একেজন মন্ত্ৰীৰ তলত আছে। সেইকাৰণে কৈছো একেজনৰ অধীনতে থাকিলে পঞ্চায়তৰ কৰ্ম্মৰ দ্বাৰাই ৰুৰেল দেভেলপমেণ্ট কামো কৰিব পাৰিব। ( সময়ৰ সংকেট )

ইয়াৰ পাচত আমাৰ যিটো বান নিয়ন্ত্ৰন বিভাগ আছে সেইটো বান নিয়ন্ত্ৰন নুবুলি নদী নিয়ন্ত্ৰন বুলিব লাগে। আমাৰ অসমত মাত্ৰ ২-৩ মাহৰ কাৰণে বানপানী হয় আৰু খৰছৰ মাত্ৰাও বেছি হয়। বৰ্ত্তমানৰ যি বানপানী নিয়ন্ত্ৰনৰ ব্যৱস্থা আছে তাৰ কিছু সলনি কৰিব লাগে, ব্ৰহ্মপুত্ৰ বা তাৰ ট্ৰিবুটাৰী বিলাকক বেলেগ ধৰণে নিয়ন্ত্ৰন কৰি সেই পানী যাতে খেতি, বিজুলি, জলসিঞ্চন আদিত ব্যৱহাৰ কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে আৰু বিভাগটোৰ নাম নদী নিয়ন্ত্ৰন হব লাগে।

ইয়াৰ পিচত মই এটা কথা কব খুজিছো সেইটো হৈছে মিউনিচিপালিটি সংক্ৰান্তত। এই মিউনিচিপালেটি বিলাকৰ অৱস্থা বৰ বেয়া। মই যিথন চহৰত থাকো অৰ্থাৎ গোৱালপাৰা চহৰৰ কথা কৈছো তাত আজিলৈকে কোনো উন্নতি নেদেখিলো। অন্ততঃ এই বিভাগত কিছু ধন বেছিকৈ ধৰি হলেও উন্নতিৰ কিছু ব্যৱস্থা কৰিব লাগে। তাৰ পিচত আমাৰ যিটো পুনৰসংস্থাপন বিভাগ আছে সেই বিভাগটোৱে বহুত টকাৰ অপচয় কৰিছে। যিবিলাক ঠাইত ঘৰ পুৰিছে বেলেগ কথা কিন্তু য'ত ঘৰ পুৰা নাই তাতো ঘৰ পুৰা বাবে, গৰু কিনা বাবে সাহায্য পাইছে। উদাহৰনস্বৰূপে ৰামহৰি চৰত ঘৰ পুৰা নাই কিন্তু তাত বহুতে গৰু কিনা কাৰনে সাহায্য পাইছে। এই অপচয় বিলাক ইচ্ছা কৰিলেই কমাব পাৰে কিন্তু সেই চেষ্টা কৰা হোৱা নাই। ( সময়ৰ সংকেট )

মই আৰু এটা কথা বিছাৰিছো সেইটো হৈছে জলসিঞ্চনৰ বিষয়ে। এই জলসিঞ্চন বিভাগৰ কোনো আইন নোহোৱাৰ কাৰনে বেমেজালি হৈছে। আমৰ গোৱালপাৰা জিলাত জলসিঞ্চন ডিভিজনত ২৪০ জনক চাকৰী দিয়া হৈছিল এতিয়া তেওঁলোকক চাকৰীৰ পৰা খেদাই দিয়া হৈছে। আনহাতে এই বিভাগত অযথা টকা অপচয় হৈ আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগত ১৯৭৯ চনতে কিছুমান টিউবৱেল দিয়া কথা আছিল কিন্তু আজিলৈ সেই টিউবৱেলবিলাক বহুওৱা নহ'ল। অথচ এই বিভাগ পাৰ্টচ কিনাত সিদ্ধহস্ত। পাৰ্টচ কিনি আছে আৰু ষ্টোৰত ভাৰাই আছে কিন্তু দমকল হলে আজিলৈ বহাব পৰা নাই ফলত আজি গাওঁৰ ৰাইজে পানীৰ কাৰণে হাহাকাৰ কৰিব লগা হৈছে। ( পুনৰ সময়ৰ সংকেট )

কুৰিদফীয়া আচনিৰ ভিতৰত ৯ নং যিটো বিষয় তাক আজিও ইপ্লিমেণ্ট কৰা হোৱা নাই। এই বিষয়টো আছিল মাটিহীনক বা গৃহহীনক গৃহ বা মাটি দিয়া। একোখন জিলাত ইয়াৰ কোনো আভাষেই পৰা নাই। আমাৰ গোৱালপাৰা জিলাৰ উপায়ুক্তৰ পৰা ৰিপোৰ্ট বিছৰা হ'ল তেখেতে ১৯৮১-৮২ চনৰ প্ৰগ্ৰেছ নিল দেখুৱাইছে ৮৩ কিছু প্ৰগ্ৰেছ

হৈছে বুলি কৈছে। গতিকে এইটো এটা জৰুৰী বিষয় ইয়াত ইম্প্লিমেণ্ট কৰাৰ চেষ্টা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, উত্তৰ শালমাৰাত হেড কোৱাৰ্টাৰলৈ ৰাইজৰ মাজত অসন্তুষ্টিয়ে দেখা দিয়ে। এই অসন্তুষ্টিৰ কাৰণে তেওঁলোকে এটা ডেপুটেচনো দিছে। মই ভাবো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ শাল-মাৰাত হেডকোৱাৰ্টাৰ কৰা সম্পৰ্কে বিবেচনা কৰিব। ইয়াৰ পিচত মই আৰু এটা কথা কওঁ। গোৱালপাৰা চহৰত খোৱা পানীৰ যোগান সম্পৰ্কে। গোৱালপাৰা চহৰৰ হুলুকাকন্দা পাহাৰত পানী জমা কৰি খোৱাপানী বিতৰণ কৰাৰ এটা আচনি বহুত দিন আগতেই আছিল। কিন্তু এতিয়ালৈকে কাৰ্য্যকৰী হোৱা নাই। এই সম্পৰ্কে বিভাগীয় মন্ত্ৰী মহোদয়ে ব্যয় ব্যৱস্থা লব বুলি আশা ৰাখিছো।

( সময়ৰ সংকেত )

উপাধ্যক্ষ মহোদয়, মই মাত্ৰ আধা মিনিট সময় কম। মোৰ এক সময়ৰ বক্তৃতাৰ প্ৰতিবাদ কৰি এজন বয়োবৃদ্ধ আৰু অভিজ্ঞ মন্ত্ৰীয়ে কৈছিল যে গ্ৰামসেৱক সকল গাওঁলৈ যায় নে নাযায় বিধায়ক সকলে নাজানিব পাৰে কিন্তু ৰাইজে দেখে। মই ইয়াৰ প্ৰত্যাহ্বান জনাই এটা কথা কব বিচাৰো যে কৃষি বিভাগৰ অধীনত কৃষ্ণাই যি এখন ফাৰ্ম আছে সেই ফাৰ্মখন ১৯৬০ চনত যি অৱস্থাত আছিল এতিয়া সেই অৱস্থাত নাই বুলি যদি কব পাৰে তেনেহলে মই তেওঁৰ ঘৰত চিৰ দিন গোলামী খাটিম। লগতে কৃষ্ণাইত ৰাজহুৱা সভা পাতি যদি শতকৰা ১০ জন খেতিয়কৰ পৰা যদি এই কথা আদায় কৰিব পাৰে যে গ্ৰাম সেৱা সকল গাওঁলৈ যায়, তেতিয়াহলে মই তেওঁৰ অনুগত দাস হৈ থাকিম। এইধৰণৰ উক্তি এজন মাননীয় মন্ত্ৰী মহোদয়ে কৰাত বৰ দুখ পাইছো।

( সময়ৰ সংকেট )

মই আশা কৰো এই উক্তি সম্পৰ্কে তেওঁ নিশ্চয় বিবেচনা কৰিব। কাৰণ

আমি নতুনকৈ আহিছো, শিকিবলগীয়া বহুত আছে। তেওঁলোক পুৰণি মানুহ। গতিকে এইখিনিকে কৈ তেওঁক প্ৰত্যাহ্বান জনোৱাৰ লগতে বাজেট খনৰ সমৰ্থন জনাই বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰামসেৱক সকলক আজি কালি ডায়েৰী লিখিবলৈ কৈছো। আমি তেওঁলোকক বাধ্য কৰাইছো সপ্তাহত চাৰিদিন গাওঁলৈ যাবলৈ আৰু কাক কাক লগ পালে তেওঁৰ নাম লিখি আনিবলৈ। আৰু সেই হিচাবে তেওঁলোকে লিখি আনি দিয়ে। এই ক্ষেত্ৰত যিকোনো গ্ৰামসেৱকক লগ কৰিলেই গম পাব।

শ্ৰীডানেশ আলী :— এইটো অকল কাগজতেই হয়, বাস্তৱ ক্ষেত্ৰত নহয়।

শ্ৰীনেপাল চন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয় ১৯৮৩-৮৪ ইং র জন্য যে বাজেট উত্থাপন করেছেন আমি তা সমর্থন করে কিছু বক্তব্য রাখছি। বিরোধী দলের মাননীয় সদস্যগণ ঘাটতি বাজেটের প্রতি কটাক্ষ করে অনেক সমালোচনা করেছেন। মহোদয় সমালোচনা করা সহজ কিন্তু একথা সত্য যে যে দলই সরকার পরিচালনা করক না কেন কিছু ত্রুটি বিচ্যুতি থাকা স্বাভাবিক। কিন্তু দুঃখের কথা হলো যে তারা এমন সমালোচনা করেন না যাতে সরকারের ভুল ভ্রান্তি আঙুল দিয়ে দেখাতে পারেন। তাদের সমালোচনা দেশের জনসাধারণকে বিপথে চালিত করে।

মহোদয়, ঘাটতি বাজেট থাকার কতগুলি কারন আছে। কিন্তু সুষ্ঠভাবে সরকার পরিচালিত করলে ঘাটতি পূরণ করা সম্ভব। ঘাটতি পূরণ করার যথেষ্ট রাস্তা আছে। এই বিষয়ে আমি কিছু পরমর্শ তুলে ধরব।

প্রথমতঃ আমি যে নির্বাচন চক্র থেকে নির্বাচিত হয়ে এসেছি সেখানে বার বার বন্যা হয় এবং এর ফলে সেখানকার জনসাধারনের যে করুণ অবস্থা হয় আমি সে কথাবলব। কিছুদিন আগের ঘটনা। বেশ কয়েক-জন মন্ত্রী নিজের চোখে দেখেও এসেছেন এই করুণ দৃশ্য। তার মধ্যে রাজস্বমন্ত্রী, কৃষিমন্ত্রী, পি ডব্লিও ডি মন্ত্রী এবং অন্যান্য মন্ত্রী মহোদয় গণও ছিলেন। আমি নিজেও দেখেছি। তাঁরা হয়ত হেলিকেপ্টারে ঘুরে দেখেছেন। আমি হেটে হেটে দেখেছি সেই করুণ দৃশ্য। মহোদয়, তাদের যে পরিমাণ রিলিফের প্রয়োজন তার চার ভাগের এক ভাগ রিলিফ সেখানে যাচ্ছে। কাজেই সরকারের কাছে অনুরোধ করব যাতে অন্ততঃ এক বেলা খেয়ে তারা বাঁচতে পারে সেইমত রিলিফ দেওয়ার ব্যবস্থা করবেন। মহোদয়, এই বন্যার ফলে অনেক বাড়ী-ঘর ভেসে গিয়েছে, অনেক গবাদি পশু ভেসে গিয়েছে, অনেক রোগের সৃষ্টি হয়েছে। কিন্তু তাদের জন্য কোন ব্যবস্থা নাই। আমি যে দিন এসেছি সেদিন আমাদের ডি সি'র নিকট থেকে খবর পেলাম যে মাত্র ঔষধ নিয়ে পৌছেছে। কিন্তু আজ একটা ডক্তার নাই যে চিকিৎসা করবে গরু মহিষকে বাঁচাবে। জালালপুর পি এইচ ছি' তে গিয়েছিলাম। দেখলাম যে এমন কি একটা সালফাকুয়াইডিন পর্যন্ত নাই। যে ঔষধ অত্যন্ত এবং সহজলভ্য সেই ঔষধটি পর্যন্ত সেখানে নাই। কাজেই আমি স্বাস্থ্য মন্ত্রী মহোদয়ের এই ব্যাপারে দৃষ্টি আকর্ষণ করছি যাতে তার যথাযথ ব্যবস্থা গ্রহণ করেন।

উপাধ্যক্ষ মহোদয়, এই বন্যার ফলে বরো চাষীদের বিশেষ ক্ষতি হয়েছে। তারপর ২ বার বন্যায় আউস, শাইল যা ছিল তা একেবারে নষ্ট হয়ে গেছে। এই ব্যাপরে আমি আগের দিন ডি সির সঙ্গে আলাপ করেছিলাম যাতে এইসব অঞ্চলে মাথাপিছু যেন রেশন দেওবার ব্যবস্থা করা হয়। কিন্তু ডি সি বললেন যে তাঁর কাছে যে ষ্টক্ আছে এতে রেশনের মাত্রা আর বাড়ানো সম্ভব নয়। তাই আমি এই ব্যাপারে

মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি। মহোদয়, এই বন্যায় আমার কাটিগড়া সমষ্টির সবচেয়ে বেশী ক্ষতি হয়েছে। আশাকরি সরকার সেই অঞ্চলের জনসাধারনের দুঃখ দুর্দ্দশা দূর করবেন। মহোদয় আমি বেশী সময় নেব না।

তারপর হলো, বন্যার পর কি হবে? কারণ কৃষকরা শালি ধান না পেলে একমাত্র রবিশষ্যর উপর নির্ভর করে। কাজেই কৃষি মন্ত্রী মহোদয়কে অনুরোধ করব যারা শালি ধান করতে পারবে না তাদের জন্য রবিশষ্য ফলন করার জন্য যেন যথেষ্ট সাহায্য দেওয়া হয়। রবিশষ্য করতে পারলে হয়ত তারা অন্ততঃ প্রাণে বেঁচে যেতে পারবে।

মহোদয়, আমি বন্যা নিয়ন্ত্রন বিভাগের উপর কিছু বলব। আমার অঞ্চলে বন্যায় বিধ্বাস্ত হওয়ার কারন হলো স্থরমা নদীর উপর যে বাঁধ হয়েছে তা অর্ধেক হয়েছে। আর অর্ধেক বাঁধ হয়েছে ধলেশ্বরী নদীর পারে। কতবার এই ব্যাপারে বলা স্বত্বেও আজ পর্যন্ত এর কোনও ব্যবস্থা হয়নি। তাই বন্যা নিয়ন্ত্রন বিভাগের মন্ত্রী মহোদয়ের প্রতি আমার যে কাটিগড়া সমষ্টিতে যে স্কীম নেওয়া হয়েছে তা যেন তাড়াতাড়ি রুপায়ন করা হয়।

( সময় সংকেত )

মহোদয়, ইরিগেশন বিভাগ সম্পর্কে কয়েকটি কথা বলেই আমার বক্তব্য শেষ করবো। মাননীয় সদস্য একজন বলেছেন যে এম এন পি,র আওতায় যেন ইরিগেশন স্কীম আনা হয়। আমি একথা সমর্থন করি। পি ডবলিও ডি বিভাগে যে ভাবে এম এন পি স্কীম নেওয়া হয়—ইরিগেশন বিভাগেও যেন এই ব্যবস্থা গ্রহণ করা হয়। এই ব্যাপারে ব্যবস্থা নেওয়ার জন্য আমি জলসিঞ্চন বিভাগের মন্ত্রী মহোদয়ের দৃষ্টি অকর্ষণ করে আমি আমার বক্তব্য শেষ করছি।

মাননীয় উপাধ্যক্ষ :— এতিয়া মাননীয় সদস্য জনাব বরকটউল্লাই কব।

শ্ৰীবৰকট উল্লাহ ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মাননীয় বিত্তমন্ত্ৰী মহোদয় ডাঙৰীয়াই অসম চৰকাৰৰ হৈ আজি এই পবিত্ৰ সদনত যিখন বাজেট আনিছে তাক মই পূৰ্ণ সমৰ্থন কৰি দুষাৰমান কবলৈ আগবাঢ়িছো। তেখেতে এই বাজেটখনৰ জৰিয়তে অসম চৰকাৰৰ ভৰালৰ পৰা যিখিনি টকা উলিয়াই দিবলৈ বিচাৰিছে সেইখিনি টকা উলিয়াই দিয়াত আমাৰ কোনো আপত্তি নাই। কিন্তু এটা কথা চাব লগীয়া যে টকা উলিয়াই দিলেই নহব যদি তাৰ সদ্ব্যৱহাৰ নহয়। আৰু সেই কাৰণেই মই এটা কথা অনুৰোধ কৰিছো যাতে যিখিনি টকা ভৰালৰ পৰা উলিয়াই দিবলৈ এই বাজেটখন আনিছে সেইখিনি টকা যাতে সদ্ব্যৱহাৰ হয় তাৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে। এই ক্ষেত্ৰত মই এটা কথা কবলৈ বিচাৰিছো যে শিক্ষা বিভাগত তেখেতে যিখিনি টকা ভৰালৰ পৰা উলিয়াই দিবলৈ বিচাৰিছে সেইখিনি যাতে সদ্ব্যৱহাৰ হয় তাৰ প্ৰতি মই বিশেষ লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিলো। কাৰণ শিক্ষাই জাতিৰ মেৰুদণ্ড স্বৰূপ। আজি আমাৰ দেশ স্বাধীন হোৱাৰ ৩৬ বছৰ হ'ল। কিন্তু শিক্ষাৰ মূল নীতিটোৰ কোনো পৰিবৰ্ত্তন নহল। এইখিনিতেই মই এটা কথা কব বিচাৰিছো যে আমাৰ হাতত যথেষ্ট অভিযোগ আহি পৰিছে আৰু বহুতেই ৰাইজৰ ফালৰ পৰা লগ ধৰি আমাৰ ওচৰত অভিযোগ উত্থাপন কৰিছে। ইতিমধ্যে পাবলিকৰ অভিযোগ মতে দেখা যায় যে শিক্ষা বিভাগটো এটা দুৰ্নীতিৰ ভৰ হৈ পৰিছে। কাৰণ এনেকুৱা চুড়ান্ত প্ৰমাণ বা ৰাজহুৱা অভিযোগো আমাৰ হাতত আছে যে মন্ত্ৰী মহোদয় বা এম, এল, এ আৰু ওপৰৰ পৰা যোৱা পিটিচন ফাইলৰ লগত কানেকটেদ মানুহ যদি ফাইলৰ লগতে নাযায় তেতিয়া হলে সেই ফাইল মোভ নোহোৱাকৈ পৰি থাকে আৰু মানুহ যোৱাৰ লগে লগে ফাইল মোভ হয়। আৰু এনেকুৱাও অভিযোগ আহিছে যে মন্ত্ৰী ডাঙৰ নে কেৰাণী ডাঙৰ নে ডি, পি, আই ডাঙৰ নে কেৰাণী ডাঙৰ আৰু এম, এল, এ ডাঙৰ নে কেৰাণী ডাঙৰ। এম, এল, এ লিখি দিলেই কামতো কৰিম নে

এনে ধৰণৰ প্ৰশ্নও কৰা আমি অভিযোগ পাইছো। আমি সকলোৰে জানো যে শিক্ষাই জাতিৰ মেৰুদণ্ড স্বৰূপ। এই গোটেইখিনি মানুহ এল, পি স্কুলৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়লৈকে এই শিক্ষা বিভাগত কাম কৰা সকলোখিনি মানুহক এই কেৰাণী বিলাকে ঘূৰাই ফুৰাতো কম লজ্জাজনক কথা নহয়। এইটো অপ্ৰিয় হলেও সত্য মই শিক্ষামন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব বিচাৰিছো শিক্ষাৰ ক্ষেত্ৰত আমি পৰিবৰ্ত্তন সাধিবই লাগিব। নহলে আৰু পাবলিকে কিমান জীয়াতু ভুগিব লাগিব। গতিকে মই অনুৰোধ কৰিছো মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়ে অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ প্ৰত্যেকৰে চেন্টিমেণ্ট আছে। হাইস্কুলৰ শিক্ষক, অধ্যাপক সকল এই সকল এম, এ, এম, এচ, চি উচ্চ শিক্ষিত লোকক কেৰাণীৰ পিচতযে ঘূৰাই ফুৰাব সেইটো কিমান লজ্জাৰ কথা হৈছে—"আনলেচ দি হোল এদমিনিষ্টেচন ট্ৰাকচাৰ ইজ চেঞ্জ"— এই ব্যৱস্থা নললে নহব। মই সেই কাৰণেই কৈছো যে জনসাধাৰণ এই বিভাগৰ দুৰ্নীতিৰ কাৰণে অধৈৰ্য্য হৈ পৰিছে। যদি শিক্ষা বিভাগৰ পৰা এই দুৰ্নীতি আতৰাব পাৰে তেতিয়াহলে যিখিনি টকা বাজেটত ভৰালৰ পৰা উলিয়াই দিয়াৰ কৰেণে বিচাৰিছে সেইখিনি দিয়াত আপত্তি নেথাকিব কিয়নো তেতিয়াহে এই টকাখিনি সৎ কামত লাগিব আৰু এটা কথা মই কব বিচাৰিছো মীন বিভাগ। সচাকৈয়ে এই বিভাগটো কিছুমান অভিযোগ আমাৰ হাতত আহি আছে। আমাৰ হাতত ৩/৪ টা প্ৰমাণো আছে। ফিচাৰী ডেভেলপমেণ্ট কৰ্পোৰেচন যদিও হল কিন্তু সেই উদ্দেশ্যত সম্পূৰ্ণ খিনি কাম নহল। আৰু গোটেইখিনি পাৰাৰ হস্তান্তৰ কৰ্পোৰেচনলৈ কৰা নহল। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰক দোষ দিব নোৱাৰি কাৰণ ইণ্ডিয়ান ফিচাৰীৰ ৰুলত চৰকাৰে ডাইৰেক্ট চেটেলমেণ্ট দিয়াৰ প্ৰভিজন ৰাখিছে। এই ক্ষেত্ৰত মই এটা স্পষ্ট উদাহৰণ দিব বিচাৰিছো যে উত্তৰ লক্ষীমপুৰত যিথন বৰালীমাৰী ফিচাৰী আছে তাৰ বৰালীমাৰী

সমিতিখন ৰেজিষ্টাৰ হৈ গৈছে আৰু তাৰ অপাৰেচন অব এৰিয়া হব লাগে নৰ্থ লক্ষীমপুৰ জিলা। ইয়াৰ এৰিয়া অব অপাৰেচন যদিও লক্ষীমপুৰ হব লাগিছিল কিন্তু যিহেতু যোৰহাটত ৰেজিষ্ট্ৰেচন হোৱা কাৰণে এতিয়া লক্ষীমপুৰতো অপাৰেচন কৰিব পৰা হোৱা নাই। গতিকে এই ক্ষেত্ৰত দিফলটাৰ হ'ল। এই ক্ষেত্ৰত এটা জুৰিচদিকচন থকাটো উচিত। সেই কেচটো হাইকোৰ্টলৈ গল। তাত ষ্টে অৰ্ডাৰ হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আমি কোনো 'ল' ভায়লেট কৰি কাম কৰিব নোৱাৰো। 'ল' আমি নিজে বান্ধিছো কিন্তু ভাঙিব নোৱাৰো। 'ল' তৈয়াৰ কৰি সেই বুলি আৰবিট্ৰেৰিলি 'ল' ব্যৱহাৰ কৰিব নোৱাৰো মই দৃষ্টি আকৰ্ষণ কৰিছো কিহৰ ওপৰত ভিত্তি কৰি এই ফিচাৰি চেটেলমেণ্ট দিবলগা হল সেই বিষয়ে যেন সদনত জনায়। সময় নিচেই কম। আৰু এটা কথা মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো সেইটো হ'ল ষ্টেট ইলেকষ্ট্ৰিচিটি বোৰ্ড। এই বিভাগটোৰ ওপৰতো মানুহ ফেদ আপ হৈ গৈছে। সঁচা কথা ইলেকট্ৰিচিটি বোৰ্ডটো এটা স্বকীয়া, চৰকাৰে এই বিভাগতো কণ্ট্ৰোল কৰিবলৈ চৰকাৰৰ কি অলপো ক্ষমতা নাই নেকি ? যদি নাইয়েই আমাৰ ফালৰ পৰা টকা উলিয়াই দিয়াত আমাৰ আপত্তি আছে। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো আমি টকা দিয়াৰ পিচত যদি এই বোৰ্ডে চৰকাৰৰ অবাধ্য হৈ পৰে তেতিয়াহলে ইয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে ইয়াৰ ওপৰত ডিপাৰ্টমেণ্টৰ কণ্ট্ৰোল থাকিব লাগে। সময় নিচেই কম। মোৰ বহুত কবলগীয়া আছিল যদিও ইয়াতে শেষ কৰি বাজেটখনক পূৰ্ণ সমৰ্থন জনাই সামৰণি মাৰিলো।

শ্ৰীমোহন বসুমতাৰী :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা বাজেট খন সমৰ্থন কৰি দুষাৰ কবলৈ বিচাৰিছো। ইতিমধ্যে বিভিন্ন সমষ্টিৰ পৰা মাননীয় বিধায়ক সকলে, বিভিন্ন বিভাগৰ প্ৰাৰ্থী সকলে বাজেটৰ ওপৰত বহু ধৰণৰ আলোচনা বিলোচনা কৰিছে।

সেইক্ষেত্ৰত মই মাত্ৰ দুটা বিভাগৰ কথা কবলৈ বিচাৰিছো। প্ৰথমটো হৈছে বন বিভাগ। এই বিভাগৰ বিষয়া সকলে চৰকাৰী ধন আৰু বনাঞ্চল ধংস কৰিব খুজিছে। মোৰ সমষ্টিত ২ খন ৰেঞ্জ আছে। সেই ৰেঞ্জ ২ খন সামাজিক বনানীকৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে কিন্তু আনফালে অৰণ্যৰ বহুমূলীয়া কাঠ কাটি চোৰাং ভাবে বিক্ৰি কৰিব ধৰিছে। যোৱা কেইমাহমান আগতে মোৰ সমষ্টিত যাওতে দেখিছিলো যে তাত আমাৰ ৰেঞ্জৰ বিষয়াই কিছুমান মূল্যবান কাঠৰ টুকুৰা চৰকাৰৰ হাম্বাৰ মাৰাৰ লগতে কিছুমান চুৰি কাঠো ট্ৰাকত বোজাই দি বাহিৰলৈ পঠাই দিছে। সেই ধৰণে বন বিভাগৰ কিছুমান বিষয়াই চৰকাৰী বনাঞ্চল নষ্ট কৰি আছে। মই বন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যাতে এইবিলাকৰ প্ৰতি অলপ চকু ৰাখে। দ্বিতীয়তে আমাৰ বাননিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াক উন্নুকিয়াব বিচাৰিছো যে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই কেইদিন-মান আগৰ পৰা মোৰ পলাশবাৰী সমষ্টিৰ মণ্ডলপাৰা নামৰ ঠাইত বিশেষ ভাবে ক্ষতিগ্ৰস্ত কৰি দুখীয়া ৰাইজৰ বিশেষ ক্ষতি সাধন কৰিছে। ৰাইজৰ অতিকৈ কষ্ট হৈছে। বহুতে নিজৰ ঘৰ-বাৰী, সা-সম্পতি নদীৰ মাজত এৰি দিবলগীয়া হৈছে।

বানপানীৰ সোঁত প্ৰতিৰোধ কৰিবৰ কাৰণে ধাৰ্য্য কৰি দিয়া টকা বিলাক কিছুমান বিষয়াই আত্মসাৎ কৰাৰ কিছুমান প্ৰমাণ বিভাগীয় মন্ত্ৰী মহোদয়ক অবগত কৰাইছিলো। কিন্তু বৰ দুখৰ বিষয় যে যিবিলাক বিষয়াক তাত নিযুক্তি দিয়া হৈছে আৰু যিবিলাক বিষয়াৰ দ্বাৰা বাননিয়ন্ত্ৰণৰ কাম কৰি থাকিবলৈ দিয়া হৈছে সেইসকল বিষয়াই নানান কৌশল অবলম্বন কৰি সেইবিলাক জাগাতে থাকি টকা আত্মসাৎ কৰাৰ পথ সুগম কৰি লৈছে। তাৰ প্ৰমাণ স্বৰূপে দেখুৱাব পাৰি যে ব্ৰহ্মপুত্ৰৰ সোঁতক বাধা দিবৰ কাৰণে পাৰকোপাইন দিয়াৰ ক্ষেত্ৰত যিখিনি কৰিছে সেইখিনি যথেষ্ট নহয়। কিছুমান বাহ কিনি পাৰকোপাইন তৈয়াৰ কৰি তাত যিভাবে গধুৰ শিল দিব লাগে সেইভাবে নিদি কোনোমতে দি

পেলাই হাত সাৰিবলৈ বিছৰা দেখ গৈছে। তাত গধুৰ শিল নিদিয়াৰ কাৰণে সেইবিলাক উঠি গৈছে। তাকে আকৌ হাজিৰা মানুহৰ দ্বাৰা ভৰাই পাৰকোপাইনৰ নামত বিল দি নতুনকৈ টকা ঘটাৰ প্ৰচেষ্টা চলিছে। মই যোৱাবাৰ সংশ্লিষ্ট বিভাগৰ উচ্চ পদস্থ বিষয়া যেনে এচ, ই, আদিক মোৰ লগত তালৈ যাবলৈ অনুৰোধ কৰিছিলো। কিন্তু মোৰ লগত এজন একজিকিউটিভ ইঞ্জিনাৰ পঠাই দিলে। তাত গৈ যিটো দেখিলো তলতীয়া বিষয়া সকলোৱেও গঢ়াখহনীয়াৰ নামত টকা আত্মসাৎ কৰাৰ খেল্লা খেলিছে। আমাৰ দিয়া পৰামৰ্শলৈ সিমান গুৰুত্ব নিদিলে। এই গোটেইখিনি কথাই মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰাই-ছিলো। ইয়াৰ পিছতো বহুতো টকা বিভাগৰ জৰিয়তে তেখেতসকলক দিয়া হৈ গৈছে। যিসকল তলতীয়া অফিচাৰ আছে তেওঁবিলাকেও ১৮ বছৰৰ তলৰ লৰাছোৱালীৰ নামতো লাখ লাখ টকা জমা কৰি ৰাখিছে। এইধৰণে যাতে চৰকাৰী টকা আত্মসাৎ হব নোৱাৰে তাৰ কাৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শিক্ষাৰ ক্ষেত্ৰত কওঁ যে এই ক্ষেত্ৰত কি কাৰণে দুৰ্নীতি হৈছে এইটো কাৰো অজানা নহয়। এই ক্ষেত্ৰত মাননীয় সদস্য সকলে নানা ধৰণৰ আলোচনা বিলোচনা কৰিছে আৰু পৰামৰ্শও আগ বঢ়াইছে। তাৰ লগতে মইও অনুৰোধ কৰিব খুজিছো যে শিক্ষা বিভাগত চলি থকা এই দুৰ্নীতি কিদৰে বন্ধ কৰিব পাৰি তালৈ লক্ষ কৰা উচিত। আজি আমি দেখিছো যে এই পবিত্ৰ সদনলৈ মাননীয় সদস্যসকল ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছে।

(বেল দিয়ে)

মাননীয় অধ্যক্ষ মহোদয়, মই বহলাই কব খোজা নাই। সময়ও কম। গতিকে কেইটামান কথাতে মই মোৰ বক্তব্য আবদ্ধ ৰাখিম। আজি যিসকল মাননীয় সদস্যই এই বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে,

সেই সকল বিধায়কৰ সমষ্টিবিলাকত বিভিন্ন বিভাগত বিভিন্ন বিষয়াই কাম কৰি আছে। আজি সেইসকল বিষয়াক এইকাৰণেই সমালোচনা কৰিব লগা হৈছে যে তেওঁলোকে যিভাবে নিজক কৰ্ত্তব্য সম্পাদন কৰিব লাগিছিল সেইদৰে কৰিব পৰা নাই। সেইকাৰণে মাননীয় সদস্য সকলে আপত্তি কৰিছে। সেই কাৰণে মই আবেদন কৰিব বিচাৰিছো যে বিভাগীয় মন্ত্ৰী সকলে মাননীয় সদস্যসকলৰ এই কথাবিলাক গুৰুত্ব সহ-কাৰে শুনিব লাগে আৰু তাৰ যথাবিহিত ব্যৱস্থাও কৰিব লাগে যাতে চৰকাৰী ধন এইদৰে আত্মসাৎ কৰিব নোৱাৰে। তাকে কৰিব নোৱাৰিলে এই পবিত্ৰ সদনত আমি বহি থকাৰ কোনো মূল্য নাথাকিব। সেই কাৰণে মই অনু-ৰোধ কৰিব খুজিছো যে বিভিন্ন শিতানত টকাবিলাক ভাগ কৰি দিয়াৰ পিছতো সেই টকা বিলাকৰ যাতে সদ ব্যৱহাৰ হয় তাৰ প্ৰতিও নজৰ ৰাখিব লাগে। ইয়াৰ লগতে আৰু এটা কথা মই নিবেদন কৰিব খুজিছো যে আলোচনাৰ মাজেৰে বহু ধৰণৰ সমালোচনা কৰা দেখা যায়। এই কথাবিলাক শুনিবৰ কাৰণে বিভাগীয় মাননীয় মন্ত্ৰীসকল ইয়াত উপস্থিত থাকিব লাগে। যোৱাবাৰো মাৰ্চমাহত বিভিন্ন শিতানত টকা পাইচা বন্টন কৰা হৈছিল। টকা বন্টন কৰা সেই বিভাগ বিলাকৰ কামকাজৰ ওপৰত অসন্তুষ্ট হৈ বিভিন্ন মাননীয় সদস্য সকল সমালোচনা মুখৰ হোৱা দেখা গৈছে। গতিকে যাতে এইটো হব নোৱাৰে তাৰ কাৰণে দায়িত্বত থকা সকলে গুৰুত্ব সহকাৰে কাম কৰিব লাগে। তেতিয়া হলে আৰু ভবিষ্যতে কেতিয়াও সমালোচনা নহব। আজি যিসকল বিভাগীয় মাননীয় মন্ত্ৰী মহোদয় সকলক তেখেতসকলৰ বিভাগৰ কামকাজৰ কাৰণে সমালোচনা কৰিব লগা হৈছে তেখেত সকলো সদনৰ অন্যান্য মাননীয় সদস্যৰ নিচিনাকৈ একোএকোটা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছে। গতিকে তেখেত সকলক অন্য এজন সদস্যই সমালোচনা কৰিব লগা হোৱাটো বৰ দুৰ্ভাগ্যৰ কথা। সেয়েহে পুনৰ আৰু যাতে তেনে আলো-চনা বিলোচনা হব নোৱাৰে তাৰ কাৰণে বিভিন্ন শিতানৰ ধাৰ্য্য কৰা

টকা বিলাক যাতে সুচাৰুৰূপে খৰছ হয় তাৰ কাৰণে চকু ৰাখিব লাগে। এইখিনিকে কৈ সদৌ শেষত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে উত্থাপন কৰা বাজেটখন সমৰ্থন কৰিছো আৰু ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীআমিৰ হামছাহ তলুকদাৰ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যিখন বাজেট উত্থাপন কৰিছে তাৰ সমৰ্থনত মইও দুষাৰ কবলৈ থিয় দিছো। আজি চাৰিদিন ধৰি এই বাজেটৰ ওপৰত বিতৰ্ক চলি আছে। এই সন্দৰ্ভত মোৰো যথেষ্ট বক্তব্য আছিল। কিন্তু সময়ৰ অভাবত সেই সকলোখিনি ব্যক্ত কৰিব নোৱাৰিম যেন পাইছোঁ। হলেও সংক্ষেপে মই কেইটামান কথা কবলৈ আগ বাঢ়িছোঁ। মহান নেত্ৰী ইন্দিৰা গান্ধীৰ আদৰ্শত উদ্বুদ্ধ হৈ অসমত শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত গঢ়ি উঠা কংগ্ৰেছী চৰকাৰে প্ৰশাসনিক গাঠনিত কেইটামান গুৰুত্বপূৰ্ণ আচঁনি গ্ৰহণ কৰিলে।

চৰকাৰে বিভিন্ন শিতানত বিশেষকৈ কৃষক বৃদ্ধ বৃদ্ধা সকলক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। এইটো ৰাইজৰ বাবে মঙ্গলজনক কথা চিন্তা কৰা হৈছে।

শিক্ষা বিভাগৰ বহুত কথা বহুতে কৈছে। মই কিন্তু দুৰ্নীতিৰ কথা নকওঁ। মাদ্ৰাছা স্কুলৰ পাৰমিশ্যনৰ কথা অলপ কওঁ। পাৰমিশ্যন বিচাৰি টেবুলে টেবুলে ঘূৰি ফুৰিব লগা হয়। ছেক্ৰেটাৰীৰ পৰা ডি, পি, আইলৈকে বিছাৰি যাব লগা হয়। ইয়াৰ বাবে ৰাইজে বৰ দুখ পায় আৰু আমাৰ আগত আপত্তি দিয়ে। গতিকে মই শিক্ষা মন্ত্ৰী মহোদয়ক জনাওঁযে মাদ্ৰাছা স্কুলৰ পাৰমিশ্যন পোৱাৰ কাৰণে ৰাইজে যাতে এনে-ধৰণৰ কষ্ট পাব লগা নহয় আৰু আমিও মন্ত্ৰী মহোদয়ক আমনি কৰিব লগা নহয়। তাৰ বাবে যেন খৰতকীয়া ভাবে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হয়।

এই খিনিতে মই আন এটা কথা দাঙি ধৰিব বিছাৰিছোঁ। সেইটো হৈছে মাদ্ৰাছা শিক্ষাৰ এটা পদ মোকো দিছে। সেইটো হৈছে চেয়াৰ-মেনৰ পদ। মই দেখিছো যে এই বৰ্ডখনৰ একো কাম নাই। যদি একো কাম নাথাকে তেন্তে ই নাম মাত্ৰ হে হৈ থাকিব। মাজে মাজে এই বৰ্ডৰ মিটিং বহে আৰু আচঁনি লয় কিন্তু কাৰ্যকৰী নহয়। গতিকে মাদ্ৰাছা পঢ়া সকলৰ উপকাৰত অহাকৈ এই বৰ্ড গঠণ কৰিব লাগে। শিক্ষা মন্ত্ৰী মহোদয়লৈ মোৰ এইটো অনুৰোধ। লোন সম্পৰ্কে মই কব বিচাৰিছো। আমাৰ যি বিলাক মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে বা চৰকাৰৰ হাতত আছে সেই মাটিবিলাক ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত যি বিলাক মানুহৰ মাটি গৈছে ব্ৰহ্মপুত্ৰৰ নল-নদত পৰি নাইকীয়া হৈছে সেই মানুহ বিলাকৰ মাজত ভগাই দিয়াৰ ব্যবস্থা কৰিব লাগে। মোৰ বৰপেটা জিলাত তেনে বহুত মানুহ আছে। এনে দুখীয়া মানুহক মাটি খিনি বিলাই দিলে এহাতে চৰকাৰৰ হাতত কিমান মাটি আছে সেইটো ওলাই পৰিব আৰু আনহাতে দুখীয়া মানুহ খিনিয়ে মাটি পাব। মই ভাবোঁ এনে কৰিলে গৰীৱ মানুহৰ উপকাৰ কৰা হব। মই এটা উদাহৰণ দিব খুজিছোঁ, মোৰ সমষ্টি পাকাখুন্দা নামৰ ঠাইত এটা ৰিজাৰ্ভ আছে তাত বহুত মানুহে বেদখল কৰি ঘৰ বাৰী সাজি বসতি কৰিছে। সেই মানুহখিনিক তাতে পুণৰ সংস্থাপন দিলে উপকাৰ হব বুলি ভাবোঁ।

জলসিঞ্চন বিভাগৰ ভুল এটা মোৰ ধৰা পৰিছে, সেইটো হৈছে সৰুক্ষেত্ৰী সমষ্টিৰ পশ্চিম বেটবাৰীৰ এলেকাত এখন কালাজাৰ স্কীম কৰা হৈছে। মই জনাত তাত এনে কোনো স্কীম নাই।

লিষ্ট—ইৰিগেশ্যন আছে তাত ২.৬৮ লাখ টকা খৰচ হৈছে। আচলতে কামত এক টকাও খৰচ হোৱা নাই। এইটোৰ এটা তদন্ত হব লাগে আৰু কাম হাতত লব লাগে। ইয়াকে আশা কৰি বাজেটৰ ওপৰত পূৰ্ণসমৰ্থন জনাই সামৰণি মাৰিলো।

শ্ৰীমিৰ অব্দুল হালিম :— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী

ডাঙৰীয়া আৰু মোৰ লগৰীয়া সদস্য প্ৰতিনিধি বন্ধু সকল। মই এইবাৰ নতুনকৈ আহিছো, সদনৰ বিশেষ একো আও-ভাও পোৱা নাই। তথাপি যোৱা কেইদিনত মোৰ কিছু অভিজ্ঞতা হৈছে। মই বিশেষ নকওঁ। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ যিবিলাক বানী আছে তাতে শিক্ষা বিভাগ, স্বাস্থ্য বিভাগ আদি কৰি সকলো বিভাগৰে কথা সোমাইছে। আমি নিজে যদি সত্য নহওঁ তেন্তে আমাৰ দেশখন কেতিয়াও সত্য হব নোৱাৰে। আমি যদি নিজে শুদ্ধ নহওঁ তেন্তে আমাৰ কাৰিকৰ বিলাকো শুদ্ধ নহয়। কাৰণ এটা টকাৰ যদি চাৰি ভাগ কৰি লোৱা হয় তেন্তে আমাৰ হাতত শূন্য হে থাকিব। সেই হিচাবে আমাৰ অফিচাৰ সকলে সদায় যদি বৰালী মাছ ধৰাৰ তালতে থাকে তেন্তে কাম ক'ত হব? এজন ছশ টকীয় কেৰাণীয়ে যদি বিল্ডিং সাজিব পাৰে তেন্তে দুহেজাৰ টকীয়া জনে কি কৰিব নোৱাৰে?

(জনতা চৰকাৰে কৰি থৈ গল—ধ্বনী)

জনতা চৰকাৰে কৰিলে নে আই কংগ্ৰেছ চৰকাৰে কৰিলে মই সেইটো কবলৈ নেযাওঁ। কোনো প্ৰকাৰৰ দূৰ্নীতি ৰোধ কৰিবৰ বাবে আমাৰ দেশত চোৰাং-চোৱা বিভাগ আছে। কিন্তু আমাৰ মানুহে চোৰাং-চোৱা বুলিলেই ভয় খায়। ৰাজহ বিভাগৰ কথা মই বিশেষ ভাবে উল্লেখ কৰিব খুজিছো। মই নিজে এডোখৰ মাটি ৰেজিষ্টাৰ কৰিবলৈ কাচাৰীলৈ গৈছিলো। দলিলখন দি মাতিব মাতিব বুলি বহি আছো, চাৰিটা বাজি গ'ল মোক মতা নাই। এনেতে এজন মহৰী আহি মোক কলেহি তুমি অত ঠাই ফুৰিছা আৰু অত কথা শিকিছা এইটো কথা নাজানা? এইবুলি এটা এনভেলেপ কিনি আনি মোৰ হাতত দি কলে, টকা পাছোটা ইয়াতে ভৰাই দিয়া।

( Mr. Speaker occupied the Chair while Mr. Deputy Speaker vacated )

Mr. Speaker :— Hon. member should address the Chair and need not make any conversation.

কোনোবাই যদি কিবা কয়, তেন্তে তাৰ উত্তৰটো মোৰ জৰিয়তেহে দিব লাগে।

শ্ৰীমিৰ আব্দুল হামিদ :— মাননীয় অধ্যক্ষ মহোদয়, মই সেই টকাটো দি নদীৰ পাৰত থিয় দি থাকিলো। হাকিম অহাৰ লগে লগে তেওঁৰ হাতত এনভেলেপটো দি পিছে পিছে দৌৰিবলৈ ধৰিলো। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে বাজেটত যিমানেই টকা নধৰক কিয় দুৰ্নীতি যদি দূৰ কৰা নহয় তেন্তে সকলো টকা বিল্ডিঙতেই যাব। গতিকে, এইবিলাকৰ প্ৰতি যদি চকু নিদিয়ে তেন্তে আমাৰ দেশখন যিমানেই আগুৱাই নেযাওক আমি সদায় পিছ পৰি থাকিম। আজি ইয়াত চিভিল অফিচাৰ বহি আছে তেওঁলোকে মোৰ কথাখিনি শুনি আছে, কিবা ভুল-ভ্ৰান্তি হলে মোক মাফ কৰিব।

এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহেম প্ৰকাশ নাৰায়ণ :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা চাৰি দিন ধৰি বাজেটৰ ওপৰ আলোচনা কৰিছে আৰু আজি প্ৰায় আলোচনা শেষ হবৰ সময় হৈছে। মই শেষ অৱস্থাত বাজেটখন সমৰ্থন কৰি ডুষাৰমান কৰ বিচাৰিছো। বাজেটত এশ কোটিতকৈ অধিক টকা ঘাটি হোৱা সত্বেও কোনো নতুন কৰ কাটলৰ ব্যৱস্থা নকৰি বিত্ত মন্ত্ৰীয়ে বাজেট দাঙি ধৰাৰ মাজদি ৰাইজৰ প্ৰতি থকা আন্তৰিকতাৰ পৰিচয় দিছে। সেই কাৰণে বাজেটখন সমৰ্থন কৰাৰ অবকাশ আছে। বাজেট-

খন সমৰ্থন কৰি কিছু বক্তব্য ৰখাৰ প্ৰয়োজন বোধ কৰিছিলো। কিন্তু সময়ৰ অভাৱত কৰলৈ সুবিধা নাপালো। এখন বাজেট ৰাহি হবলৈ হলে সম্পদ সংগ্ৰহ কৰিব লাগিব আৰু সম্পদ সৃষ্টি কৰিব লাগিব। কিন্তু সম্পদ সংগ্ৰহ বা সৃষ্টি কৰিবৰ কাৰণে বিজ্ঞান সন্মতভাবে ব্যৱস্থা কৰা নাই বুলি ভাবো। সম্পদ সৃষ্টি কৰিবলৈ হলে কৃষিৰ ক্ষেত্ৰকে লব লাগিব। কাৰণ দেশৰ শতকৰা ৮০ ভাগ নাগৰিক কৃষিৰ লগত জৰিত আছে। এই ক্ষেত্ৰত সম্পদ সৃষ্টি কৰিবলৈ কি ব্যৱস্থা লৈছে? কোটি কোটি টকাৰ আচনি কৃষিৰ ক্ষেত্ৰত গ্ৰহণ কৰিছে। বিজ্ঞান সন্মত পদ্ধতিত কৃষিৰ সম্পদ বৃদ্ধি কৰিবৰ কাৰণে আচনি গ্ৰহণ কৰা নাই। আমাৰ খেতিয়ক সকলৰ অৱস্থাৰ কথা নকৰেই। শেহতীয়াকৈ শিৱসাগৰ, নাজিৰা, যোৰহাটৰ একাংশ, গোলাঘাট, কৰিমগঞ্জ আৰু শিলচৰত যি সকল প্ৰকৃত খেতিয়ক তেওঁলোক ৰিলিফ কেম্পত আছে। তেওঁলোকৰ খেতি মাটি জলমগ্ন। কোটি কোটি টকা খৰচ কৰা সত্বেও খেতিয়কক পানী দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰিলে আৰু পানী সোমোৱাটো বন্ধ কৰিব নোৱাৰিলে। কিমান টকা খৰচ কৰা হৈছে সেইটো কথা নহয়, কি ধৰণে পক্ৰিয়া কাৰ্য্যসূচী হাতত ললে স্বাবলম্বী হব পাৰিম, সম্পদ সৃষ্টি কৰিব পাৰিম তাৰহে চিন্তা কৰিব লাগিব।

শিল্পৰ ক্ষেত্ৰত শ্ৰীদেবানন্দ কোঁৱৰ দাঙৰীয়াই যি বক্তব্য ৰাখিছে তেখেতৰ লগত একমত। বনজ সম্পদৰ জৰিয়তে সৰু বৰ শিল্প প্ৰতিষ্ঠা কৰাৰ কোনো সুপৰিকল্পিত ব্যবস্থা নাই। কেইটামান টনা আজোৰা কৰি শিল্প প্ৰতিষ্ঠা কৰিছে। ৰাজহুৱা খণ্ডৰ সৰু বৰ শিল্পৰ তলা বন্ধ হৈ গৈছে। আজি এশ কোটি টকাৰ ঘাটি নহলহেতেন যদি চৰকাৰী নিগম, ৰাজহুৱা প্ৰতিষ্ঠানত ব্যক্তি বিশেষৰ দূৰ্নীতি, অপচয় ৰোধ কৰিব পাৰিলেহেতেন। ৰাজহৰ টকা বাকী পৰি আছে। যোৱা ছয় মাহত ১৪৫ কোটি টকাৰ মাটি দেখুওৱা হৈছিল। কিন্তু এই ছয় মাহৰ ভিতৰত বহু কোটি টকা উঠাব পৰা হৈছে। কৰ্ম্মশক্তিক সুপৰিকল্পিত ভাবে কামত

লগাব পাৰিলে মাটিৰ পৰিমাণ কমি যাব। আজি কৰ্ম্মশক্তিক কামত ব্যৱহাৰ কৰা নাই। তাৰ কাৰণে অকল বিত্তমন্ত্ৰী মহোদয়ক সমালোচনা কৰিলে নিশ্চয় শুদ্ধ নহব। তাৰ কাৰণে সুপৰিকল্পিত ভাবে বিজ্ঞান সন্মতভাবে আচঁনি লব লাগিব। আমাৰ কৰ্ম্ম শক্তিক সুপৰিকল্পিতভাবে ব্যৱহাৰ কৰি সম্পদ আহৰণ কৰিবলৈ ব্যৱস্থা লব লাগিব। কৰ্ম্ম শক্তিক কামত লগাবৰ কাৰণে শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰিব লাগিব। ভকেচনেল টেকনিকেল শিক্ষাৰ জৰিয়তে আমোল পৰিবৰ্ত্তন আনিব নোৱাৰিব। সম্পদ আহৰণ কৰিবৰ কাৰণে, কৰ্ম্ম শক্তিক ব্যৱহাৰ কৰিবৰ কাৰণে শিক্ষাৰ পৰিবৰ্ত্তন কৰিব লাগিব। সামগ্ৰিক ভাবে সকলো ক্ষেত্ৰত প্ৰশাসন ব্যৱস্থা নিকা কৰি এখন গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাবে সেৱাৰ মনোভাবেৰে দেশ তথা জনসাধাৰণৰ মঙ্গলৰ কাৰণে আগবাঢ়ি আহিবলৈ সকলোকে অনুৰোধ জনালো। আমাৰ মুখ্যমন্ত্ৰীয়ে প্ৰশাসন যন্ত্ৰ জনসাধাৰণৰ কাষ চপাই নিয়াৰ কাৰণে নতুন জিলা আৰু মহকুমা গঠণ কৰিছে। গোলাঘাট মহকুমাক জিলালৈ ৰূপান্তৰ কৰা নাই যদিও গুৰুত্বপূৰ্ণ অঞ্চলবিলাক জিলালৈ ৰূপান্তৰিত কৰাৰ ব্যৱস্থা আছে। প্ৰশাসন যন্ত্ৰ জনসাধাৰণৰ যিমান কাম চপাই নিবলৈ চেষ্টা কৰিছে সিমানেই প্ৰশাসন আৰু জনসাধাৰণৰ মাজত ব্যৱধান বাঢ়ি গৈছে। এইটো ভয়ঙ্কৰ জনবিৰোধী ব্যৱস্থা বুলি ভাবো। এই বাজেটৰ ওপৰত তুষাৰ কবলৈ সুযোগ পোৱাৰ বাবে ধন্যবাদ জনাইছো আৰু বাজেটৰ প্ৰতি সমৰ্থন আগবঢ়াইছো। এই বাজেটৰ টকাৰে ৰাইজৰ উন্নতি হব তাৰ কামনা কৰি বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদানেশ আলী :— সন্মানিত অধ্যক্ষ মহোদয়, আমাৰ বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট আমাৰ এই সদনত উত্থাপন কৰিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছো আৰু এই সম্পৰ্কত মই কেইটামান কথা কব খুজিছো। বাজেটখন ঘাটি বাজেট আৰু ঘাটি হোৱা স্বাভাৰিক কিয়নো দেশখন

দুখীয়া। আয়তকৈ ব্যয় বেছি। সেই কাৰণে আমি আচঁনিৰ জৰিয়তে কাম কৰিব লাগিব আৰু দেশখনক আগুৱাই নিব লাগিব। যি বিলাক আচঁনি তৈয়াৰ কৰা হৈছে তাৰ মাজেৰেই কাম কৰি দেশখনক প্ৰগতিৰ পথত আগুৱাই নিব লাগিব। আয়ৰ ক্ষেত্ৰত কম হলেও ব্যয় যিহেতু কৰিবই লাগিব তেতিয়াহলে ঋণ কৰিব লাগিব। ঋণ কৰি হলেও ঘি খাব লাগিব তেহে বুদ্ধি হব আৰু কাম কৰিব পৰা হব। আনৰ পৰা ধাৰ কৰি কাম কৰিব লাগিব। যোৱা মাৰ্চ মাহত ঘাটি ১৪৫ কোটি টকা আছিল আৰু এতিয়া কমি আহি এশ কোটি টকা হৈছে। কাম নকৰিলেও ঘাটি নহব পাৰে। কাম বেছি হলে ঘাটি হওক তাত আপত্তি নাই। আমাৰ যিটো বৃদ্ধ বয়সৰ পেন্সন দিয়াৰ ব্যৱস্থা কৰিছে সেইটো বৰ ভাল কথা হৈছে। বৃদ্ধ বয়সত লৰাছোৱালীয়ে এৰি দিয়ে আত্মীয় স্বজনে নাচায় আৰু তেতিয়া বাচিবলৈ উপায় নাথাকে আৰু আত্মহত্যা কৰাৰ বাহিৰে পথ নাথাকে। কিন্তু চুইচাইডো কৰিব নোৱাৰে গতিকে বাচি থাকিবলৈ দিয়া এই ওল্ড এৰ্জ পেন্সন ভাল কথা। আমাৰ বহুবিলাক মাননীয় প্ৰাক্তন সদস্যৰ অৱস্থা এতিয়া শোচনীয়। তাৰ উপৰিও নিবনুৱা যুৱক যুৱতী সকলক নিবনুৱা ভাট্টা দিয়াটো বৰ ভাল কথা হৈছে। কিন্তু ইয়াৰ আন এটা কথা হৈছে যে তেওঁলোকক বহি থকাটো ভাট্টা দিয়াৰ পৰা তেওঁলোকৰ অন্যায় হব। তেওলোকক এগ্ৰিকালচাৰ, ইণ্ডাষ্ট্ৰি আদিত কাম উলিয়াই চাকৰিজীৱি কৰিব পাৰিলে ভাল। চেল্ফ এমপ্লই--মেণ্টৰ ব্যৱস্থা নকৰিলে তেওঁলোকৰ মানসিকতা পৰমুখাপেক্ষী হৈ ৰব। ঠিকাদাৰ আদি কামৰ কাৰণেও তেওঁলোকক উৎসাহ যোগাব পাৰি।

অধ্যক্ষ মহোদয়, আন কেইটামান কথা কব খুজিছো যে যি সকল লোকে মৰণপণ কৰি আমাৰ বিধায়ক সকলক ইয়ালৈ আহি তেওঁলোকৰ কাৰণে মাত মতাৰ সুবিধাকণ দিছে সেই সকল লোকৰ কাৰণে কিবা কৰা উচিত হব। কিয়নো তেওঁলোকৰ আশ-আকাঙ্খা ইয়াৰ মাজতে

নিহিত আছে। মথাউৰি ১৯৫০ চনত বান্ধিছিল তেতিয়া ভবা মতে ভাল হব বুলিয়েই কিন্তু এতিয়া মথাউৰিৰ নামত বহু টকা খৰচ হৈ আছে অথচ প্ৰতি বাৰেই মথাউৰি ভাঙি আছে আকৌ ৰিং বান্ধ দি থকা হৈছে কিন্তু পানী নিয়ন্ত্ৰণ কৰিব পৰা নাই। চেঙা সমষ্টিতে তাৰাবাৰী ৰৌমাৰী, বাগবৰ, গবৈমাৰী ইত্যাদি ঠাইত আঠ দহ মাইল ধৰি মঠাউৰি ভাঙি আছে, বান্ধি আছে আৰু ভাঙি আছে। নিয়ন্ত্ৰণ হলে কৰিবপৰা নাই। মানুহখিনি ভূমিহীন হৈ পৰিছে। ১৯৭২ চনৰ পৰা আমাৰ চৰকাৰে মাটি পট্টন দিয়া নাই। সেই অঞ্চলৰ পাচ হাজাৰ মান মানুহ মথাউৰি বা ৰিজাৰ্ভত সোমাই আছে পট্টন কিন্তু দিয়া হোৱা নাই। আমাৰ মাননীয় সদস্য আফাজুদ্দিন আহমেদ ডাঙৰীয়াইও উল্লেখ কৰিছে। মথাউৰি বান্ধি পানী নিয়ন্ত্ৰণ কৰাৰ সলনি নদী নিয়ন্ত্ৰণ কৰাৰ কথা জনাব মহম্মদ ডাঙৰীয়াই কৈছিল। মইও সেই সুৰতে কওঁ যে বানপানী নিয়ন্ত্ৰণৰ কথা বাদ দি নদী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিলে বিজুলি শক্তিও উৎপাদন হব আৰু পানীও আপুনিয়েই নিয়ন্ত্ৰিত হব। চৰ অঞ্চলত ৬০-৭০ বছৰ ধৰি বসবাস কৰা লোক সকলে এক দেৰশ বিঘা মাটি আবাদ কৰি মাত্ৰ পঞ্চাশ ষাঠি বিঘাৰহে তৌজী খাজনা দি আছে।

(সময়ৰ সংকেত)

সেই সকলক পট্টন দিয়াৰ ব্যৱস্থা কৰিলে মানুহখিনিৰো উপকাৰ হয় আৰু চৰকাৰেও ৰাজহ পাব পাৰে। আৰু কথা হৈছে চৰকাৰী লোন পাবলৈ হলে পি-আৰ-চি দেখুৱাবলগীয় হয় অথচ এই সকলৰ পি-আৰ-চি নাই। ফলত তেওঁলোকৰ লোন লোৱা নহয় আৰু চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈ আছে। গতিকে চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যাতে ইয়াৰ এটা ব্যৱস্থা কৰি সোনকালে মানুহখিনিৰ বেদনা দূৰ কৰে।

পঞ্চায়ত মন্ত্ৰী মহোদয়ে পঞ্চায়তৰ কৰ্মীখিনি চৰকাৰী চাকৰিয়াল

নহয় বুলি কৈছিল। সেই ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে এই পঞ্চায়তৰ কৰ্ম্মীখিনি মহকুমা পৰিষদ কেডাৰৰ মানুহ যদিও ১৯৭৪ চনত দিয়া নিৰ্দ্দেশিকা মতে চেক্ৰেটাৰীয়ে দুশ বিশ টকা, লোৱাৰ ডিভিজন এচিচ্টেন্টে দুশ টকা আৰু ৰোড মহৰাৰে এশ পয়সত্তৰ পাইছিল।

( সময়ৰ সংকেট )

যদি তেওঁবিলাকৰ দায়িত্বই লোৱা নহয় তেতিয়াহলে কিয় লোৱা হৈছিল এই প্ৰশ্ন মনলৈ অহাটো স্বাভাবিক। পঞ্চায়তত কোনো ডেফিচিত চিচ্টেম নাই। আয় অনুপাতেহে ব্যয় কৰা হয়। পঞ্চায়ত কৰ্মী সকলৰ প্ৰতিনিধিয়ে এতিয়া চৈধ্য তাৰিখৰ পৰা ধৰ্ণা দিয়াৰ কথা ঘোষণা কৰিছে। তেত্ৰিশ মাহ ধৰি মাহে প্ৰতি তিনি চাৰি হাজাৰ টকা বাকী ৰৈ আছে। এইটো মহকুমা পৰিষদ বা গাওঁ পঞ্চায়ত হওক তেওঁলোক এতিয়া এচেটচ্ নহৈ বাৰডেন হৈছে। তেওঁলোকক কোনো কাম দিয়া হোৱা নাই। সেই কাৰণে তেওঁলোকৰ কাৰণে কামৰ ব্যবস্থা কৰিব লাগে। আৰু বহু কথাই কবলগীয়া আছিল মাননীয় অধ্যক্ষই বেল বজায় বাৰে বাৰে সময়ৰ নাটনিৰ কথা সোঁৱৰাই দিছে সেই কাৰণে আৰু দিঘলীয়া নকৰি বাজেট খন পুনৰ বাৰ সমৰ্থন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

শ্ৰীৰনেন্দ্ৰ নাথ বসুমাতাৰী ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰি দিন এই পবিত্ৰ সদনত বাজেত বিতৰ্কত অংশ গ্ৰহণ কৰি বিভিন্ন বিষয়ে আলোচনা কৰোতে বাননিয়ন্ত্ৰণৰ সম্পৰ্কতো আলোচনাৰ মাধ্যমেৰে বহুখিনি পৰামৰ্শ ডাঙি ধৰিছে। এই সম্পৰ্কত মই গভীৰ মনোযোগেৰে শুনি নোট কৰি লৈছো। আমাৰ এই বিভাগটোৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰীজীব গগৈকে আৰম্ভ কৰি বহু কেইজন মাননীয় সদস্যই সমালোচনাৰ মাধ্যমেৰে বহুখিনি সত পৰামৰ্শ দি গৈছে। মই এই বাবে তেখেত সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ সম্পৰ্কত ১৯৫৪ চনতেই এটা নেচনেল ফ্লাড কণ্ট্ৰোল কমিচন গঠন হৈছিল । নদী নিয়ন্ত্ৰণৰ সম্পৰ্কত এই কমিচনে বিভিন্ন বিশেষজ্ঞৰ মতামত লৈ অ মৰ বানপানী নিয়ন্ত্ৰণৰ কাৰণে অধ্যয়ন কৰি আহিছে । আমাৰ ৰাজ্যখন নদী মাতৃক ৰাজ্য । আমাৰ ৰাজ্যৰ নদীৰ দ্বাৰা যিটো কষ্ট হৈছে সেই কষ্ট লাঘৱৰ কাৰণে বিভিন্ন ধৰণেৰে এই সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰি অহা হৈছে । মোৰ সময় কম । কথা কবলগীয়া অলপ বেচিয়েই আছিল । তথাপি মই চমুকৈ বান নিয়ন্ত্ৰণৰ সম্পৰ্কত কেইটামান কথা কবলগীয়া হৈছো ।

অসম ৰাজ্যৰ ভৌগোলিক পৰিস্থিতিৰ কাৰণে আমি আমাৰ অসম ৰাজ্যক দুটা ভাগত ভাগ কৰিব লগীয়া হৈছে । এটা হৈছে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু আনটো হৈছে বৰাক উপত্যকা । ফিজিকেল এচিভমেণ্টৰ সম্পৰ্কত মই সদনক জনাব বিচাৰিছো যে ১৯৮২ চনত ব্ৰহ্মপুত্ৰৰ মঠাউৰি হৈছে ৮·৯৬ কিঃ মিঃ । উপনৈ সমূহৰ মাঠাউৰি হৈছে ২৪৬৬ কিঃ মিঃ । ড্ৰেনেজ চেনেল ৪৬৪ কিঃ মিঃ, এন্টি ইৰোচন, টাউন প্ৰটেকচন আচনিৰ কাম ১০৩ টা । মাঠাউৰি শক্তিশালী কৰা হৈছে ৮০২ কিঃ মিঃ । উপকৃত অঞ্চল হৈছে ১২·৮১ লাখ হেক্টৰ । মেজৰ শ্লোইচ ৫২ টা, মাইনৰ শ্লোইচ ৩১৬ টাৰ কাম কৰা হৈছে । বৰাক উপত্যকাৰ মাঠাউৰি হৈছে ৬৮·৩ কিঃ মিঃ, ৰেইজিং এণ্ড ষ্টেংথেনিং ২১১, ড্ৰেনেজ চেনেল ২৩৯ কিঃ মিঃ, প্ৰটেকচন ৱৰ্ক ৩৫ টা, শ্লোইচ ১৩ টা, উপকৃত অঞ্চল হৈছে ১·৮৮ লাখ হেক্টৰ । ১৯৮২-৮৩ চনত পাহাৰ অঞ্চলত কাম হৈছে—মাঠাউৰী ২২·৫০ কিঃ মিঃ, প্ৰটেকচন ৱৰ্ক ১৯ টা আৰু উপকৃত অঞ্চল হৈছে ৬৭৫০ হেক্টৰ ।

অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণৰ কাৰণে কেইৱাজনো মাননীয় সদস্যই স্থায়ী ব্যৱস্থা কৰাৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে । আমি যি টকা পাইছো এই খিনি টকাৰে এই কাম কৰা সম্ভৱ নহয় । আমি ইয়াৰ কাৰণে যিটো টকা পাইছো এইটো চেণ্ট্ৰেল লোন এচিচ-টাণ্ট হিচাবে পাইছো । ৬ষ্ঠ পৰিকল্পনাত আমাক যিমান খিনি টকা

লাগে সেইমতে আমি টকা পোৱা নাই। আমি মুঠ ৮২ কোটি টকা পাইছো। ১৯৮৩-৮৪ চনৰ কাৰণে আমি ১৪ কোটি টকাহে পাইছো। এই ১৪ কোটি টকাৰে ব্ৰহ্মপুত্ৰৰ নিচিনা বিশাল নদীক নিয়ন্ত্ৰণ কৰাটো সম্ভব নহয়।

এই ১৪ কোটি টকাৰ স্থায়ী ব্যৱস্থা কৰাটো সম্ভৱপৰ নহয়। তথাপি জনগণক অলপ সকাহ দিব লাগিব সেয়ে এন্টি ইৰোচন মিজাৰ কিছুমান আমি লৈছোঁ। শিল, বাহঁ বেতৰ বেৰ শাল কাঠৰ স্ক্ৰীন আদিৰে ব্ৰহ্মপুত্ৰৰ উপনদী সমূহক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা হৈছে। এডহ'ক ব্যৱস্থাৰ মাধ্যমেৰে এইবোৰ নিয়ন্ত্ৰণ কৰাটো সম্ভব নহয়। মাননীয় সদস্য সকলে নিশ্চয় জানে জে মুকালমুৱা, হাউলিঘাট আদি ঠাইত মাননীয় অধ্যক্ষক লৈ মই ভ্ৰমণ কৰিছো। তাত ব্ৰহ্মপুত্ৰৰ খহনীয়া দেখি আমি বিচুৰ্ত্তি খাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ ঘৰো তাৰ পৰা স্থানান্তৰ কৰিবলগীয়া হৈছে। কেবল ঘৰ স্থানন্তৰেই নহয় মথাউৰিও এবৰা দুৱাৰকৈ ১০ বাৰ সলনি কৰিব লগা হৈছে। আৰু হাজাৰ হাজাৰ লাখ লাখ বিঘা খেতিয়কৰ মাটি ব্ৰহ্মপুত্ৰত জাহ গৈছে। তাৰ ৰাইজ বৰ্তমান নতুনকৈ ঘৰ কৰা মানুহৰ নিচিনা হৈছে। পলাশবাৰীৰ পৰা গুমিলৈ ২৫ কিঃ মিঃ জুৰি ঠাই খিনিৰ খেতিয়ক ৰাইজৰ যি দুৰৱস্থা দেখিলে চকু পানী ওলায়। মৰিয়াহোলাত লাখ লাখ বিঘা মাটি জাহ গৈছে আৰু খেতিয়ক ৰাইজ সৰ্বস্বান্ত হৈছে। নগাওঁৰ চুলুং, ধেমাজীৰ সেনাৰী গোৱলপাৰা জিলাৰ দক্ষিণ শালমাৰা, ফকিৰগঞ্জ, শিলঘাগৰী এইবিলাক অঞ্চলত প্ৰৱল খহনীয়াত লাখ লাখ বিঘা মাটি পানীত বুৰ গৈছে। আমি যিটো স্থায়ী ব্যৱস্থা লৈছো সেইটোৰে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয়। কিন্তু কিছু নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য অৰুদ্দিন চাহাবৰ সমষ্টিটো স্থায়ী ভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা লৈছো ঠিক তেনেকৈ পাগলাদিয়া আৰু পুথিমাৰী নদীটো অস্থায়ী ব্যৱস্থাহে লোৱা হৈছে। স্থায়ী ব্যৱস্থা লব পৰা হোৱা নাই। পাগলদিয়া

আৰু পুথিমাৰী অঞ্চলটোৰ বানপানী কিছু নিয়ন্ত্ৰণ কৰা হৈছে। পাগলদিয়া নদী যাক আগতে "ৰিভাৰ অৱ চ'ৰ" বুলি আখ্যা দিয়া হৈছিল, আজি সেই নদী শান্ত ভাৱে বৈ আছে। একে বাক্যে মই ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব পাৰিছোঁ বুলি কব নোৱাৰো কিন্তু স্থায়ী নিয়ন্ত্ৰণৰ কাৰনে আমি চেষ্টা আন্তৰিকভাৱেই কৰি আছো। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি ধৰনে হাই লাইট দিব লাগিছিল, তাতকৈ বহু বেছি হাই লাইট আমি দিছোঁ। কেন্দ্ৰীয় চৰকাৰৰ লগতো আমি যোগাযোগ কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই বিষয়ে চেষ্টা কৰিছে। আনকি লোকসভা আৰু ৰাজ্য সভাতো আমাৰ যিসকল মাননীয় এম, পি তাত আছে তেখেতসকলেও ৰাজ্য আৰু লোকসভাতো এই বিষয়টো দাঙি ধৰিছে। সেই কাৰনেই মই আশা কৰিছোঁ ব্ৰহ্মপুত্ৰক স্থায়ীভাৱে নিয়ন্ত্ৰণ কৰাত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও অলপ সাহায্য লাভ কৰিব পাৰিম। ইতিমধ্যেই কেন্দ্ৰৰ ফালৰ পৰা কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰাম নিৱস মিৰ্ধ. ডাঙৰীয়াই আহি মুকালমুৱা, মৰিয়া হোলা আৰু মাজুলী আদি অঞ্চল ভ্ৰমণ কৰি গৈছেহি। তেখেতৰ লগত চেণ্ট্ৰেল ওৱটাৰ কমিচনৰ বিশেষজ্ঞ সকলো আহিছিল। তেখেত সকলে আমাক অৱগত কৰাইছে যে স্থায়ী নিয়ন্ত্ৰণ ব্যৱস্থাৰ ক্ষেত্ৰত শিলৰ েৰ আদি দিহে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব লাগিব। মাননীয় সদস্য সকলে জানে যে কিছু জটিল ঠাইত ব্ৰহ্মপুত্ৰ ১৬ ৰ পৰা ২০ কিলোমিটাৰ পৰ্যন্ত বহল হৈছে। হাইড্ৰোলজিকেলী অভিমত দাঙি ধৰা হৈছে যে ব্ৰহ্মপুত্ৰ ২ কিলোমিটাৰ বহলতে ৰখাটো একান্ত দৰকাৰ। সেয়ে মই সদনক জনাওঁ যে এই জটিল ঠাইবোৰত স্থায়ী ব্যৱস্থাৰ প্ৰয়োজন। এই সম্পৰ্কে টেকনিকেল এডভাইচৰী বৰ্ডৰ চেয়াৰমেন মিঃ জে, ত্ৰিপঠীৰ নেতৃত্বত অহা অক্টোবৰ মাহত এখন কমিটী হব আৰু সেই কমিটীয়ে পাছ কৰি দিয়াৰ পিচত কেন্দ্ৰীয় চৰকাৰে বিহিত ব্যৱস্থা লব বুলি আমাক আশ্বাস দিছে। এই কমিটীত

চেণ্ট্ৰেল ওৱটাৰ কমিচনৰ চেয়াৰমেন, বান নিয়ন্ত্ৰণৰ চেক্ৰেটাৰী, টেকনি-কেল কমিটীৰ চেয়াৰমেনো থাকিব । তেওঁলোকে আমাক আশ্বাস দিছে । গতিকে আমাৰ মাননীয় সদস্য সকলে বান নিয়ন্ত্ৰণৰ সম্পৰ্কত যি সজাগতা দেখুৱাইছে তাৰ বাবে তেওঁলোকক মই অভিনন্দন জনাইছোঁ। আন এটা কথা মই দাঙি ধৰিব বিচাৰিছোঁ—ড্ৰেজাৰ সম্পৰ্কে ।

মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে আমাৰ আগৰ চৰকাৰে ব্ৰহ্মপুত্ৰৰ তলিভাগ খান্দিবৰ কাৰণে যি দুখন ড্ৰেজাৰ আনিছিল সেইকেইখনৰ বিষয়েও বুজ লৈ গম পাইছো যে সেই দুখনৰ দ্বাৰা আমি যি হিচাবে লাভবান হব লাগিছিল সেই হিচাবে লাভবান হব নোৱাৰিলো। আমাৰ অফিচাৰ সকলেও এই কেইখন ব্যৱহাৰ কৰি তাৰ পিচত তেওঁলোকৰ ৰিপোৰ্ট জনালে যে ইয়াৰ দ্বাৰা আমি উপকৃত হব নোৱাৰিম। গতিকে এইকেইখন ঘুৰাই দিয়াই ভাল । অৱশ্যে এইকেইখন আমাৰ ইয়ালৈ আনোতে কেন্দ্ৰীয় চৰকাৰ বা গুজৰাট চৰকাৰক কোনো ধৰণৰ ধন দিব লগা হোৱা নাছিল মাত্ৰ ইয়াৰ মেইণ্টেনেন্স কষ্ট আৰু অপাৰেচন কষ্ট কৰিয়েই আমি তাক কামত লগাইছিলো। এই দুখনেৰে আমি প্ৰথমতে মাজুলিৰ টুনি নদীত কাম আৰম্ভ কৰিছিলো । তাত আমি মাত্ৰ ৩০ শতাংশ লাভবান হৈছিলো । তাৰ পিচত চিমেনা আৰু বৰটাৰীত। ইয়াৰ পৰা আমি কোনো লাভা লাভ নাপালো । অথচ টকা খৰচ হৈছে লাখ লাখ। সেই কাৰণে এই ড্ৰেজাৰ দুখন আমি আকৌ গুজৰাট চৰকাৰক ঘুৰাই দিলো। গতিকে আমি পুনৰ তেনে ধৰণৰ আচনিৰ কথা এতিয়া ভবা নাই—কিয়নো এনে আচনিৰ পৰা আমি কেনেদৰে লাভবান হম তাত সন্দেহ আছে ।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ দেৱে তেখেতৰ সমষ্টিৰ বিশেষকৈ মিৰ্জা চাব দিভিজনৰ কিছুমান বিষয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে । এই সম্পৰ্কত মই বিভাগীয় মন্ত্ৰী হিচাবে লিখিত বিৱৰণ ডাঙি ধৰা ভাল হব ।

As regards the allegation made by the hon'ble Member Shri Talukdar I may inform the House that if a contractors registered in a Department— he sopke about the registration of contractor— it is not possible to deny him work merely because he is registered in another Department also. A contractor may be registered in so many departments. But a particular department cannot deny work as because he has work in other departments. Regarding the allegation about allotment of work to several members of the same family in Gauhati E & D Division I am looking into the matter, and I shall advise the Superintending Engineer so that rational distribution of work is made. Perhaps the hon'ble member has in mind one Kutub Ali ( Shri Harendra Nath Talukder : I have not mentioned any name ). As regards Shri Kosir Ali, he is a registered.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, মই এই বিষয়ে কাৰো নাম উল্লেখ কৰা নাই। মই মাত্ৰ তেখেতক অনুৰোধ কৰিছিলো যে এই বিষয়টো তেখেতে পৰীক্ষা কৰি চাব আৰু তাৰ বিহিত ব্যৱস্থা হাতত লব।

মোৰ আন এটা অভিযোগ আছিল যে মথাউৰিত গাত খান্দি থোৱা অৱস্থাত সেইটো পুৰ কৰাৰ দায়িত্ব কাৰ আছিল ? আনহাতে সেই সময়ত ফিল্দত থকা কৰ্ম্মচাৰী সকলক এইবোৰ বিষয়ত তদাৰক কৰি সময়মতে ৰিপোৰ্ট দিয়াৰ আদেশ দিয়া হৈছিল। এই ক্ষেত্ৰত তাত থকা বিষয়াই এনে ঘটনা হোৱাৰ কথা যথাস্থানত জনাইছিল নে নাই ?

মই আৰু এটা বিষয়ত মন্ত্ৰীমহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছিলো— সেইটো হৈছে গুমী নদীৰ ওপৰত দিয়া দলংখনৰ বিষয়ে। এই দলং-খনৰ কাম কৰাৰ আগতে তাৰ ওপৰেৰে গধুৰ যান বাহন চলিছিল। কিন্তু দলংখনৰ কাম হোৱাৰ পিচত তাত এটা ঢেকিৰ ব্যৱস্থা কৰা হল— যাৰ ফলত সেইপিনে যোৱা গাড়ীবোৰ এমুৰে ৰখাই তাৰ পিছত লাহে লাহে দলংৰ ওপৰেৰে পাৰ হৈ যাব দিয়ে। আনহাতে সেইপিনে গাড়ী গলে তাত পইচা লোৱাও ব্যৱস্থা কৰা হল। ইয়াৰোপৰি সেই দলং-খনৰ নিবিদা আছিল ৫০ হেজাৰ টকাৰ ওপৰত। তাৰ কাৰণেই হয়তো সেইখন মাজতে ডুভাগ কৰি ডুজন ঠিকাদাৰৰ নামত দিয়া হল। এই ঘটনাটো মই জনাত ৩১ মাৰ্চৰ আগতে কাম সম্পূৰ্ণ হোৱা বুলি তাৰ বিলৰ পইচা আদায় দিয়া হল— কিন্তু কথাটো পিচত ওলাই পৰাৰ ভয়ত এপ্ৰিল মাহতহে সেই দলংখনৰ কাম কৰা হয়। গতিকে এইবোৰ সুৰুঙাৰ কথাহে বিভাগীয় মন্ত্ৰী মহোদয়ক জনাইছে। তেখেতে সেইবোৰ পৰীক্ষা কৰি ব্যৱস্থা ললে ভাল হয়। যদি তাকে কৰা নহয় তেনেহলে এনেবোৰ সুৰুঙাৰে ভৱিষ্যতে আৰু তেনে ধৰণৰ অধিক কাম হব বুলি মই ভবো। সেই কাৰণেই আগতে ইয়াৰ ব্যৱস্থা ললে সেইবোৰ নাইকিয়া হব।

Shri Ranendra Narayan Basumatari ( Minister ) contd :— In Assamese.

Shri Ranendra Narayan Basumatari ( Minister ) :— Then about the allegation against those officers and S.D.O., as soon as I received the complaint from the hon'ble member I ordered for the enquiry and I sent it to the Member-in-charge Investigation, Planning and Design. He investigated the matter thoroughly and from the

report submitted by him it appears that whatever allegations brought against these officers are not proved. May be, there are some lapses and from Department's side we will caution them. One serious allegation has been made that attempt on the life of the Hon'ble member was made by cutting the approach of the bridge. This is also found to be not proved. It may be a fact that some other persons those who wanted to savotage the tour programme of the hon'ble member as President of APCC might have done this. We have no proof that these officers are directly involved. অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিখন দলংৰ কথা কৈছে সেইখন ছুজনৰ নামত দিয়াটো সঁচা আৰু তেনে কৰাৰ কাৰণো বোধহয় আছিল। সেই ছুটা ঠিকাৰ এটা আছিল ৩৯ হাজাৰ টকাৰ আৰু আনটো আছিল ২৪ হাজাৰ টকাৰ। কিন্তু যি সময়ত মাননীয় সদস্যই সেইপিনেৰে গৈছিল সেই সময়ত তাৰ কাম সম্পূৰ্ণ হোৱা নাছিল। গতিকে সেইপিনে গাড়ী চলাচলত কিছু বাধা হৈছিল আৰু গধুৰ যান-বাহন চলাত কিছু অসুবিধা হৈছিল।

দ্বিতীয়তে তেখেতে আৰু এটা অভিযোগ আনিছে যে মথাউৰিত গাত খান্দি থোৱা সত্বেও বিভাগীয় কৰ্ম্মচাৰীয়ে কোনো ব্যৱস্থা হাতত লোৱা নাই। মই এইটো স্বীকাৰ কৰিছো যে সেই সময়ত কোনোবা পঞ্চাতঘাটী লোকে তেনে কাম কৰিব পাৰে—কিন্তু এই বিষয়টো স্থানীয় কৰ্ম্মচাৰীয়ে তত,কালে ওচৰত থকা এছ, ডি, অক খবৰ জনাই আৰু সেইমতে বিভাগীয় লেবাৰৰ দ্বাৰা সেই গাঁতটো পুৰ কৰোৱা হৈছিল। গতিকে এই বিষয়ত মাননীয় সদস্যই যি অভিযোগ আনিছে সেই বিষয়ে কোনো সঁচা প্ৰমাণ নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :—অধ্যক্ষ মহোদয়, মোৰ সপষ্টীকৰণৰ বিষয় আছিল সেই গাতটো বিভাগীয় এচ, ডি, অই পুতিলে পুলিচে পুতিলে ? দ্বিতীয়তে দলংখনৰ ঠিকাৰ বাবদ বিলৰ টকা ৩১ মাৰ্চৰ আগতে দিয়া হৈছিল নে নাই ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, মই ৰিপোৰ্ট পোৱা মতে সেই গাঁতটো আমাৰ বিভাগৰে এচ, ডি অই বিভাগীয় লেবাৰৰ দ্বাৰা পুৰ কৰিছিল। দ্বিতীয়তে তেখেতে যি বিলৰ টকাৰ কথা কৈছে সেইটো ৰানিং বিল হিচাবেহে তাৰ এটা অংশ দিয়া হৈছে। এটা অংশ এতিয়াও দিবলৈ বাকী আছে ।

শ্ৰীহেমেন দাস :— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা দুটা স্পষ্টিকৰণ বিচাৰিছো । প্ৰথমটো হ'ল মন্ত্ৰীমহোদয়ে কৈছে যে তেখেতে কেন্দ্ৰৰ পৰা 'লন এচিছটেন্স' বিচাৰিছে । তাৰোপৰি কেন্দ্ৰৰ পৰা গ্ৰেন্টৰ কথাও কৈছে । গতিকে মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে এই বিষয়ত কিমান টকা পোৱা হৈছে ।

দ্বিতীয়তে হৈছে গৰাখহনীয়াৰ প্ৰতিৰোধ কৰিবৰ কাৰণে কেইবাটাও ব্যৱস্থা হাতত লোৱা হৈছে—যেনে :—শিলৰ বান্ধ, পাইল পোষ্ট আদি। কিন্তু মই জানিব বিচাৰিছো এইবোৰৰ ভিতৰত কোনটোৰ পৰা বেচি উপকাৰ হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই গোটেই কেইটা ব্যৱস্থাৰ দ্বাৰাই আমি কম বেচি পৰিমানে উপকৃত হৈছো । ঠাই আৰু নদী বিশেষে এইকেইটা ব্যৱস্থাৰে আমি উপকৃত হৈছো । আনহাতে আমি কেন্দ্ৰৰ পৰা এতিয়াও এই বিষয়ত টকা পোৱা নই—কিন্তু কেন্দ্ৰক আমি ১২·৫০ কোটি টকাৰ সহায় বিচাৰিছো ।

মাননীয় অধ্যক্ষ মহোদয় :— মাননীয় সদস্য সকলক জনাও যে, এই ধৰণে হলে অলপ দিগদাৰ হয়। সময় কম। পাচ বাজিবলৈ বৰ বেছি সময় নাই। এতিয়াও আমাৰ দুজন মাননীয় মন্ত্ৰী মহোদয় আছেই। গতিকেই সদনৰ সদস্য সকলৰ সন্মতি সাপেক্ষে সদনৰ অধিবেশন আৰু অলপ বঢ়াব পাৰো।

we have only 20 minutes. Therefore, I want to know from the Honourable Minister, Education how much time he will require.

Shri Mukut Sarma ( minister ) :— Sir, about 20 minutes.

Hon. Speaker :— And how much time will be required to Honourable Minister, parliamentary affairs.

Shri Abdul Muhib majumdar ( Minister ) :— I Will require about 5 minutes.

Hon. Speaker :— In that case, we will require 25 minutes but we have got only 20 minutes. Honourable Finance Minister will require at least one hour for his reply. So we have to extend by one hour 5 minutes. So If it is the desire of the House we can sit up to 6.00 P.M

Some voices :— In that case Honourable speaker may Give us a break of 10 minutes for tea.

Hon. Speaker :— I did not know it. I would have arranged for tea if I would have learned earlier

Shri Binoy Basumatari :— Sir, we have some points to raise for clarification. We are ready to sit even 9.00 P.M. if we get the clarifications.

Hon. Speaker :— Then we will sit upto 6.00 p.m. we will have to hear the reply of the Honourable Finance Minister. We are having budget discussion, now we want to hear the reply from the Hon. Finance Minister

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে দাঙি ধৰা বাজেটৰ ওপৰত কেইবাগৰাকীও মাননীয় সদস্যই অংশ গ্ৰহণ কৰি শিক্ষাবিভাগৰ কাৰ্য্য-কলাপ সম্পৰ্কে যথেষ্ট আগ্ৰহেৰে ভাগ লৈছে। মই সেই সকল সদস্যক মোৰ ফালৰ পৰা আন্তৰিকতাৰে ধন্যবাদ দিছো।

মাননীয় অধ্যক্ষ মহোদয়, আপোনিও ভালদৰে জানে যে, যোৱা ফেব্ৰুৱাৰী মাহত ২৭ তাৰিখে যেতিয়া অসমত শ্ৰীহিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ আই মন্ত্ৰী শভাই সপত গ্ৰহণ কৰিছিল তেতিয়া অসমত শৈক্ষিক পৰিবেশ একেবাৰেই নাছিল। প্ৰাইমেৰী পৰ্য্যায়ৰ স্কুলৰ পৰা আৰম্ভ কৰি সকলো বিলাক স্কুল-কলেজ বন্ধ আছিল। যি বিলাক পৰীক্ষা অনুষ্ঠিত হব লাগিছিল সেই পৰীক্ষাসমূহ অনুষ্ঠিত হোৱা নাছিল। অসমৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকল দুঃশ্চিন্তাত থাকিবলগীয়া হৈছিল যে, তেখেত সকলৰ লৰা-ছোৱালী বিলাকৰ পৰীক্ষাসমূহ অনুষ্ঠিত হবনে নহয় ?

মাননীয় অধ্যক্ষ মহোদয়, আপোনিও জানে যে ; যোৱা তিনিটা বছৰত অসমত যি আন্দোলন গঢ় লৈ উঠিছিল সেই আন্দোলনৰ দ্বাৰা আতাইতকৈ ক্ষতিগ্ৰস্ত হৈছিল অসমৰ ছাত্ৰ-সমাজ। আপোনালোকে জানে অসমৰ ছাত্ৰ-ছাত্ৰী সকলে ইতিমধ্যেই ১৯৮০ চনৰ এটা বছৰত পৰীক্ষা দিব নোৱাৰিলে। ফলত তেওঁবিলাকৰ জীৱনৰ এটা অমূল্য বছৰ শেষ হৈ গল। ১৯৮৩ চনতো যেতিয়া এই চৰকাৰটো শাসনত অধিষ্ঠিত হৈছিল তেতিয়াও, মানুহে ভাবিছিল যে, অসমৰ লৰাছোৱালী বিলাকে পৰীক্ষা দিব পাৰিবনে নোৱাৰে ? এই লৈ নানান জলপনা-কল্পনা চলিছিল। নতুন চৰকাৰ গঠন কৰিয়েই প্ৰথম আৰু প্ৰধান গুৰুত্ব দিছিল আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্যক্তিগত ভাৱেও আগ্ৰহ প্ৰকাশ কৰিছিল যে, নতুন চৰকাৰৰ কাম হব যাতে লৰাছোৱালী বিলাকৰ আৰু এটা বছৰ অবাৰতে যাবলৈ নেপায়। লগতে এইটোও নিশ্চিত কৰিব লাগিব যাতে পৰীক্ষা পাতিমেই। আজি সঁচাকৈয়ে এইটো বৰ আনন্দৰ কথা যে, প্ৰাইমেৰী পৰ্য্যায়ৰ পৰা আৰম্ভকৰি বিশ্ববিদ্যালয় পৰ্য্যা-য়লৈকে সকলো বিলাক পৰীক্ষাকেই অনুষ্ঠিত কৰিব পাৰিলো। শিক্ষানুষ্ঠান বিলাক আৰু গোটেই ৰাজ্যখনলৈ এটা শৈক্ষিক বাতাবৰণ ঘূৰি আহিছে। স্কুল কলেজ বিলাক স্বাভাৱিক ভাৱে চলিব ধৰিছে। অসমৰ স্বাভাৱিক পৰিস্থিতি ঘূৰি অহাত ই যথেষ্ট বৰঙণি আগবঢ়াইছে। এই পৰিপ্ৰেক্ষিততে মই আমাৰ মাননীয় সদস্য সকলক কব খুজিছো আজি অসমৰ শৈক্ষিক জিৱনত যি বাতাবৰণ সৃষ্টি হব ধৰিছে সেই বাতাবৰণ বিনস্ত কৰিবৰ কাৰণে এতিয়াও এটা শক্তিয়ে কাম কৰি আছে। সেই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় সদস্য সকল তথা অসমৰ সমূহ অভিভাৱক আৰু ছাত্ৰ ছাত্ৰী সকলক এই অনুৰোধ কৰিব খুজিছো যে, ঘূৰি অহা এই শৈক্ষিক বাতাবৰণ ৰক্ষা কৰিব আৰু তাক নষ্ট হবলৈ নিদিব। আকৌ যাতে একো একোটা অমূল্য বছৰৰ লোকচান

ভৰি অজান অন্ধকাৰৰ মাজলৈ যাব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই সকলোকে আহ্বান জনাইছো।

আমাৰ মাননীয় সদস্য শ্ৰীদেবানন্দ কোঁৱৰ, শ্ৰীজীৱকান্ত গগৈ আৰু শ্ৰীবৰ্গৰাম দেউৰী, প্ৰমুখ্যে কেইগৰাকীমান মাননীয় সদস্যই আমাৰ ৰাজ্য খনত কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে। এই ক্ষেত্ৰত মই কও যে, ১৯৭৭ চনত যত ৪৮ লাখ টকাহে খৰছ হৈছিল তাত এতিয়া ১৯৮৩-৮৪ চনত ১৭০ লাখ টকালৈ বৃদ্ধি পাইছে। ইয়াৰ বাহিৰেও কাৰিকৰী শিক্ষাৰ অনুষ্ঠান বিলাকত আসনৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। অভিযান্ত্ৰিক শাখাত ৩৩০ খন আসনৰ ঠাইত এতিয়া ৫৪০ খন আসনলৈ বৃদ্ধি পাইছে। ঠিক সেইদৰেই পলিটেকনিকত আসনৰ সংখ্যা ৮৯৫ খনৰ পৰা ১১২২ খনলৈ বৃদ্ধি কৰা হৈছে। অসমত দুখন কাৰিকৰী মহাবিদ্যাল আছে। এখন হৈছে, গুৱাহাটী কাৰিকৰী মহাবিদ্যালয় আৰু আনখন হৈছে, যোৰহাট কাৰিকৰী মহাবিদ্যালয়। ইয়াৰ বাহিৰেও শিলচৰত এখন 'ৰেজিয়নেল ইঞ্জিনিয়াৰিং কলেজ' আছে। গুৱাহাটী আৰু যোৰহাট কাৰিকৰী মহাবিদ্যালয়ত চিভিল ইঞ্জিনিয়াৰিং, মেকানিকেল ইঞ্জিনিয়াৰিং আৰু ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিঙৰ পাঠ্যক্ৰম আছিল। কিন্তু আধুনিক যুগৰ চাহিদালৈ লক্ষ্য কৰি এই কাৰিকৰী মহাবিদ্যালয় কেইখনত ইলেকট্ৰনিক্স আৰু টেলি-কমিউনিকেশ্বন' এই পাঠ্যক্ৰম দুটাও প্ৰৱৰ্ত্তন কৰাৰ দিহা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা দপ্তৰৰ মন্ত্ৰী শ্ৰীমতী শীলা কউলয়েও এই ক্ষেত্ৰত যথেষ্ঠ আগ্ৰহ দেখুৱাইছে। এই আঁচনি যাতে পলিটেকনিক স্তৰলৈ নিয়াব পাৰি তাৰ কাৰণে চেষ্টা কৰিছো আৰু তাৰ কাৰণে ভাৰত চৰকাৰৰ লগতো যোগাযোগ কৰা হৈছে। মাননীয় সদস্য শ্ৰীদেৱানন্দ কোঁৱৰ ডাঙৰীয়াই কৈছে যে, ডিব্ৰুগড় বিশ্ববিদ্যালয় যেতিয়া প্ৰতিষ্ঠাপিত হৈছিল তেতিয়া এই খনক কাৰিকৰী বিশ্ববিদ্যালয় কৰাৰ কথা আছিল। উজনি অসমৰ তৈল ক্ষেত্ৰ সমূহত লৰাছোৱালী বিলাকে যাতে নিযুক্তি পাবপাৰে তাৰ কাৰণে শিক্ষালাভ কৰিব পৰাৰ ব্যৱস্থা

কৰাৰ কথা আছিল। কিন্তু সেইখিনি হৈ নুঠাৰ কাৰণে এতিয়া আমি 'পেট্ৰলিয়াম টেকনলজি'ত ডিগ্ৰী কৰ্চ খুলিবৰ কাৰণে ব্যৱস্থা কৰিছো আৰু এন, ই, চিৰ ফালৰ পৰাও এই ক্ষেত্ৰত সহাৰি পাইছো। এই বছৰৰ পৰাই এই কৰ্চ খুলিব পাৰিম। ইয়াৰ বাহিৰেও যোৰহাটৰ 'প্ৰিন্স অব ওৱেলচ'ত 'ড্ৰিলিং টেকনলজি'ৰ কাৰণে কৰ্চ খুলিবলৈ ব্যৱস্থা কৰা হৈছে। অ, এন, জি, চি-ৰ ফালৰ পৰাও এই বিষয়ে যোগাযোগ কৰি বেছ উৎসাহ জনক সহাৰি পোৱা গৈছে।

অধ্যক্ষ মহোদয়, আমাৰ উজনি অসমৰ তৈল ক্ষেত্ৰ সমূহত আমাৰ ল'ৰা ছোৱালী বিলাকে যাতে শিক্ষা লাভ কৰাৰ পিচত যাতে সংস্থাপন কৰিব পাৰে তাৰ ব্যৱস্থা কৰাৰ কথা আছিল। আমাৰ ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ত পেট্ৰ টেকনিকেল দিগ্ৰি খোলাৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে। এই ক্ষেত্ৰত এন, ই, টিৰ পৰাও সহায় পোৱাৰ আশা কৰা হৈছে। এই বছৰৰ পৰাও এই কৰ্চ আৰম্ভ কৰাৰ কথা আছে। যোৰহাটৰ প্ৰিন্স অৱ ওৱেলচত দ্রিলিং টিৰ পাঠ্যক্ৰম সম্প্ৰসাৰণ কৰাৰ চেষ্টা কৰা হৈছে। এই সম্পৰ্কে অ, এন, জি, টিৰ লগত যোগাযোগ কৰা হৈছে, আৰু সহায়ো পাম বুলি আশা কৰা হৈছে। এইটো আচনি যোৰহাটৰ পলিটেকনিকতো খোলাৰ আশা কৰিছো। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এটা বি, ফাৰ্মাৰ কৰ্চ খোলাৰ বাবে চিন্তা কৰিছো আৰু এই বছৰ আৰম্ভ কৰা হব। ইয়াৰ বাহিৰেও বঙাইগাওঁত পেট্ৰ কেমিকেল কমপ্লেক্স আৰু পলিয়েষ্টাৰ এইবাৰত যাতে আমাৰ অসমৰ লৰাই নিযুক্তি পাব পাৰে তাৰ বাবে চেষ্টা কৰা হৈছে। এই বিষয়ে আমাৰ মাননীয় সদস্য দেৱানন্দ কোঁৱৰ দেবে যি পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে ধন্যবাদ জানাইছো। আমাৰ ছোৱালী বিলাকে যাতে ষ্টেনগ্ৰাফী ভালদৰে শিকিব পাৰে তাৰ কাৰণে আমাৰ ছোৱালী পলিটেকনিক বিলাকত জোৰ দিয়া হৈছে। ইয়াৰোপৰি কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ দিয়াৰ বাবে উচ্চ পৰ্য্যায়ৰ পৰামৰ্শ কমিটি কৰি দিয়া হৈছে। ডিব্ৰুগড় বিশ্ব-

বিদ্যালয়ৰ উপাচাৰ্য্য সভাপতি এই কমিটি কৰা হৈছে। ইয়াৰোপৰি পলিটেকনিক অনুষ্ঠান আমাৰ অসমত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে মাত্ৰ ৭ টা আছে এতিয়া উত্তৰ পাৰে এনে ধৰণৰ ইনষ্টিটিউশ্বন খোলাৰ ব্যৱস্থা কৰা হৈছে। বঙাইগাওঁত এটা পলিটেকনিক খোলাৰ বাবে আৰম্ভ কৰা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে মাটি ২২৫ বিঘা লোৱা হৈছে। আনহাতে দৰঙ জিলাত আৰু উত্তৰ লক্ষিমপুৰ জিলাত দুটা পলিটেকনিক কৰিবৰ বাবে চেষ্টা কৰা হৈছে। আমাৰ মাননীয় সদস্য কেইবাজনেও ব্যৱহাৰিক শিক্ষাৰ কথা কৈছে। আমাৰ শিক্ষানীতি হিচাবে ১০-২-৩, অৰ্থাৎ মেট্ৰিক পাচ কৰে দুবছৰ হাইয়াৰ চেকেন্দাৰী পঢ়িব আৰু ব্যৱহাৰিক শিক্ষা লাভ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে স্ত্ৰী শিক্ষা নীতি গ্ৰহণ কৰিছে। টেকনিকেল এডুকেশ্যনে টকা পইচা লোৱাৰ বাবে চেষ্টা কৰিছে। ১৯৮৩-৮৪ চনত ১১ খন ব্যৱহাৰিক শিক্ষা দিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আমাৰ মাননীয় সদস্য সকলে নিজৰ ক্ষেত্ৰত বহুতো মূল্যবান পৰামৰ্শ দাঙি ধৰিছে আমাৰ সদস্য কীৰ্ত্তি দত্তই কৈছে যে বহুতো ঠাইত স্কুলৰ ঘৰ নাই শিক্ষক আছে সেইটো আমি অনুভৱ কৰিছো। আমাৰ স্কুল শিক্ষক কিছুমানক প্ৰাদেশীকৰণ কৰা হৈছে কিন্তু স্কুল ঘৰ বিলাক লোৱা হোৱা নাই। আমাৰ অষ্টম বিত্তীয় আয়োগৰ দিনতেই এই কাম হব বুলি আশা কৰিছো। আমাৰ মাননীয় সদস্য তিনিবছৰীয়া দিগ্ৰী কৰ্চৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে আৰু এই সম্পৰ্কত আমি ব্যৱস্থা গ্ৰহণ কৰিছো আৰু আমাৰ দি, পি, আই আৰু গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুজন সদস্যই কলিকতা আৰু দিল্লীত গৈ এই সম্পৰ্কে চাই চিতি আহিছে। অহা বছৰৰ পৰা তিনি বছৰৰ দিগ্ৰী কৰ্চ আৰম্ভ কৰা হব। এই তিনি বছৰীয়া দিগ্ৰী কৰ্চৰ কাৰণে আমাৰ ৰাজ্যিক মন্ত্ৰী আই, আলিৰ নেতৃত্বত এটা কমিটি কৰি দিয়া হৈছে। এই সম্পৰ্কে আমাৰ মাননীয় সদস্য জলিল চাহাবেও মূল্যবান পৰামৰ্শ দাঙি ধৰিছে। আমি দেখিবলৈ পাইছো যে, আমাৰ প্ৰাইমেৰী পৰ্য্যায়ত স্কুল বিলাক পৰিদৰ্শন

কৰা নহয়। দি, আই আৰু এ, দি, আই সকল কাম কৰি ব্যস্ত থাকিব লগা হোৱা কাৰণে সময়মতে স্কুল পৰিদৰ্শন কৰিব নোৱাৰে আৰু এই কাৰণে প্ৰত্যেক জিলাতে এটা নতুন বিষয়া জিলা এলিমেণ্টৰী, এডুকেশ্যন অফিচাৰ পদ কৰি দিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই পষ্টটো ইনস্পেক্টৰৰ সমপৰ্য্যায়ৰ হব। যাতে আমাৰ স্কুল বিলাক লেভেলত সময় মতে পৰিদৰ্শন কৰা হয় তাৰ বাবেই এই পদ ক্ৰিয়েট কৰা হৈছে। হৈছে। আজি আসাম ট্ৰেইনিং লোৱা শিক্ষকৰ অভাৱৰ কাৰণে শিক্ষাৰ মানদণ্ড কমি গৈছে। এতিয়া আৰো ট্ৰেইনিং দিয়াৰ সুবিধাৰ কাৰণে আমাৰ চৰকাৰে ৪ খন বি, টি কলেজ কৰিবলৈ লৈছে। এই কেইখন কলেজ গুৱাহাটী, শিলচৰ, নগাও আৰু কোকৰাঝাৰত লোৱা হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ কেইবাগৰাকী সদস্যই শিক্ষা বিভাগৰ দুৰ্নীতিৰ কথা কৈছে। এতিয়া মহকুমা পৰ্যায়ত এলিমেণ্টৰি এডুকেশ্যন বৰ্ড কৰি দিয়া হৈছে। আমাৰ মাননীয় সদস্য সকলকো তাত সদস্য হিচাবে লোৱা হৈছে। প্ৰাইমেৰী পৰ্যায়ত আমাৰ নিৰ্দ্দেশ দিয়া হৈছে। অধ্যক্ষ মহোদয়, মই আৰু বেচি নকও। শিক্ষাৰ ক্ষেত্ৰত এইখিনি কৈ মই সামৰণি মাৰিলো।

মই টুৰিজিমৰ সম্পৰ্কত কেইটামান কথা কৈ শেষ কৰিব বিচাৰিছো। মই শ্ৰীযুত জীবকান্ত গগৈক ধন্যবাদ দিছো যে তেখেতে প্ৰথমবাৰৰ কাৰণে সদনত টুৰিজিমৰ সম্পৰ্কত উল্লেখ কৰিলে। মই ইয়াৰ বাবে তেখেতক ধন্যবাদ জনাইছো। আমি যদিও টুৰিজিমৰ সম্পৰ্কত শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰিছো টকাৰ অভাৱত সেই খিনি কৰিব পৰা নাই। আমাক যদি বাকী বিভিন্ন বিভাগে সহায় কৰে তেতিয়াহলে আমি নিশ্চয় টুৰিজিম বিভাগটো শক্তিশালী কৰিব পাৰিম। আমি এটা কথা জানো যে হাৰিয়ানাত টুৰিজিম বিভাগটোক সকলো বিলাক বিভাগে সহযোগ কৰাৰ কাৰণে এই বিভাগটো শক্তিশালী কৰিব পাৰিছে। সেই দৰে আমাৰো সকলো বিলাক বিভাগে সহযোগ কৰিলে এই কাম নিশ্চয়

সম্ভৱ হব। আমাৰ হাবিত যি এশিঙিয়া গড় আছে সেইটো পৃথিবী বিখ্যাত। পৃথিবীৰ অন্যান্য বহু ঠাইৰ পৰা মানুহ এই এশিঙিয়া গড় চাবলৈ আহে। কাজিৰঙাত বৰ্ত্তমান যি খিনি সুবিধা আছে এই খিনিয়েই যথেষ্ট নহয়। এই খিনিয়ে যিমান পৰিমানৰ মানুহ আকৰ্ষণ কৰিব লাগে সিমান পৰিমানৰ মানুহ আকৰ্ষণ কৰিব পৰা নাই। কাজিৰঙালৈ টুৰিষ্ট আহিলে হাবিৰ জীবজন্তু, চৰাই চিৰিকতি খিনি চাই দিনৰ দিনটো টুৰিষ্ট লজত বহি সময় কটোৱাৰ বাহিৰে আন উপায় নাই। সেই কাৰণে আমি এটা আৰটিফিচিয়েল লেক তৈয়াৰ কৰাৰ কথা চিন্তা কৰিছো। এই লেকটো তৈয়াৰ কৰিব পাৰিলে টুৰিষ্ট সকলে জীবজন্তু, চৰাইচিৰিকতি চোৱাৰ বাহিৰেও ৰবিং, ফিচিং আদিৰ বাবে সুবিধা পাব। তাৰোপৰি কাজিৰঙাত এটা মিউজিয়াম, লাইব্ৰেৰী আৰু অডিটেৰিয়াম কৰাৰ কথা চিন্তা কৰিছো। অন্য বিভাগ বিলাকে সহযোগ কৰিলে এই কাম সোনকালে কৰাটো সম্ভব হব। বৰ্ত্তমান যি খিনি কৰা হৈছে, আৰু যি খিনি কৰিম বুলি ভাবিছো তাতে মই সন্তুস্ত থাকিব পৰা নাই। ইয়াৰ বাহিৰেও ভৱিষ্যতে আৰু কৰাৰ হেপাহ আছে। যদি এই সম্পৰ্কত আপোনালোক সকলোৰে পৰা সহযোগ পাওঁ তেতিয়াহলে এই খিনি কৰা সম্ভৱ হব। মই এই কেইটা কথাকে কৈ মাননীয় সদস্য সকলক ধন্যবাদ জনাই সামৰণি মাৰিলো।

Shri Md. Umaruddin :— Sir, I want a clarification. Hon. Minister has spoken over a number of subjects including technical education, but what about the position of our primary education ? Why there is so much disparity between district and district with regard to drimary education. I tried to draw attention to this particular

